প্লাইৰিন হাতিত উঠি ওলাই ধৰিলে। পাচে বঙ্গালে বৰ পাত্র গোহাঁইৰ হাতিৰ নেজ কাটিলে, ভৰিৰ ফাঁদনিও কাটিলে, তেও হাতি ন পৰিল। থাওমুং ক্লিংখাম প্লাইঅৰক হাতিত উঠি গল, থাওমুংবিং চাপ্লাইকাই হাতিত উঠি গল; এই দুয়ে গৈ বৰ পাত্র গোহাঁইৰ লগত ভৰ দিলেগৈ। কংচেং বৰ পাত্র গোহাঁয়ে বঙ্গালৰ বিৰমানি নেবাবক কাটিলে। ইবোৰ বঙ্গাল ভাগি পেলাল, পাচে আমাৰ লোকে পাচে পাচে খেদি নি খাগৰি জান পালেগৈ। ঘা লগা হাতি জাৰ নোআৰে দেখি তাৰে পৰা ওলোটাই পঠালে; বঙ্গালৰ পালে ঘোঁৰা ১ ম, কাটিলে বিস্তৰ, হিলৈও বিস্তৰ পালে। ৰজা দেৱে ৰন জিকিবৰ সুনি তাৰ পৰা ডাঙ্গৰিয়া নকলক অনালে, সিবোৰেও আহি বঙ্গালৰ ক্তি বস্তু পালে, ৰজা দেৱক সেৱা কৰিলেহি। ৰজা দেৱেও বৰ পাত্র প্রমুখ্যে সকলো বিসয়াক জোগ্যানুসাৰে বঁটা প্রসাদ দিলে। পাচে ৰজা দেৱে চুহনক দাই ধৰি বুলিলে, বঙ্গালৰ বস্তু ক্তিৰ পালি বুলি সুনিলোঁ, মোক কিয় নি দিলি; এই দাই ধৰি চুহনৰ ঘৰ লুৰি মানুহ গুচাই ঘৰলৈ খেদিলে।



ৰুসিয়া পাদুৰিএ বাটত নস্য লোআ।

অনেক দেসৰ সম্বাদ।

Journal of Events.

আমি সুনিচোঁ, চাইটা মানুহ ব্রহ্মপুত্রে নদিএ উজাই আহোঁতে আউনিয়াটিৰ ওচৰ পালতহি, গৰাত এটা টেকেলিৰ একান ওলাই থাকিবৰ দেখি, নাৱৰিয়া এটাই বঠাৰে খোচ মাৰিলত ১০১০ টকা ৰুপ, আৰু ১৫।১৬ টকা সোন মাটিত সিস্রুতি হৈ পৰিল। পাচে আটাই কেইটাই বুটলি চপাই বাঁটি লৈ গোঁসাইক ভেঁটি দিবৰ নিমিত্তে ২০।২০ টকা ৰাখি, আন আটাইবোৰ পুতি থলে। এই কথাৰ বুজ পাই আউনিয়াটিৰ ভকতবোৰে সেই মানুহ কেইটাক ধৰি ধন উলিয়াবৰ নিমিত্তে সাস্তি কৰা জন্ত্র দেখাই ভই লগোআত সিহঁতে ৰুপ পোতা ঠাই দেখুআলে; কিন্তু আটাইবোৰ ধন নাই দেখুআ বুলি ভাবি মানুহক এৰি নি দিলে। পাচে বিচাৰ কৰ্তা শ্রীজুত ব্রোডি চাহাব মঁহগৰত আচে বুলি সুনি সেই কথা জনালে; তাতে বৰ চাহাব গৈ সত্র পালত সিহঁতে বেগাই সেই মানুহক এৰি দি সেই কথাৰ একো সৈ নে কাঢ়িলে। পাচে সেই চাইটা মানুহক মাতি সপত দি সোধাত, সকলোএ একে কথা কলে। ইয়াৰ বিচাৰ পাচে হব।

১৮ মাৰ্চত কলিকতাৰ নিমতলা ঘাটৰ ওচৰত ঘাটৰ নাও মানুহে সৈতে ভৰা হৈ পাৰ হঁওতে তল গল; তাৰ মাজত ৪ টা মাথোন ৰখ্যা পৰিল, আন আটাইবিলাক মৰিল।

ডিচেম্বৰ ২৮ তাৰিখত ৰাংগুন নগৰত থকা এজন মানুহে জুইৰ ওপৰত তেলৰ চৰু ৰাখি থাকোঁতে মানৰ এখন ভাপ জাহাজ আহিচে বুলি সুনি, তাক চাবলৈ তেল এৰি জোআত ঘৰত জুই লাগিল; পাচে ঘৰে ঘৰে জুই লাগি গৈ প্রাই সকলো নগৰ নো পোৰে মানে বাৰ্হি গৈচিল। ২০০০ ঘৰ পুৰিলে, হানি হল ৩০,০০,০০০ টকা। হাটে বাটে দুখিত লৰা তিৰোতা আৰু এধা পোৰা কুকুৰ গাহৰি আদি চাৰিও পোনে দেখা জাই।

মলমাইন নগৰত থকা আগাবথৰ নামে এজন মানুহৰ ঘৰত ডকাইত এমথা গোট থাই জখলা পাৰি ওপৰৰ খিলিকি দুআৰে দি সোমাই বাপেক পুতেকক ধৰি আটাই-বোৰ চাবি উলিয়াই ঘৰ লুৰিলে । এনে সময়ত পুতেক পলাই বাত্রা কলত সোধাৰু চাহাব এজনে মানুহ গোটাদেক লৈ সেই ঘৰ পালত ডকাইতে গুলিয়াই খেদাই, পাচে আটাই ধন বস্তু লৈ গুচি গল ।

ডকাইতৰ কাৰনে খৈৰৰত থকা আফিদি লোকক জুধ কৰি সিইতৰ ধান আদি সকলো খেতি গুচাবৰ নিমিত্তে দু হেজাৰ চিপাহিক প[illegible]চে । আৰু ১০।১২ জন ডকাই-তক ধৰি গবৰ্নৰ জেনৰল লৰ্ড চাহাবৰ আগ্যা-ৰে ফাঁচি দিলে ।

মৈৰাৰত থকা এজনি বুৰি তিৰোতাক মায়াপি বুলি জানি গাঁৱলিয়াবোৰে ভৰি বান্ধি ওলোটাই আৰি এদিন ৰাখিচিল, তাৰ পাচ দিনাও ৮ ঘন্টা মান আকও আৰি থলে; আৰু চকুতো জলকিয়া ঘঁহি সাস্তি দিলে ।

কেপ গুডহোপৰ ওচৰত থকা হটন্তত আৰু কাফ্রিৰ আদি বাসিএ বিলাইতি লো-কৰ অহিতে দ্রোহ পাতি ১০০০ মান ৰনু-আ গোট থাই অনেক চাগ গৰু আদি বহু ডকা দি নিলে । সেসত ২৪ জানুআৰি তা-ৰিখে ইঙ্গৰাজি ফৌজে সৈতে ৰন কৰি সিইঁ-তৰ ২৪ জন মানুহ মৰিল । ফৌজৰ এৰ চিপাহি আৰু ৫ টা ঘোঁৰাও খুন হল ।

লিবৰপুল নগৰত এজন জাহাজৰ কাপ্তান ৰাজ বাটে দি জাঁওতে ৰথ টনা এটা দুষ্ট ঘোঁৰাৰ ওচৰলৈ গলত ঘোঁৰাই মুখ মেলি কাউপ্‌কৈ তাৰ কানত ধৰি একে বেলিএ আটি চিঙ্গি পেলালে ।

গ্রেট হৰ্ডন গাঁৱত লৰা দুটা উমলি থা-কোঁতে এজনে মটৰ মাহ এটা কানে দি সুমাই মুখে উলিয়াম বুলি মিচাকৈ সেই ৰুপে তাক কৰা দেখালে । সিটোএ সচাঁ জেন বুজি এটা মটৰ গুটি আপোনাৰ কানত সুমাই দিলত উলিয়াব নোআৰি ৪ দিনৰ মুৰত মৰিল ।

আয়ৰলণ্ড দেসৰ কোত্তচ নামে এজন বৰ টান পকিয়া মানুহে ৫০০ মাইলৰ বাট পুৰ ন হই মানে দিনে ৰাতিএ আধা ঘন্টাই পতি আধা মাইলৰ বাট খোজ কাঢ়ি জাম বুলি আৰি ৰাখি সেই ৰুপে দহ দিন গৈ সিধি কৰি আৰিৰ ধন সলে । ১০ দিনত ৫০০ মাইল জাবলৈ অতি টান ন হই, কিন্তু সেই ৰুপে দিনে বাতিএ ভাঁৰে পতি অলপ অল-পকৈ জাবলৈ আন মানুহৰ অসাধ্য ।

ইঙ্গলণ্ডৰ দনবৈ গাঁৱত ডিচেম্বৰৰ ১৪ তা-ৰিখে পুআ ৬॥ বজা সময়ত আকাসত জলি থকা বৰ জাহাজ দুখনৰ আকাৰ দেখা গল । প্রথমতে অকল এঘৰৰ মানুহে দেখা পালে, পাচে বাত্রা দিলত গাঁৱৰ সকলোএ ওলাই দেখিলে । পাচে ক্রমে জাহাজৰ আকাৰ গুচি দু মসা সৈন্যৰ নিচিনা হল; সেসত দুই দল সৈন্যৰ পৰা দু জন ৰনুআ ওলাই চাপি গৈ হতা হতিকৈ জুধ কৰা জেন দে-খিলে । ৮ বজা মানলৈকে এই ৰুপে থাকি ক্রমে অদৃস্য হৈ গল ।

মেই, অৰ্থাত জেঠৰ পঞ্জিকা ।

Almanac for May, 1851.

মেই	বহাগ	বাৰ	তিথি	দিনমান	মেই	জেঠ	বাৰ	তিথি	দিনমান
১	১৯	৫	৩০	১৩।২	১৭	৪	৭	১৭	১৩।২২
২	২০	৬	১	১৩।৩					
৩	২১	৭	২	১৩।৪	১৮	৫	১	১৮	১৩।২৪
					১৯	৬	২	১৯	১৩।২৫
৪	২২	১	৩	১৩।৬	২০	৭	৩	২০	১৩।২৬
৫	২৩	২	৪	১৩।৭	২১	৮	৪	২১	১৩।২৭
৬	২৪	৩	৫	১৩।৮	২২	৯	৫	২২	১৩।২৮
৭	২৫	৪	৬	১৩।১০	২৩	১০	৬	২৩	১৩।২৮
৮	২৬	৫	৭	১৩।১১	২৪	১১	৭	২৪	১৩।২৯
৯	২৭	৬	৯	১৩।১২					
১০	২৮	৭	১০	১৩।১৩	২৫	১২	১	২৫	১৩।৩০
					২৬	১৩	২	২৬	১৩।৩১
১১	২৯	১	১১	১৩।১৪	২৭	১৪	৩	২৭	১৩।৩২
১২	৩০	২	১২	১৩।১৬	২৮	১৫	৪	২৮	১৩।৩৩
১৩	৩১	৩	১৩	১৩।১৭	২৯	১৬	৫	২৯	১৩।৩৪
১৪	১	৪	১৪	১৩।১৮	৩০	১৭	৬	৩০	১৩।৩৫
১৫	২	৫	১৫	১৩।২০	৩১	১৮	৭	১	১৩।৩৬
১৬	৩	৬	১৬	১৩।২১					

আমাবাস্যা ১ দিনৰ ৩।২০০ভাটি । পুৰ্নিমা ১৫ দিনৰ ০।২৩ ভাটি বেলা ।

THE ORUNUDOI,
Printed and published by O. T. Cutter, *at the Sibsagor Mission Press.*—N. Brown, *Editor.*

অৰুণোদই

৬ বচৰ। মোং সিৱসাগৰ, মেই, ১৮৫১। নম্বৰ ৫।

VOL. VI. SIBSAGOR, ASAM, MAY, 1851. NO. 5.

আচিয়াত থকা ভাগ তুৰুকৰ বিবৰন।

Geography of Turkey in Asia.

ইউৰপ আৰু আচিয়া ৰৱিনৰ উত্তৰ ভোগৰত ৰুচিয়া মহা দেস আচে। তাৰে দখিন পচিম চুকে তুৰুকি নামে আন এখন বৰ দেস আচে। তাৰ দু ভাগ আচিয়াত, এভাগ ইউৰপত থাকে। আচিয়াৰ ভিতৰত জি ভাগ থাকে, তাৰ দিঘ ১০০০, পথালি ৪৫০ মাইল। মানুহৰ সংখ্যা প্ৰায়ে ১,২০,০০,০০০।

তুৰুক দেসৰ ভিতৰত এই এই প্ৰদেস আচে; সৰু আচিয়া, আৰ্মেনিয়া, কুৰ্দিস্থান, খাচ্‌দি, মেচপতামিয়া, চুৰিয়া, আৰু পালেস্তাইন, অৰ্থাত য়িহুদা দেস। এই সকলোকে তুৰুকিইতে দখল কৰিলে। সেই ঠাইতে আগৰ কালত আচুৰিয়া, পন্ত, লুদিয়া আদি কৰি অনেক বৰ ৰাজ্য আচিল; তাতো অনেক পুৰনি নগৰৰ ভগা সেস গৰ, পকি, মূৰ্ত্তি আদি চিন আচে। সেইবিলাকৰ মাজত বাবেল আৰু নিনিবি অতি প্ৰধান নগৰ; নিনিবি নগৰত এতিয়াও মাটি খানি সিলৰ অনেক বৰ বৰ মূৰ্ত্তি উলিয়াই।

সেই দেসত তৌৰচ আৰু আৰাৰাত নামে ওখ পৰ্বত আচে। জল আপ্লৱনৰ কালত নোহাৰ জাহাজ সেই আৰাৰাতৰ টিঙ্গতে ৰল। প্ৰধান নদিৰ নাম ফিৰাট আৰু তিগৰ; এই দুয়ো পাৰ্চি সমুদ্ৰত পৰেগৈ। সেই দেসত বহুত সৰোবৰ নাই; জি সৰু সৰু আচে, তাৰ পানি লোনা।

বাগ্‌দাদ নামে আগৰ কালৰ তুৰুকি ৰাজ্য নগৰ তিগৰ নদিৰ ওচৰত আচে। সি আগেয়ে অতি সুন্দৰ নগৰ আচিল; কিন্তু কনস্তান্তিনপলক ৰাজ্য নগৰ কৰিবৰে পৰা বাগ্‌দাদ সৰু হৈ হৈ গল। এতিয়া তাত ১০। ১২,০০০ মান নিবাসি লোক মাথোন আচে। সেই নগৰৰ দখিন ফালে ফিৰাটৰ পচিম পাৰে পুৰনি বাবেল নগৰৰ ঠাই আচে; নষ্ট হোআ ডাঙ্গৰ পকিৰ অনেক চিন আচে। তাৰ মাজত তিনটা প্ৰধান ভগা পকি; প্ৰথমটৰ দিঘ ২২০০ হাত, পথালি ১৬০০; দুতিয়টৰ দিঘে পথালিএ ১৪০০ হাত; ত্ৰিতিয়টৰ ঘেৰ ১৫২৪ হাত, ওখ ৩৯৬ হাত।

সাগৰৰ ওচৰত তিগৰ আৰু ফিৰাত গোট খোআ ঠাইত জাহাজেৰে বেহা বেপাৰ কৰা



তুৰুকি আৰু আৰবি মানুহৰ নকচা।

বচৰা নামে এখন ভাল নগৰ আছে; তাৰ নিবাসি মানুহ ৬০,০০০। তিগৰৰ পচিম পাৰে মচূল নগৰ আছে, তাৰ মানুহ ৩৫,০০০। সেই নগৰৰ ওচৰত পুৰনি নিনিবি নগৰ আছিল। ফিৰাট নদিৰ আগালিত এৰ্জে কম নগৰ আছে; মানুহ ৮০,০০০। সেই নগৰ নোহাৰ দিনত পতা হৈছিল, তাত থকা মানুহে কই। তাত বাজে দিয়াবিকৰ আৰু বিলাক সমুদ্ৰৰ পাৰত ত্ৰেবিজন, এই দুই প্ৰধান নগৰ আছে। সৰু আচিয়াত ব্ৰুচা, তকাত, স্মৰ্না, পৰ্গাম, এবিলাক নগৰ ডাঙ্গৰ হৈছে।

কনস্তান্তিনপল নগৰৰ ২০০ মাইলৰ পুব দিসে থকা আঙ্গোৰা নগৰ আছে, তাত নিবাসি মানুহ ৪০,০০০ মান। সেই ঠাইত অনেক মিহি বহু মুল্য কাপৰ চাগলি নোমেৰে বনাই। তাত জি বিধ চাগলি থাকে, সি আন কোনো ঠাইত নাই; নোম অতি বগা, মিহি, আদ হাত মান দিঘল। সিঙ্গ পকোআ, বৰ সুন্দৰ। সেই আঙ্গোৰা চাগলিৰ নকচা ইয়াত দিয়া হৈছে।



আঙ্গোৰা নগৰৰ মানুহে পোহা চাগলি এবিধ।
The Angora Goat.

আগৰ কালত তুৰুক ৰাজ্য অতি পৰাক্ৰমি; এতিয়া হলে ক্ৰমে ক্ৰমে নৰম হৈছে; আৰু আগেয়ে জি ৰূপেৰে আন দেসত আক্ৰমন কৰিচিল, এতিয়া কৰিব নোআৰে। সেই দেসত বহু ডকাইত আছে; জাত্ৰিকে অহা জোআ কৰিবলৈ টান। তুৰুকি মানুহ দেখিবলৈ ভাল আৰু সকত, কিন্তু সৰপা; তিৰোতাবোৰো ডেকা কালত সুন্দৰ, কিন্তু ৩০।৩৫ বচৰ বয়সিয়া হলে, বুঢ়ি জেন দেখা জাই। সিইঁতৰ মচলমান ধৰমৰ মতে এটা মানুহে চাৰি জনি তিৰোতা লব পাৰে; কিন্তু বৰ লোকে জিমান পালিব পাৰে, সেই মানহে ৰাখে; তাতে বৰ দুষ্টালি কথা জনমা হই। চুল্‌তান অৰ্থাত বাদস্যাৰ চিৰালিও বা হাৰম, অৰ্থাত তিৰোতা থকা ঘৰত ৫।৬০০ স, এইমান তিৰোতা চপাই ৰাখে। সিবিলাকক ৰখ্যাক মানুহ নপুংসকহে পাতে।

তুৰুকি লোকৰ বহু গিয়ান বিদ্যা নাই; কোৰান নামে মহমদৰ সাস্ত্ৰ পৰ্হিব পাৰে, কিন্তু তাত বাজে অনেক পুথি নাই। আন মচলমানৰ দৰে দিনত পাঁচ বেলি নেমাজ কৰে; সুৰ্জ ওলোআত প্ৰথম, ৯ বজাত দুতিয়, দুপৰত ত্ৰিতিয়, ৪ বজাত চতুৰ্থ, আৰু সুৰ্জ মাৰ জোআত পঞ্চম, এইমান নেমাজ প্ৰাৰ্থনা নিতৌ কৰে। নেমাজ নৌ কৰোঁতেই হাত, ভৰি, মুখ ধোএ। দুতিয় প্ৰাৰ্থনাৰ পাচে প্ৰথম সাজ ভাত খাই; আৰু সি সাজ গধুলি বাৰ প্ৰাৰ্থনাৰ পাচেহে খাই।

সিবিলাকে জাত্ৰিক লোকৰ হিতৰ নিমিত্তে অনেক নাম ঘৰ সাজে, আৰু সেই দেসত পানি পাবলৈ দুৰ্গম হোআত জাত্ৰিকৰ নিমিত্তে নাদ খানি থই। কোৰানৰ মতে সুৰা চেৰাপ খাবলৈ নিসেধ, সেই নিমিত্তে ভাল মানুহে অকল পানিহে খাই; তথাপি কোনোএ চেৰাপ কানি আদি ৰাগি বস্তু খাবলৈ ধৰি বেগাই দুষ্ট হৈ জাই। অধিক ভাগে ধঁপাত আৰু কাফি খাই; ভাত, ৰুটি, পনিৰ, জলফাই, পনৰু, তেল, আৰু পহুৰ মঙ্হ, এইবিলাক খাই।

সেই দেসৰ আদ খিনি মান মানুহ তুৰুকি হৈছে; সিবিলাকৰ বাহিৰে গ্ৰিক, আৰ্মেনি, আৰবি, য়িহুদি, কুৰ্দি, আৰু তুৰ্কমান লোক আছে। গ্ৰিক আৰু আৰ্মেনিএ খ্ৰিষ্টিয়ান ধৰম প্ৰবৰ্ত্তে; আৰবি আৰু কুৰ্দিবিলাকে কোৰানৰ দৰে প্ৰবৰ্ত্তে, কিন্তু কুৰ্দিৰ ধৰম আন মচলমানৰ পৰা কিছু লৰ, আৰু কাৰো বস হবলৈ সিইঁতৰ ইচা নাই। সিইঁত নগাৰ



জর্জ্জিয়া দেসৰ লোক।

A Georgian Gentleman.



জৰ্জ্জিয়া দেসৰ তিৰোতা লোক।

A Georgian Lady.

সৰে পর্বতত থাকে; তুৰুকিৰ সৰে কাপৰ নি পিন্ধে, কলা চাগলিৰ চাল পিন্ধে, আৰু মূৰত দিঘল ৰঙ্গা টুপি লই। সিইঁত বৰ ডকাইত; কিন্তু কোনো মানুহ দুখত পৰা দেখিলে, অৱস্যে উপকাৰ কৰিব লাগে, সিইঁতৰ সদাই এনে দস্তুৰ। বচৰি বচৰি ২০,০০,০০০ একুৰি লাখ চাগ আৰু মেৰ চাগ বেচিবৰ নিমিত্তে কনস্তান্তিনপল নগৰলৈ খেদাই নিএ। তুৰ্কমান লোক তুৰুকৰ নিচিনা, একে বঙ্গহৰ মানুহ; তুৰুকৰ পুব ফালে কাস্পিয়ান আৰু আৰাল সমুদ্ৰৰ ওচৰত সিইঁতৰ নিজ; দেস তাক তাতাৰ স্বতন্ত্ৰ দেস বোলে।

তুৰুক লোক তাতাৰ বঙ্গহ হই; কিন্তু সিইঁতৰ ভাসা আৰবি আৰু পাৰ্চি ভাসাৰে সৈতে ক্ৰমে মিহলি হৈ জোখাত তাতাৰে সৈতে এতিয়া নি মিলে। সিইঁতে আগৰ কালৰ পৰা বনুআ আৰু ডকাইত আছিল। খ্ৰিষ্টৰ পাচে প্ৰাই ৬৫০ সঁকত খেহ লোকে তাতাৰ পুৰ ভাগ, চাৰাচেন আৰু পাৰ্চি লোকে পচিম ভাগক দখল কৰিলে; তাতে পচিম ভাগে মচলমান ধৰম গ্ৰহন কৰিলে। পাচে তুৰ্কেস্থানত তগুৰুল বেগ আদি অনেক বৰ বনুআ ওলাই আচিয়াৰ সকলো পচিম ভাগক দখল কৰি, সেসত ওস্মান নামে সিইঁতৰ এক অধিপতিএ ১৩০০ সঁকত ওস্মান বা ওতমান ৰাজ্য পাতি, চুলতান, অৰ্থাত মহা ৰজা নাম ললে। তেঁওৰ পুতেক অৰ্খানে বাদস্যা নাম ললে। অৰ্খানৰ পুতেক চুলিমানে ইউৰপক আক্ৰমন কৰিলে। পাচে বাজাচেত নামে এটা বৰ চোকা আৰু নিৰ্দয়া বাদস্যা আছিল; খ্ৰিষ্টিয়ান দেসিবোৰেৰে জুধ কৰিলে, আৰু অনেক বন্দিয়াৰ পাই, সিবিলাকৰ ১০,০০০ লোক বধ কৰালে। পাচে মঘল ৰজা তিমুৰলেনে সৈত্তে ৰন কৰিবলৈ উলটি আহি ১৪০২ সঁকত আঙ্গোৰা নগৰৰ জুধত পৰাজই হৈ ধৰা পৰিল। পাচে তিমুৰলেন ৰজাই বাজাচেতৰ পুতেক মহমদক তুৰুকি বাদস্যা পাতিলে। তাৰ নাতিএক দুতিয় মহমদ বাদস্যাই কনস্তান্তিনপল নগৰক জুধ কৰি ১৪৫৩ সঁকৰ ২৯ মেই তাৰিখত ললে; তাৰে পৰা কনস্তান্তিনপল তুৰুকি ৰাজ নগৰ হল। তাৰ পাচে সকলো ইউৰপ বস কৰিবলৈ তুৰুকি ৰজাবিলাকে

অনেক বেলি জতন কৰিছিল; কিন্তু তাক কৰিব নোৱাৰাত আগেয়ে জি জি দেস দখল কৰিছিল, তাৰ কেতবিলাককো এৰি দিলে।

তুৰুক আৰু ৰুচিয়াৰ মাজত কৌকাচ পৰ্বতবিলাক আছে; তাৰ উত্তৰ ভাগত চৰ্কাচিয়া লোক, দখিন ভাগে জৰ্জিয়া লোক থাকে। চৰ্কচিয়াই সৈতে ৰুচিয়াই জুধ কৰি ক্ৰমেৰে ভৈয়ামবোৰ দখল কৰিছে। বচৰ চাৰেকৰ আগেয়ে আকুল্গো গাঁৱৰ কোঁঠ লঁওতে ৰুচিয়াৰ ১২,০০০ সেনা মৰিল। সিইঁতে নগাৰ নিচিনাকৈ আপোনাৰ মাজতো লগতে জুধ কৰে। আৰু কোনো এক মানুহে জদি আনক বধ কৰে, তেন্তে মৰা মানুহৰ গিয়াতিএ সেই মানুহকো মাৰি অৰনো সুটাই; আৰু নু সুটাই মানে পুতেক নাতিএকৰ দিনলৈকে মহা মক্ৰ হৈ থাকে। অচিনাকি কোনো মানুহ ঘৰলৈ অহাত সিইঁতে জদি মিতিৰ কৰি ৰাখিব খোজে, তেন্তে সেই ঘৰৰ ঘৈনিএ লৰাক খুউআ দি পিয়াহ এটুপি দিএ, পাচে তাক পুতেকৰ নিচিনা মানি সদাই ৰাখে, প্ৰান দিয়ালৈকে কোনো সক্ৰৰ হাতত এৰি নি দিএ। সিইঁতৰ গামবোৰ ৰজাৰ নিচিনা ডাঙৰ; তাৰ তলৰ প্ৰজাক বন্দিৰ দৰে ৰাখে। আৰু সিইঁতৰ লৰা চোআলিবোৰ আন দেসলৈ বেচে। সিইঁতৰ সংখ্যা প্ৰায়ে ৫,৫০,০০০।

চৰ্কাচিয়াতকৈ জৰ্জিয়াবোৰ ভাল মানুহ; সিইঁতৰ সংখ্যা ৩,২০,০০০। প্ৰধান নগৰ তেফলিচ, তাৰ নিবাসি ১৫,০০০। তাত ৰুচিয়াই কোঁঠ সাজি দেস বসকৈ ৰাখিবলৈ সেনা সেনাপতি থই। সেই দেসৰ অধিক ভাগ মানুহ নামেৰে মাথোন খ্ৰিষ্টিয়ান, কেতবিলাক মচলমানৰ ধৰম প্ৰবৰ্ত্তে; কিন্তু সিইঁতৰ গিয়ান আৰু বিদ্যা নাই। জৰ্জিয়া মুনিহ তিৰোতাৰ নকচা ওপৰত লিখা হৈছে।

আটাই পিথিবিৰ মানুহতকৈ চৰ্কচিয়া আৰু জৰ্জিয়া লোক দেখিবলৈ সুন্দৰ। সিইঁতৰ তিৰোতা মানুহ আন দেসলৈ বেচি অনেক ধন লই; প্ৰায়ে নিলাম কৰি বেচে। তুৰুক দেসলৈ বচৰি বচৰি ১২,০০০ হেজাৰ মান লৰা চোআলি এই ৰূপেৰে বেচে। তুৰুকি ৰজাৰ তিৰোতাৰ প্ৰাই আটাইবোৰ জৰ্জিয়াৰ জিয়াৰি। পাৰ্চি ৰজায়ো সেই ৰূপে আনে।

জেতিয়া জৰ্জিয়া মানুহ এটা মৰে, তেতিয়া পৰিয়ালবোৰে তাৰ গুৰুক ২০০ ৰূপ দিলেহে সি স্বৰগৰ দুআৰিলৈ তাক সোমাবৰ নিমিতে চিঠি লিখি দিএ; পাচে সেই চিঠি মৰাটিৰ বুকত দি পোতে; তাৰ দ্বোআৰাই সি স্বৰগত সোমাব পাৰে, সকলোএ ভাবে; ইমান অগিয়ানি হৈ আছে।

জাত্ৰিকৰ জাত্ৰা, ৩ আধ্যা।

The Pilgrim's Progress, Chapter 3.

পাচে খ্ৰিষ্টিয়ানে সৈ সৈ অৰ্থ-দায়কৰ ঘৰ পাই বাৰে বাৰে দুআৰ চপৰিয়ালে; পাচে এজনে দুআৰলৈ আহি, ইয়াত কোন আছে বুলি সুধিলে।

তাতে খ্ৰিষ্টিয়ানে উত্তৰ দিলে, এখেত মই এজন বাটৰুআ আচোঁ, দেও; এই ঘৰৰ ঘৰাকিৰ এজন চিনাকি মানুহে মোৰ লাভৰ নিমিতে ইয়ালৈ আহিবলৈ দিছে; এতেকে গিৰিহতে সৈতে কথা বাত্ৰা হৰ খোজোঁ।

তাতে সি ঘৰৰ গিৰিহতক মাতিলত একেৰিমান পলমে তেঁও আহি খ্ৰিষ্টিয়ানত সুধিলে, তোমাৰ কি ইচা হৈছে?

খ্ৰিষ্টিয়ান। হে আত্তা, মই বিনাস নগৰৰ পৰা আহিচোঁ, চিওন পৰ্ব্বতলৈ জাব খোজোঁ; জিহেৰে মোৰ বৰ উপকাৰ হই, ইয়াত সোমালে আপুনি এনে কেতবিলাক সদ কথা মোক দেখাব, ইয়াকে এই বাটৰ মুখৰ দুআৰত থকা মানুহ জনে মোত কলে।

অৰ্থ দায়ক। ভিতৰলৈ আঁহা; জি কথা তোমালৈ হিত হৰ, তাক মই দেখাম; তেতিয়া আপোনাৰ লগুআক চাকি লগাবলৈ দি, মোৰ পাচে পাচে আঁহা বুলি খ্ৰিষ্টিয়ানত কলে। তেতিয়া সৈ এটা গুপুত কোঁটালি সোমাই লগুআক এখন দুআৰ মেলিবলৈ দিলে। দুআৰ মেলিলত খ্ৰিষ্টিয়ানে

বাৰত আৰি থোৱা কোনে. গভিৰ জনৰ পুতলা দেখিলে। পুতলাৰ এই আকাৰ; চকুএ স্বৰগলৈ চোৱা হৈছিল; হাতত সকলো পুথিতকৈ উত্তম পুথি; তেঁওৰ ওঁঠতে সত্য ধৰমৰ বিধান লিখা আছিল; জগতলৈ পিঠি দিয়া হৈছিল; মানুহবিলাকক বিনই কৰাৰ নিচিনাকৈ থিয় হৈ থাকিল, আৰু তেঁওৰ মূৰৰ ওপৰত ঐশ্বৰ্জ্জৰ কিৰিটি ওলমি আছিল।

তেতিয়া খ্রিষ্টিয়ানে কলে, ইয়াৰ কি অৰ্থ?

অৰ্থ-দায়ক। জি মানুহৰ এই পুতলা, হেজাৰৰ ভিতৰতো এনে মানুহ নে পাই; সি লৰা জনমাবও পাৰে, প্রসও কৰিব পাৰে, উপজিলে পিয়াহো দিব পাৰে। আৰু তুমি জে তাক স্বৰগলৈ চাই থকা, হাতত আটাইতকৈ উত্তম পুথি লোৱা, আৰু সত্য ধৰমৰ বিধান তাৰ ওঁঠত লিখা দেখিলা, সেয়েৰেই তুমি ইয়াকে বুজিবা; জেনেকৈ তুমি তাক মানুহবিলাকক বিনই ৰূপে থিয় হৈ থকা দেখিলা, সেই দৰে গোপনিয় কথা বুজি পাপি লোকক দেখাই দিয়া, এয়ে তাৰ কৰম। আৰু তুমি জে তাৰ পিঠি জগতলৈ দিয়া, আৰু তাৰ মূৰৰ ওপৰত কিৰিটি ওলমি থকা দেখিলা, তাৰ এই অৰ্থ; সি আপোনাৰ গৰাকিৰ কৰমত প্রিতি কৰা হেতুকে বৰ্ত্তমান হোৱা কথা অৱমান হেলা কৰি, সি পুৰি জগতত ঐশ্বৰ্জ প্রতিফল অৱশ্যে পাব। আৰু মই জে প্রথমতেই তোমাক এই পুতলা দেখালোঁ, তাৰ কাৰন এই; তুমি বাটত জাঁওতে জি দুৰ্গম ঠাই পাবা, তাত তোমাক সুপথ বুজাবৰ নিমিত্তে তুমি জোৱা থানৰ অধিকাৰে অকল সেই মানুহক বাট দেখাঁওতা পাতিলে। এয়েৰে তোমাক জি বুজালোঁ, ভালৈ সাৱধান হোৱা, আৰু জি দেখিলা, তাক মনত তুমি ৰাখিবা; জি লোকে সত্ত পথ দেখাম বুলি মৰনলৈ জোৱা পথে তোমাক নিব, কি জানি বাটত জাঁওতে এনে কোনো মানুহ লগ পাবা।

পাচে অৰ্থ-দায়কে খ্রিষ্টিয়ানৰ হাতত ধৰি, কেতিয়াও ন সৰা ধুলিএৰে পুৰ হোৱা এটা বৰ খোঁটালিৰ ভিতৰলৈ নিলে; তাক অলপ বেলি চালত সাৰিবৰ নিমিত্তে এটা মানুহ মাতিলে। সি সাৰিবলৈ ধৰাত ধুলি উৰি উৰি খ্রিষ্টিয়ানৰ নাকে মুখে পৰি প্রায়ে উসাহ লব নোঅৰা কৰিলে। তেতিয়া ওচৰত থকা এজনি চোৱালিত অৰ্থ-দায়কে কলে, পানি আনি চটিওআ; তাক কৰিলত দুখ নো হোৱাকৈ সেই খোঁটালি সাৰি জাঁওতোৱা হল।

তেতিয়া খ্রিষ্টিয়ানে বোলে, ইয়াৰ কি অৰ্থ?

অৰ্থ-দায়ক। জি মানুহৰ মন ধৰমৰ সুভ বাত্রাৰ সোআদ লগা অনুগ্রহৰ দোআৰাই কোনো কালে সুচি কৰা ন হল, এই খোঁটালিএ সেই। তাৰ মুল পাপ স্বভাও, আৰু জি ভিতৰৰ কুচিত ৰোগে গোটেইটো গা অসুচি কৰিলে, সেইবোৰক ধুলিএ বুজাই; প্রথমে জিটোএ সাৰিলে, সি বিধান; জি জনিএ পানি আনি সিঁচিলে, তাই সুভ বাত্রা। আৰু বিধানে প্রথমতে সাৰিবলৈ ধৰাত ধুলি সৰহকৈ উৰা হেতুকে খোঁটালি জাঁওতাৰ নোআৰিলে, আৰু তাৰ দোআৰাই তুমি প্রায়ে উসাহ লব নোঅৰা হলা, তুমি জে এই কথা দেখিলা, তাৰে ইয়াকে বুজিবা, বিধানে পাপৰ পৰা মন সুচি কৰোক চাৰি, পাপক জিয়াই, বলৱন্ত কৰে, আৰু মানুহৰ বিদয়ত বৰ্হায়ো; সি পাপ দেখাই, আৰু নিষেধ মাথোন কৰে, কিন্তু পাপ দমিবলৈ সক্তি দিব নোআৰে।

আৰু সেই চোৱালিএ খোঁটালিত পানি সিঁচিলত, তুমি জে তাক স্রম নো হোৱাকৈ জাঁওতোঁৱা দেখিলা, তাৰ অৰ্থ এই বুজিবা; জেতিয়া সুভ বাত্রাই আপোনাৰ উত্তম সোআদ গুনেৰে সৈতে মনত সোমাই, তেতিয়া জি ৰূপে চোৱালিএ পানি চটিওআত ধুলি সুৰা দেখিলা, সেই ৰূপে পাপ পৰাজই আৰু দমন কৰা হই, আৰু তাত বিস্বাসৰ দোআৰাই আত্মা সুচি কৰা হোৱাত ঐশ্বৰ্জ্জৱন্ত ৰজা সোমাই তাত নিবাস কৰাৰ জোগ্য।

তাৰ পাচে মই সেই সমাজিকত দেখিলোঁ,

অৰ্থ-দায়কে খ্ৰিষ্টিয়ানক হাতত ধৰি, এটা সৰু খোঁটালিলৈ নিলে। তাতে দুখন চকিত দুটা সৰু লৰা বহি আছিল; ডাঙৰটোৰ নাম ৰাগ, সৰুটোৰ নাম সহন। ৰাগক হলে অসন্তোকিয়া জেন দেখে, কিন্তু সহন শান্ত হৈ আছিল। তাতে খ্ৰিষ্টিয়ানে সুধিলে, ৰাগ অসন্তোষ কৰি থকাৰ কি কাৰন? অৰ্থ-দায়কে বোলে, আৰু বচৰ ন হই মানে সি উত্তম বস্তুলৈ বাট চাই থাকক, গৰাকিৰ এনে মন; কিন্তু সি সকলোকে এতিয়াই লব খোজে। সহনে হলে বাট চাই থাকিবলৈ মান্তি হই।

পাচে এজন মানুহে ধন এমোনা হাতত লৈ ৰাগৰ ওচৰলৈ আহি তাৰ ভৰিত ঢাকি দিয়া দেখিলোঁ; তাতে সি তুলি লৈ ৰঙ্গ কৰিলে; আৰু সহনক ইতিকিঙ্গ কৰি হাঁহিলে। মই একেৰি চাই থকাত আটাইবোৰ ভগন কৰা দেখিলোঁ; ফটা কাপৰৰ বাহিৰে তাৰ একো নাই কিয়া হল।

তেতিয়া খ্ৰিষ্টিয়ানে অৰ্থ-দায়কত কলে, এই কথা কিছু প্ৰকাস ৰুপেৰে মোক বুজাই দিয়া।

তাতে অৰ্থ দায়কে কলে, এই দুই লৰা উপমাহে হৈচে; ৰাগ হলে এই জগতৰ লোক, আৰু সহন সি জগতৰ সন্তানবিলাকৰ উপমা। ৰাগে জেনেকৈ এই বচৰতে সকলোকে পাব খোজে, সেই ৰুপে জগতৰ লোকে ইচা কৰে; আন বচৰলৈ অৰ্থাত পৰলোকলৈকে বাট চাই থাকিব নোআৰে; সিইতৰ সুখৰ জি ভাগ, তাক এতিয়াই অৱস্যে লাগে। গচত থকা দুই চৰাইতকৈ হাতত থকা এটাই ভাল, এই উপকথা ইশ্বৰে দিয়া পৰকালৰ সুখৰ আটাই প্ৰমানতকৈ সিইতে বৰকৈ মানে। কিন্তু জেনেকৈ সেই লৰাই বেগতে সকলোকে অকাৰ্জতে ভাঙ্গিলত ফটা কাপৰ মাথোন থকা দেখিলা, জগতৰ সেসত এনে মানুহবিলাকৰ অৱস্থা সেই ৰুপে হব।

খ্ৰিষ্টিয়ানে কলে, এতিয়া মই বুজিচোঁ, অনেক কাৰনে সহনৰ বুধি ভাল। প্ৰথম কাৰন, সি উত্তম বস্তুলৈহে বাট চাইচে। দুতিয়, জি কালত সেই জনৰ ফটা কাপৰ মাথোন থাকিব, তেতিয়া ই জনে আপোনাৰ ঐশ্বৰ্জ ভোগ পাব।

অৰ্থ দায়ক। আৰু এটা কাৰন বৰ্হাই দিব পাৰা; এই কালৰ সম্পতি বেগতে গুচে, কিন্তু পৰকালৰ ঐশ্বৰ্জ কেতিয়াও নুঢুকাই। এই হেতুকে ৰাগে আপোনাৰ বস্তু প্ৰথমে পোআত সহনক হাঁহাব জিমান চিদু পালে, তাতকৈ সহনে পাচে আপোনাৰ ভাগ পোআত সেসতে ৰাগক হাঁহিবলৈ ঠাই পাব। কিয়নো সেসৰটোলৈ প্ৰথমটে অৱস্যে ঠাই দিব লাগে; কিন্তু সেসটোৰ ভাগ সদাই আগ হৈ থাকে, আৰু সি কাকো ঠাই দিব লগা নাই; জি হেতু তাৰ পাচতে কেও নাহে। এতেকে জি জনে প্ৰথমতে আপোনাৰ ভাগ পাই, তাক ৰই কৰিবৰো তাৰ অৱস্যে কাল হই; কিন্তু জি জনে সেসে ভাগ পাই, তাৰ ভাগ চিৰকাল থকা হই। এই ৰুপে ধনৱন্তৰ অৰ্থে লিখা আচে, তুমি জিয়াই থকা কালত আপোনাৰ সুখ পাইচিলা, লাজাৰে দুখ পাইচিল; এতিয়া হলে সি সুখ পাইচে, তুমিও জাতনা পাইচা।

খ্ৰিষ্টিয়ান। তেন্তে মই বুজিচোঁ, বৰ্ত্তমান কথাত লোভ কৰাতকৈ পৰকালৰ কথাৰ নিমিত্তে বাট চাই থকা ভাল।

অৰ্থ-দায়ক। স্বৰুপে কৈচা, কিয়নো জি বস্তু দেখা জাই, সেয়ে অলপ কালৰ; কিন্তু জি বস্তু অদ্ৰিস্য, সেয়ে অনন্ত কালৰ। এনে হলেও তথাপি বৰ্ত্তমান কথা আৰু আমাৰ সংসাৰিক ইচা, এই দুয়ো চুবুৰিয়া হোআ দেখি, সিইঁতে বেগতে মিতিৰ পাতে; কিন্তু পৰকালৰ কথা আৰু আমাৰ সংসাৰিক মন অচিনাকি বেলেগ হোআ দেখি, সদাই আঁতৰি থাকে।

তেতিয়া সেই সমাজিকত দেখিলোঁ, অৰ্থদায়কে আকও খ্ৰিষ্টিয়ানক হাতত ধৰি আন ঠাইলৈ নিলেগৈ। তাতে এখন বেৰৰ ওচৰত একুৰা জলি থকা জুই আছিল; আৰু সদাই

তাৰ কোনতে মানুহ এজন থিয় হৈ, তাক নুমাবলৈ বহু পানি ঢালি থাকে; তথাপি সেই জুই অধিককৈ জলি ওখ হৈ হৈ উঠে ।

তাতে খ্রিষ্টিয়ানে সুধিলে, ইয়াৰ অৰ্থ কি?

অৰ্থ-দায়কে উত্তৰ দি কলে, জুই কুৰা মনৰ ভিতৰত ঈশ্বৰৰ অনুগ্ৰহে কৰা কৰ্ম; জুই নুমাই নষ্ট কৰিবলৈ পানি ঢলা মানুহ হলে, চইতান; আৰু পানি ঢলাতো জে জুই বাৰ্হি বাৰ্হি জলিচে, তাৰ কাৰনো দেখিবা । তেতিয়া খ্রিষ্টিয়ানক বেৰৰ সি মুটিলৈ নিলত, তাতে তেলৰ পাত্র হাতত লৈ এটা মানুহে গুপুতে জুইত তেল ৰাকি ৰাকি থকা দেখিলে ।

তেতিয়া খ্রিষ্টিয়ানে সুধিলে, ইয়াৰ নো কি অৰ্থ!

অৰ্থ-দায়কে কলে, এই জন খ্রিষ্ট; মনৰ ভিতৰ জি কৰ্মৰ আৰম্ভন হৈচে, তাক অনুগ্ৰহৰ তেলৰ দোআৰাই ব্ৰিধি কৰে, এই কাৰনে চইতানে জিমান পাৰে নিবাৰন কৰিলেও, তেঁওৰ লোকবিলাকৰ মন অনুগ্ৰহজুক্ত হৈ থাকে । আৰু সেই জুই ৰাখিবলৈ বেৰৰ পিচি ফালে জে সেই মানুহ লুকাই থকা দেখিলা, তাৰে ইয়াকে বুজিবা, মনৰ ভিতৰত অনুগ্ৰহ কি উপায়েৰে ৰখ্যা কৰা হৈচে, পৰিখা পোআ লোকে তাক বুজিবলৈ বৰ টান ।

পাচে মই দেখিলোঁ, অৰ্থ-দায়কে আকৌ খ্রিষ্টিয়ানক হাতত ধৰি এডোখৰ সুন্দৰ ঠাইলৈ নিলে; সেই ঠাইত অতি উত্তম ওখ ৰাজ ঘৰ এটা আচিল; তাক দেখিবলৈ মনোহাৰি । এনেকুআ দেখি খ্রিষ্টিয়ানে বৰ ৰঙ্গ কৰিলে; আৰু ঘৰৰ ওপৰ চোতালত সোনৰ কাপৰ পিন্ধা কোনো লোক অহা জোআ কৰা দেখিলে । তাতে খ্রিষ্টিয়ানে সুধিলে, আমি ইয়াৰ ভিতৰলৈ জাব পাৰিম নে? তেতিয়া অৰ্থ-দায়কে তাক ধৰি ৰাজ ঘৰৰ দুআৰৰ ওচৰলৈ নিলত তাৰ চাৰিও ফালে অনেক লোক সমুহ থিয় হৈ আচিল; সোমাবলৈ ইচা কৰা জেন দেখি, কিন্তু ভয়ত সোমাব নোআৰে । আৰু জিবিলাক সোমাব লগা, সেইবিলাকৰ নাম লিখিবৰ নিমিত্তে দুআৰৰ কিচু আঁতৰতে কিতাপ আৰু সিঙ্গৰ মেলাম থকা এজন মেজৰ কাসৰত বহি আচিল । তাত বাজে দুআৰ মুখৰ বাটত জাখৰ পিন্ধা অনেক পৰিয়া লোক থকা দেখিলে; জিটো সোমাব খোজে, তাক সাধ্য মানে বিঘিনি আৰু তাৰনা কৰিবৰ সিইতৰ মন, এই সকলোকে দেখি খ্রিষ্টিয়ান বিস্মই হল; কিন্তু আটাইবিলাকে ভই খাই হুহকি গলত খ্রিষ্টিয়ানে এটা টান মুখিয়া মানুহক সেই লিখি থকা জনৰ ওচৰলৈ জাবৰ দেখিলে । পাচে সি বুলিলে, হেৰা দেও, মোৰ নাও লিখি থবা; ইয়াকে কৈ সি মুৰত লোৰ টুপি এটা পিন্ধি হাতত তৰোআল উলিয়াই লৈ সেই সজোআ পৰিয়াবোৰক আক্ৰমন কৰি দুআৰৰ ফাললৈ লৰি জোআ দেখিলে । তাতে সিইতে তাক বলতকাৰ কৰি ঘৈয়াবলৈ ধৰিলে, কিন্তু সি এফেৰিও সাহ নেৰি সিইত সকলোকে কাটিব চিঙ্গিবলৈ ধৰি অনেক তৰনাস্তি কৰি, সেসত ভালেমান ঘা পায়ো নিৱাৰন কৰাবিলাককো দি বাট মুকলি কৰি ৰাজ ঘৰৰ ভিতৰলৈ সোমাল । এনে সময়ত ভিতৰত থকা লোক, অৰ্থাত ওপৰ চোতালত অহা জোআ কৰাবিলাকৰ পৰা এনে এক সুন্দৰ বানি সুনা গল;

আঁহা প্রিয়, ভিতৰ ফাল,
ভুগি সুখ অনন্ত কাল ।

এই ৰূপে সি সোমালত সিবিলাকৰ জেনে বস্ত্র, তেনে বস্ত্ৰেৰে ভুসিত হল । তেতিয়া খ্রিষ্টিয়ানে মিটিকিয়াই অৰ্থ-দায়কে বুলিলে, ইয়াৰ অৰ্থ অৱস্য জানিচোঁ বুলি মই ভাবিচোঁ ।



পুৰনি অসম বুৰঞ্জি, নং ১০।

Dihingia Roja—War with the Bengalis.

পাচে লাকনি ৰাইঙ্গি (৪৪) সঁকত ৰজা দেৱে কংচেং বৰ পাত্ৰক মুখ্য কৰি আনো ডাঙ্গৰিয়াবোৰক টিমনিত গৰ বান্ধিবলৈ পাঁচিলে। পাচে ইবোৰে গৈ গৰ বান্ধোঁতে বহাগৰ দিনত বঙ্গালৰ গৌৰেশ্বৰ ৰজাই তুৰ্ব্বকক পঠালে। হাতি ডেৰ কুৰি, ঘোঁৰা তিনি স, অস্ত্ৰ শস্ত্ৰ বিস্তৰ আনি গৰ দি ৰলহি। পাচে ৰজা দেৱে এই কথা সুনি চুলেং চাৰিং ৰজা, থাওমুং চেনৰক, থাওমুং বৰুচেনক, এই তিনিক বৰ পাত্ৰ গোহাঁইৰ লগত ভৰ দিব দিলেগৈ। চুক্লংমুং তিপাম ৰজা, চুতেং নামৰুকিয়া ৰজা, চুখ্ৰেং সৰু জনা গোহাঁই দেও, ফাচেংমুং বৰ গোহাঁই, এই চাৰিকো পাচত পাঁচিলে। পাচে আমাৰ সমস্ত লোকে আলচ কৰি চুহন ফৈদিয়া মৰাউলা দেঁওধাইক কুকুৰা ঠেঙ্গ চাব দিলে। পাচে দেঁওধাইএ ঠেঙ্গ মাৰি কলে, বোলে, লোকে জদি পানি পাৰ হৈ ধৰেহি, আমি জিকিম; আমি জদি ধৰোঁগৈ হাৰিম। পাচে এই কথা সুনি আমাৰ লোকে দিনা চাৰি এক গৰতে আছিল। পাচে বঙ্গালে হিলৈ কাঁড় মাৰি ঘোঁৰা মেলি কোঁঠত দুই চাৰি মানুহক চোৰাঙ্গ কৰি থালি জাবৰ দেখি, চুক্লংফা তিপাম ৰজা কোঁঠৰ পৰা ওলাই পানি পাৰ হৈ থেদি গৈ কচোআত জুধ ধৰিলেগৈ। পাচে তুৰ্ব্বকে গৰৰ পৰা ওলাই হাতি ঘোঁৰা অস্ত্ৰ সস্ত্ৰ ধৰি জুধ জিনিলে। পাচে আমাৰ লোকে ভঙ্গ খাই কপিলি গঙ্গাত পৰিলহি; চুক্লংফা তিপাম ৰজা ঘা খাই এৰাই আহিল। তাতে ফাচেনমুং বৰ গোহাঁয়ো পৰিল, থাওমুং ক্লিংথামো পৰিল, চুকং-মুং বিনো পৰিল, থাওমুংৰিংচা, থাওমুং কাতথাম, তাওৰিং চেঙ্গো পৰিল, হনলো পৰিল, ত্যাওৰিং ক্লাংমুংচুং পৰিল। মুঠে সুনিয়া সেঙ্গদান আঠ শন পৰিল; পাচে আমাৰ লোকে হুহকি আহি সনাত ৰজা দেৱৰ লগ ললেহি। চুক্লংফা তিপমিয়া গোহাঁই গা লোআবলৈ উজাই আহিল। পাচে ৰজা দেৱে থাওমুং কতকক, হনলক, সিঙ্গৰিৰ পৰা সনাইৰ অনালে। পাচে ৰজা দেৱে ত্যাও চুলুং কংচেঙ্গক সেনাপতি কৰি গৰ প্ৰাখিৰ আঁতাৰ দিলে। চুলেং চাৰিং ৰজাক, চুতেং নামৰুকিয়া ৰজাকে দুইক কলিয়া পানিৰ মুখত থলে; পাচে ৰজা দেৱে দিহিঙ্গলৈ উজাই আহিল। এনেতে আকৌ বঙ্গাল উজাই আহি কলিয়াবৰত ৰলহি। আহাৰৰ দিনত আমাৰ লোকে ৰামৰ নাও টানি সুইতত পেলাই মাৰ বান্ধিলে। কাতিৰ দিনত বঙ্গাল থিলাধাৰিত ৰলগৈ। লাকনি মুংমাও সঁকত, আঘোনৰ দিনত, চুক্লংফা তিপমিয়া গোহাঁই ঘা সুকুআই পুনৰ বাৰ ভটিয়াই সনাইলৈ গল। পাচে ৰজা দেৱে চুক্লংফা তিপাম ৰজাকে চুতেং নামৰুকিয়া ৰজাকে, চুখ্ৰেং সৰু গোহাঁইকে, এই তিনিক বুৰৈ মুখত থাকিব দিলে। এনেতে বঙ্গালে আমাৰ সনাৰ গৰ বেৰি গৰত জুই লগাই তিনি পালি পুৰিলে। পাচে আমাৰ লোকে তপত পানি ঢালিলে; বঙ্গালৰ গাত পৰি পানি কোঁহোৰা বান্ধি চাল গল। বঙ্গাল লৰ মাৰি পানিত পৰিলগৈ। পাচে বঙ্গালে বৰ হিলৈ মাৰিলে, আমাৰ লোক কোঁঠত ৰলহি।

মাঘৰ দিনত থাওমুং কতক, হনল, দুয়ে কোঁঠৰ পৰা ওলাই বালিত থেদি ধৰিলে। বঙ্গালেও ঘোঁৰাৰে বেৰি ধৰিলে, আমাৰ লোকে হাতিএৰে ধৰিলে। বঙ্গালে বৰ হিলৈ চেঙ্গা হিলৈ মাৰিলে, আমাৰ লোক বৰ নোআৰি ভাগিল। থাওমুং কতকক ঘোঁৰাৰে থেদি নি পানিত পেলালে, কিচুতেহে থাওমুং কতক এৰাল। ভাল মানুহ দুই চাৰি পৰিল, লেতেৰা ৰবাও পৰিল; আৰু বঙ্গালে থেদি আহোঁতে আমাৰ মানুহ এটা হনল হাজৰকিয়া পলাই আহি উলটি কাঁড় মাৰিলে; বঙ্গাল চিপাহি এটাৰ মুৰত কাঁড় লগাই এৰাই আহিল। পাচে বঙ্গাল থেদি আহি আগ ভেঁটা দি ধৰিলেহি। আমাৰ মানুহ বৰ নোআৰি হুহকি আহিল, সনাত ৰলহি।

অনেক দেসৰ সম্বাদ।

Journal of Events.

২১ ফেবৰুআৰি তাৰিখত শ্ৰীশ্ৰী মতি মহাৰানিৰ প্ৰধান ৰাজ মন্ত্ৰি লৰ্ড জন ৰচেল চাহাবে সাসনৰ কথাত ৰাজ মেলুআইবিলাকৰ লগত মন ন বহি আপোনাৰ বাব সোধাই দিলত মহা ৰানিএ লৰ্ড ষ্টান্‌লি চাহাবক সেই বিসই দিবলৈ মাতিলে। কিন্তু তেঁওৰ সহাই হবলৈ আন উপজুক্ত মন্ত্ৰিবিলাক বিচাৰি নো পোআত সেই বাব লব নোআৰিল। সেসত মহা ৰানিএ প্ৰধান সেনাপতি ডিউক অফ ওএলিংতন চাহাবক মাতি তেঁওৰ আলচৰ দোআৰাই পুনৰ বাব লৰ্ড জন ৰচেল চাহাবকে মাতি আকও সেই কাম দিলে। পাপা ৰজাই ইঙ্গলণ্ডত গুৰু পতাত ৰাজ মেলে জেন নিসেধ কৰিব, এই নিমিত্তে লৰ্ড জন ৰচেল চাহাবে আলচ দি সিকালে। তেঁও ৰাজ মেলৰ আগত সেই কথা কোআৰ নকচা ইয়াত লিখা আচে।

৩০ মাৰ্চত পাটনা ভাপ জাহাজ বলিয়া গাঁৱৰ ওচৰত লংগৰত লাগি থাকোঁতে ৰতাহে নিয়াত তল ডোখৰ লংগৰৰ কোৰত লাগি জাহাজ ফুটিল। সেই পোনে পানি সোমাই নাও ডুবিল। মানুহ আটাইবোৰ ৰখ্যা পৰিল; বোজাই মাখোন নষ্ট হল।

গুআহাটি নগৰত মাউৰ লাগি দিনে পতি ২০।৩০ মানুহ মৰিচে বুলি আমি চিটি পত্ৰৰ দোআৰাই বাত্ৰা পাইচোঁ।

এপ্ৰিল মাহৰ সেস পগত জমুনা ভাপ জাহাজ ব্ৰুহ্মপুত্ৰে দি উজাই আহোঁতে গোআলপাৰাৰ ওচৰত থকা সিলত লাগি ভাগি পানিৰে ভৰিল; তাতে কাপ্তানে জাহাজ ৰাখিবৰ নিমিত্তে এটা চটলৈ পোনাই তুলিলে। পাচে বস্তু বামলৈ তুলি আটাইবোৰ তিতা পালে, অনেক লোকচন হল।

দায়মণ্ড হাৰ্বৰ আৰু কলিকতাৰ মাজত



Lord John Russell in Parliament.—From the Illustrated London News.

এটা ইলেক্‌ট্ৰিক টেলিগ্ৰাফ পাতি, এতিয়া তিলেকতে ই ঠাইৰ পৰা সি ঠাইলৈ বাত্ৰা দি থাকে। তাৰ গুনা মাটিৰ তলত ৰাখিবৰ নিমিত্তে বালি মিহলোআ ধুনা এঁচাৰে নলি সাজি তাৰ ভিতৰত সেই গুনা ভাল দিলে।

সেই গুনাত বিদুলি পঠিয়াই বাত্ৰা অনা নিয়া কৰে। ৩ এপ্ৰিল তাৰিখত বাত্ৰা দিবলৈ ধৰিলে। এবচৰৰ মুৰলৈকে সেই ইলেকত্ৰিক টেলিগ্ৰাফ নিৰুপদ্ৰুৱে থাকিলে ওপৰ হিন্দুস্থানলৈকে দিঘল গুনা পাতিম বুলি গবৰ্নমেন্তে খিৰ কৰিছে।

কৰমানি জাহাজ ৪৫০ মানুহে সৈতে কলিকতা নগৰ এৰি হুগলি মুখ পালত জাহাজত জুই লাগি পুৰিলে। মানুহ পানিত জাপ মাৰি পৰি পৰি ২৫০ মৰিল। লস্কৰ অৰ্থাত জাহাজৰ বনুআই আপুনি জুই লগালে, ইয়াৰ প্ৰমান লোকে বুজিছে। সিইঁতে মাহ চাৰেকৰ দৰমহা আগেয়ে পালে। এই জাহাজ পোৰাৰ বাত্ৰা সুনি গবৰ্নমেন্তে তাৰ হেৰোআ মানুহ বিচাৰিবলৈ জমুনা ভাপ জাহাজ পঠাই দিলত, সিইঁতে গৈ ঠায়ে ঠায়ে গৰাত বগাই কুৰি থকা দহোটা মানুহ পালে।

আৰাথুন নামে এজন আৰ্মেনি লোক বহু ধৰুআ হোআত ধাৰৰ গৰাকিৰ কাৰনে কলিকতাত থাকিব নোআৰি ফাঙ্কিৰ তলৰ চন্দ্ৰনগৰলৈ পলাই গল। আন ৰজাৰ নগৰত বিনদায়েকে তাক খেদি ধৰিব নে পাই; তথাপি স্লোলি আৰু থৰ্নতন নামে দুজন চাহাবে গুপুতে গৈ তাক ধৰি বলতকাৰ কৰি কলিকতালৈ নিলে। সেই অপৰাধৰ নিমিত্তে কম্পানিৰ বিচাৰ কৰ্তাই সেই দুজনক ধৰি দোষ কৰি জগৰিয়া জানি, থৰ্নতনক চ মাহ ফাটক, স্লোলিক চাৰি মাহ ফাটক আৰু এহেজাৰ টকা জৰিমনা দণ্ড দিলে।

১৮৪৭ সঁকৰ জুন মাহৰ পৰা এবচৰৰ ভিতৰত আমেৰিকাৰ জাহাজ ৫৮৫ খন ভাগি নষ্ট হৈছে। তাৰ লগত ৪৭৭ মানুহ মৰি। সেই আটাই জাহাজৰ দাম প্ৰাই ৪০,০০,-০০০ ৰুপ টকা; নষ্ট হোআ জাহাজৰ বোজাইৰ দাম ৫০,০০,০০০ টকা।

লুইচিয়ানা প্ৰদেসত তিনি জন মানুহে খঁৰিয়াল মাৰিবলৈ গৈ একে দিনাই ৫৩ টা খঁৰিয়াল হিলৈৰে গুলিয়াই মাৰিলে। সেই দেসত খঁৰিয়ালৰ তেল বেচি বহু ধন পাই।

আমেৰিকাৰ ইন্দিয়ানা প্ৰদেসৰ কাৰিদন গাঁৱত মাটিৰ তলত খোঁদৰ নিচিনা এটা বৰ গাঁত পাইছে। তাৰ ভিতৰত অনেক ডাঙ্গৰ খোঁটালি আছে; ভিতৰলৈ ৫ ডাঁৱৰ বাট গৈছে, তেও অন্ত নে পালে।

কালিফৰ্নিয়া দেসৰ পৰা বগা ভালুকৰ পোআলি দুটা লণ্ডনলৈ নি বনৰিয়া জন্তুৰ গৰালত থলে; পাচে তাৰে এটা কনা হৈ গলত ডক্তৰবিলাকে কলোৰফৰ্ম দৰব খুআই মুৰ্চিত কৰি চকুৰ জাল কাটি ভাল কৰিলে।

ওআইজ নামে আমেৰিকাৰ এজন গিয়ানি মানুহে বলুনেৰে ইঙ্গলণ্ডলৈ মহা সাগৰ পাৰ হৈ জাব পাৰিম বুলি আমেৰিকান ৰাজ মেলত একুৰি বা ডেৰ কুৰি হেজাৰ ৰুপ পাবৰ আসাৰে পুৰ্বৰ ৮ বচৰৰে পৰা নিবেদন কৰিছিল; পাচে সিবিলাকৰ পৰা উপকাৰ নে পাই আপোনাৰ ধনেৰেই জাবলৈ উপাই কৰিছে। সেই মানুহে বুলিছে, ওপৰ ঠাইত বায়ু এধাৰা সদাই পুব ফাললৈ গৈ গৈ আছে। তাৰ বেগ এক ঘন্টাতে একুৰিৰ পৰা তিনি কুৰি মাইল পৰ্জন্ত জাব পাৰে; ৩০ বা ৪০ দিনতে প্ৰিথিবি গোটেই খন ঘুৰিব পাৰে, ইয়াৰ প্ৰমান পাইচোঁ বুলি কৈছে।

জোআ বচৰত আমেৰিকা দেসৰ পিয়ল কৰাত ২,৩০,০০,০০০ মানুহতকৈ অধিক পালে। সিবিলাকৰ মাজত ৩০,০০,০০০০ আফ্ৰিকা কলা মানুহ বন্দি হৈছে।

আমেৰিকা দেসৰ নুঅৰ্লিঞ্চ নগৰৰ এক ভাপ জাহাজত মানুহে এটা খঁৰিয়াল তুলি গঁৰালত ভৰাই অন্য নগৰলৈ নিবলৈ উপাই কৰিলে, কিন্তু এফেৰিমান গলত খঁৰিয়ালে অকস্মিতে খৰ মৰাই সেই বৰ সৰুত গঁৰাল একে বেলিএ ভাঙ্গি পেলাই জাহাজৰ এক দাঁতিলৈ বগাই গৈ অলপমান চাই চিতি পানিত পৰি গল। তাৰ দিঘলে ১৭ হাত আছিল।

কলিকতা আদি বঙ্গাল দেসত চলোআ বঙ্গালি ভাসাৰ সমাচাৰ পত্ৰবিলাকৰ নাম।

Periodical Publications in Bengali.

দিনে পতি চাপা কৰা পত্ৰ।

নাম	ঠাই	বছৰেকত দৰ
১। প্ৰভাকৰ	সিমলা	১২৲
২। পুৰ্নচন্দ্ৰোদই	আম্ৰাতলা	১২৲
সপ্তাহত তিনি বেলি চাপা।		
১। ভাস্কৰ	সোভা বাজাৰ	১২৲
২। ৰসসাগৰ	চোৰিবাগান	৬৲
সপ্তাহত দুইবাৰ চাপা।		
১। চন্দ্ৰিকা	আৰপুলি	১২৲
২। ৰসৰাজ	সোভা বাজাৰ	৬৲
৩। সজনৰঞ্জন	সিমলা	৩৲
৪। গ্যানপ্ৰদানি	বৰ্ধমান	৩৲
সপ্তাহত এবেলি চাপা।		
১। সাধুৰঞ্জন	সিমলা	৩৲
২। সুধাংসু	কলিকতা	
৩। গবৰ্নমণ্ট গেজেট	স্ৰিৰামপুৰ	১২৲
৪। সত্য প্ৰদিপ	স্ৰিৰামপুৰ	৬৲
৫। সংবাদ বৰ্ধমান	বৰ্ধমান	৬৲
৬। চন্দ্ৰোদই	বৰ্ধমান	৬৲
৭। বাৰ্ত্তাবহ	ৰঙ্গপুৰ	৬৲
মাহত দুবেলি চাপা।		
১। নিত্যধৰ্ম্মানুৰঞ্জিকা	পাতৰিয়া ঘাট	৩৲
মাহে মাহে চাপা।		
১। তত্ত্ববোধিনি পত্ৰিকা	জোৰাসাঙ্ক	১২৲
২। কৌস্তুভকিৰন	সোভা বাজাৰ	১২৲
৩। উপদেসক	চেৰ্কুলৰ ৰোদ	১৷৷
৪। সত্যাৰ্নব	মিৰ্জাপুৰ	১৵
৫। সৰ্বসুভকাৰি	বৌ বাজাৰ	৩৲



লৰাৰ নিমিতে সাঁথৰ দিয়া।

Riddles.

১। সাঁথৰ দিঁও বুজ,
গাতে আছে কুঁজ।

২। আমাৰ ঘৰতে বুৰি বাই এটি আছে,
নিতৌ টকলিয়াই।
ইয়াৰ অৰ্থ কি?

৩। পেট আছে, পেটু নাই,
মুখ আছে, জিবা নাই।
ইয়াৰ অৰ্থ কি?

৪। আমাৰ ঘৰতে বুৰি বাই এটি আছে,
জাঁওতে এগোৰ, আহোঁতে এগোৰ।

৫। আমাৰ ঘৰতে বুৰি বাই এটি আছে,
তাইৰ এহেজাৰ চকু।

৬। আমাৰ ঘৰতে বুৰি বাই এটি আছে,
নিতৌ টোটোৰাই।

৭। থনেকতে দেখা,
লুটি তল জাই কটপ।

৮। কচু পাতৰ টুপলি,
পানি পালে মুকলি।

৯। এক ধৰিবলৈ নাই ঠেক,

১০। বামালি কাই, কনিটো পাৰিছে,
পানিত তল নে জাই।

১১। এই খিনিতে মাৰিলোঁ টিপা,
গৰগাঁও পালেগৈ সিপা।

১২। জাত নি সিঁচিলে, ৰোআও নাই,
তাত দাই থাকোঁ, নবা পাই।

এইবিলাকৰ অৰ্থ।

১, খুঁতৰি। ২, খাৰনি সঁতা। ৩, কলহ। ৪, দুআৰ ডলি। ৫, চালনি। ৬, খোঁআ খোআ। ৭, তাঁত খন। ৮, জাল। ৯, হাঁহ কনি। ১০, তেল টোপা। ১১, ভুঁইকঁপ। ১২, খুৰ।

ৰঙ্গপুৰত খানি উলিওৱা ৰুপ ।

Old Coins dug up at Rongpur.

এই ৰুপৰ দাঁতিত কেতবিলাক আখৰ খই গল, সেই কাৰনে ভালকৈ পৰ্হিব নোআৰে; আন্দাজেৰে এই দৰে পৰ্হিব পাৰে: আকবাৰ আলা জেল জেলালে, অৰ্থাত্ত পৰম ইশ্বৰৰ দিপ্তিতে দিপ্তিমন্ত । আৰু সি ফালে,

Ahmedabad Rupee, supposed to have been struck in the 43d year of the Emperor Akbar, A. D. 1596.

মুহৰ বা সহৰ গুজৰাট ৪৩ আহ্মদাবাদ, অৰ্থাত্ত গুজৰাট দেসৰ আহমদাবাদ নগৰত আকবাৰ বাদস্যাৰ ভোগৰ ৪৩ বচৰত মোহৰ মৰা ৰুপ ।

Silver Coin with unknown Characters.

এই ৰুপৰ আখৰ পৰ্হিব পৰা পণ্ডিত নে পালোঁ ।

এই আকটি ৰুপৰো কোনো আখৰ নাই কিয়া হৈছে। এই দৰে পৰ্হোঁ; চিকা মুবাৰক বাদস্যাহ গাজি মহমদ স্যাহ, অৰ্থাত্ত মহা

Arkot Rupee — Recent.

ৰজা মহমদ স্যাহ, তেঁওৰ সুমঙ্গল ৰুপ চিকা । আৰু সি ফালে, জৰ্বে আৰ্কট সনে ৩ জলুচ মইমনত মানুচ বা মানুস, অৰ্থাত্ত সুভাগ্য ভোগ কৰাৰ ৩ বচৰত আৰ্কট নগৰত মোহৰ মৰা ৰুপ ।

Supposed Coin of Ghias Uddin, in Arabic Characters.

এই ৰুপ টকাৰ আৰবি আখৰ ভালকৈ পৰ্হিব পৰা নাই; ঘিয়াচ উদিন নামে জি মচলমান ৰজা ১৪৬৯ ইং সঁকৰ পৰা ১৫০১ সঁকলৈকে মালৱা দেসত ৰাজ ভোগ কৰিলে, তাৰ ৰুপ হোৱা জেন বুজি । ।

জুন, অথাত আহাৰৰ পঞ্জিকা ।

Almanac for June, 1851.

জুন	জেঠ	বাৰ	তিথি	দিনমান	জুন	আহাৰ	বাৰ	তিথি	দিনমান
১	১৯	১	২	১৩।৩৬	১৬	৩	২	১৮	১৩।৪১
২	২০	২	৩	১৩।৩৭	১৭	৪	৩	১৯	১৩।৪১
৩	২১	৩	৪	১৩।৩৭	১৮	৫	৪	২০	১৩।৪১
৪	২২	৪	৫	১৩।৩৮	১৯	৬	৫	২১	১৩।৪২
৫	২৩	৫	৬	১৩।৩৮	২০	৭	৬	২১	১৩।৪২
৬	২৪	৬	৭	১৩।৩৮	২১	৮	৭	২২	১৩।৪২
৭	২৫	৭	৮	১৩।৩৯					
					২২	৯	১	২৩	১৩।৪২
৮	২৬	১	৯	১৩।৩৯	২৩	১০	২	২৪	১৩।৪২
৯	২৭	২	১০	১৩।৩৯	২৪	১১	৩	২৫	১৩।৪১
১০	২৮	৩	১২	১৩।৪০	২৫	১২	৪	২৬	১৩।৪১
১১	২৯	৪	১৩	১৩।৪০	২৬	১৩	৫	২৭	১৩।৪১
১২	৩০	৫	১৪	১৩।৪০	২৭	১৪	৬	২৮	১৩।৪১
১৩	৩১	৬	১৫	১৩।৪০	২৮	১৫	৭	২৯	১৩।৪১
১৪	১	৭	১৬	১৩।৪১					
					২৯	১৬	১	৩০	১৩।৪১
১৫	২	১	১৭	১৩।৪১	৩০	১৭	২	১	১৩।৪০

পূৰ্নিমা ১৪ দিনৰ ১।২ পুআ । আমাবাস্যা ২৯ দিনৰ ২।৪৩ পুআ ।

THE ORUNUDOI,

A MONTHLY MAGAZINE, DEVOTED TO RELIGION, SCIENCE, AND GENERAL INTELLIGENCE.

N. BROWN, EDITOR.

Printed and published at the Sibsagor Mission Press, by O. T. CUTTER, for the American Baptist Mission in Asam. Price, one Rupee per annum, in advance, or one and a half at the end of the year.

অৰুণোদই

৬ বচৰ। মোং শিৱসাগৰ, জুন, ১৮৫১। নম্বৰ ৬।

VOL. VI. SIBSAGOR, ASAM, JUNE, 1851. NO. 6.

চুৰিয়া আৰু য়িহুদা দেসৰ বিবৰন।

Syria and Palestine.

চুৰিয়া আৰু য়িহুদা দেস অনেক বচৰৰ পৰা তুৰুকৰ তল হৈছিল, কিন্তু এতিয়া মিচৰ দেসৰ বাদস্যা তাৰ গৰাকি হল। সেই দেসত অনেক অনেক ডাঙ্গৰ কথা হৈ গল। আগৰ কালত তাৰ নগৰ চোৰ, চিদোন, দামেচক, আন্তিয়খিয়া, এইবিলাক অতি প্ৰখ্যাত হোআ নগৰ আছিল। তাৰ দখিন পচিম চুকে য়িহুদা দেসত ইস্ৰাএল লোকে আগৰ দেও পুজকবিলাকক খেদাই তাতে নিবাস কৰিলে। সেই য়িহুদা দেসত খ্ৰিষ্ট অৱতাৰ হৈছিল, আৰু তাতে য়িৰুচালম নামে প্ৰধান মহা ৰাজ নগৰ আছিল। য়িহুদিবিলাকে খ্ৰিষ্টক মৰাৰ কাৰনে ইস্বৰৰ সাও পাই, লোকৰ তল আৰু খেদোআ হৈ গোটেই থন প্ৰিথিবিত বেহা বেপাৰ কৰিবলৈ গোট গোট হল, আৰু সিইঁতৰ দেস মচলমানে খোআ হৈছে।

চুৰিয়া দেসৰ দিঘে ৪৪০ মাইল, বহলে ১৫০ মাইল; বৰ্গমাইল ৫০,০০০; প্ৰজাৰ সংখ্যা ২০,০০,০০০। পৰ্বতো দুই তিনিসাৰি আছে; লিবানোন পৰ্ব- তত কেত থনি আৰব জাতি লোক থাকে। সিইঁত প্ৰায়ে মচলমান হৈছে; মাৰনি নামে এজাত খ্ৰিষ্টিয়ানো আছে। তয়ামত থকা মানুহ আৰব, তুৰুক আৰু গ্ৰিক; অধিক ভাগে আৰবি কথা কই।

চুৰিয়া দেসৰ মাটিবোৰ ভাল, সাৰুআ; জতে পানি আছে, তাতে বহু সস্য হই। ধান, ঘেঁহু, গোম ধান, কপাহ, কুঁহিয়াৰ, ধঁপাত, নিল আদি উতপন হই; লতা পনিয়ালৰ খেতি চিকন, আৰু বহু বস ওলাই।

চুৰিয়া দেসৰ দামেচক নগৰেই প্ৰধান; তাৰ নিবাসি ১,৪০,০০০; তাত অনেক বেহা বেপাৰ কৰে; আগৈএ বৰ সকত তৰোআল সাজে; এতিয়া মুগা আৰু কপাহি কাপৰ সুন্দৰকৈ বই। তাৰ ঘৰবিলাক ইটাৰ পকি, ডাঙ্গৰ আৰু উতম; কিন্তু আলিবোৰ ঠেক। সেই নগৰ অতি পুৰনি, আব্ৰাহামৰ দিনৰে পৰা আছে। তাৰ ৪০ মাইলৰ উত্তৰ পোনে আগৰ কালতে বেল্বক অৰ্থাত সুৰ্জৰ নগৰ আছিল। সিও বৰ নগৰ; এতিয়া ভগা চিগা সিল মাথোন থাকে, কেতবিলাক



য়িৰুচালম নগৰৰ নকসা।

মঠৰ বৰ সিলৰ খুঁটা ৪০ হাত দিঘল, দেখিলে তাক মানুহৰ কৰম জেন নু বুজে ।

আৰু দামেচকৰ পুব ফালে ১৩০ মাইলৰ আঁতৰত পাল্‌মিৰা বা তাদমোৰ নামে চিলোমোন ৰজাই সজা মহা নগৰ আছিল; এতিয়া ভাগি নিৰ্জীন হল । তাৰো বৰ বৰ ডাঙ্গৰ সিল পৰি আছে ।

আলেপো নামে চুৰিয়াৰ এখন সুন্দৰ নগৰ আছিল, কিন্তু ১৮২২ সঁকত বৰ ভুঁইকঁপৰ দোআৰাই ঘৰ পৰি পৰি গোটেই খন নগৰ নষ্ট হল । সেই ভুঁইকঁপে ২০,০০০ মানুহক মাৰিলে; পাচে ঘৰ আৰু খোআ বস্তু নাই কিয়াত অৱসেস থকাবো এইমান মৰিল ।

সেই দেসত দিঘল কনিয়া এবিধ চাগ আছে, তাৰ কান এহাত মান দিঘল, ডিঙ্গিত ওলমি পৰি থাকে; মাটিত লাগিলে কোনো লোকে চুটিকৈ অলপ কাটি দিএ । তাৰ নকচা এই ।



The Syrian long-eared Goat.

চুৰিয়া দেসৰ ভিতৰত য়িহুদা প্ৰদেস আছে । তাৰ আদি বাসি অতি দুষ্ট হোআৰ কাৰনে ইস্বৰে আপোনাৰ সেৱক আব্ৰাহামৰ বঙ্গহবিলাকক সেই দেস দি আদিবাসিক বন কৰি খেদাবলৈ দিলে । তেতিয়া সেই দেসৰ কিনান নাম আছিল, এতিয়া তাক পালিষ্টান বোলে । য়িহোচুআৰ দোআৰাই ইস্ৰাএলৰ বাৰে ফৈদৰ মাজত সেই দেস বাৰে ভোখৰকৈ বাঁটি দিলে ।

পালিস্তান দেস খলা বমা, পৰ্বত ভৈয়ামেৰে জুক্ত আৰু মানুহেৰে পুৰ হৈ অতি সুন্দৰ আছিল । পৰ্বতবিলাকৰ মাজত লিবানোন নামেৰে জি সাৰি, সি ডাঙ্গৰ; তাত এৰজ নামে এবিধ সুকাটি সকত গচ আছে । তাত বাজে মোচাই জি পৰ্বতৰ পৰা কিনান দেস দেখিলে, সেই পিচ্‌গা পৰ্বত, আৰু তাবোৰ, কাৰ্মেল, হৰ্মোন, গিলিয়াদ, বাস্যান, এই সকলোবোৰ পৰ্বত আছে ।

সেই দেসত য়ৰ্দান প্ৰধান নদি উত্তৰ ফালৰ হৰ্মোন পৰ্বতৰ পৰা আহি, তিবেৰিয়া সৰোবৰত পৰি, তাৰ পৰা দখিনলৈ গৈ মৰা সাগৰত পৰি তাতে লই গৈচে । আগৰ কালত সেই ঠাইত চিদোম আমোৰা আদি পাঁচ খন ডাঙ্গৰ নগৰ আছিল; কিন্তু তাত থকা মানুহ বেস্যা আৰু অতি দুষ্ট হোআত ইস্বৰে জুয়েৰে সেই নগৰ পুৰি পেলালে, আৰু তাৰ মাটি তল গৈ পানিএৰে আপ্লাবিত হল । সেই পানি বৰ লোনা আৰু তিতাও, তাত মাচ আদি কোনো জন্তু নেথাকে; ওপৰে কেতিয়াবা হাহবোৰ চৰে । পানি গধুৰ; তাত সাঁতৰিবলৈ সুলভ, মানুহ বৰকৈ ওপঙ্গে । তিবেৰিয়া সাগৰৰ পৰা মৰা সাগৰলৈ পোন বাটে দি গলে, ৬০ মাইলৰ বাট হই; নৈএ দি গলে, ২০০ মাইল; য়ৰ্দানৰ ইমান বেঁকা পাক হৈচে । তিবেৰিয়া সাগৰতকৈ মৰা সাগৰ ৭৭৭ হাত চাপৰ । আৰু বৰ দ; উত্তৰ ভাগত ৭৫২ হাত দ, তাৰ তল মাটি প্ৰাই সমান হই । কিন্তু দখিন ভাগে জত্তে চিদোম আমোৰা আছিল, তাৰ দ বাৰে হাত মাথোন । সেই সৰোবৰৰ ওচৰত গচ আদি একো নাই, কেৱল দমে দমে লোন মাথোন আছে ।

য়িৰুচালাম নগৰ পৰ্বতিয়া ঠাইত পতা হৈচে । তাত ইস্বৰৰ বৰ উত্তম মন্দিৰ চিলোমোন ৰজাই কৰিলে । সেই মন্দিৰৰ ভেঁটিত মচলমানে ওমৰৰ মচিদ সাজিচে; ওপৰে ঘুৰনিয়া দলৰ মনিৰ নিচিনা নকচাত দেখা জাই । প্ৰভু য়িচু খ্ৰিস্টক মৰাৰ ৪৭

বচৰৰ পাচত ৰুমিয়া লোকে সেই নগৰ খন নষ্ট কৰিলে । তাৰ পৰা অনেক বাৰে অনেক অনেক ৰজাই সেই কোঁঠত জুধ কৰি ১৭ । ১৮ বেলি নগৰ কাঢ়ি ললত সেসতে মচলমানৰ হাতত পৰিল । সেই নগৰ আৰু দেসৰ পৰা মচলমানক খেদাবলৈ ইউৰপৰ ৰজাবিলাকে বিস্তৰ বন কৰিলে, তেও লব নোআৰিলে । এতিয়া তাত ১২, ২০ হেজাৰ মান মানুহ আছে ।

য়িৰুচালমৰ পৰা ৬ মাইলৰ দখিনে বৈত-লেহেম নগৰ আছে, তাৰ ৩০০০ নিবাসি মাথোন । নাচৰেতৰো সেইমান মানুহ; সেই নগৰ য়িৰুচালমৰ পৰা ৭৫ মাইলৰ উতৰ । গাজা, য়াফো, আকৰ, সেইবিলাক নগৰ ভুমাজৰ সমুদ্ৰৰ তিৰত আছে ।

য়িৰুচালমৰ দখিনে ২০ মাইলৰ আঁতৰত হিব্ৰোন নামে দাৱিদ ৰজাৰ প্ৰথম ৰাজ নগৰ আছে; আৰবি ডকাইত কেতবিলাক তাতে থাকে; সৰহ মানুহ নাই । তাৰ ওচৰত চিলোমোনে খন্দা তিনটা পুখুৰি এতিয়াও আছে । ॥

কলি জুগত ভোগ কৰা ৰজাবিলাকৰ নাম ।

List of the early Kings of Hindustan.

হিন্দুস্থানৰ ভিতৰত জিবিলাক ৰজাই ভোগ কৰিলে, সিবিলাকৰ নাম আৰু ভোগৰ সংখ্যা শ্ৰীজুত দুৰ্গা প্ৰসাদ দত্ত দাৰোগাই পুৰানৰ পৰা লিখি চাপিবৰ নিমিত্তে আমাক দিচে ।

	ৰজাবিলাকৰ নাম	বচৰ	মাহ	দিন
১	জুধিষ্ঠিৰ	৩৩	৯	২০
২	পৰিখিত	৪০	১	২২
৩	জন্মিজই	৮২	৫	২৭
৪	অশ্বমেধ	৮০	৪	২৪
৫	উতম	৮১	৪	২৪
৬	মইজলিপ	৭৯	৭	১৩
৭	চিত্ৰ সেন	৭৫	৫	৫
৮	দণ্ড পাল	৬১	২	১২
৯	উগ্ৰ সেন	৭২	৬	১৪
১০	ভুপতি	৫৪	৪	৪
১১	ৰক্ষিত	৫০	৪	৬
১২	ৰহৃদ পাল	৫১	৩	৪
১৩	সুকমন	৪৬	০	৫
১৪	নৰহৰ দেৱ	৫২	২	২
১৫	সুজিত প্ৰভু	৫৪	৫	৫
১৬	সুৰ সেন	৪৫	০	২
১৭	ভুমন	৫৪	৪	৮
১৮	নৰপতি	৪০	৭	৫
১৯	আনামি	৪০	৩	২
২০	তেৰমন	৩৮	৫	২৮
২১	ভিম্বন	৩৭	১	২৫
২২	নৰহৰ দত্ত	৩৬	৪	২১
২৩	দণ্ডবান	৩৩	২	১১
২৪	স্বৰহংস	৩২	৩	১৫
২৫	ৰুপ	৩০	৬	১৮
২৬	অশ্বৰন	২৯	২	১৩
২৭	দৈত্যপাল	২৮	০	২৯
২৮	ভিম	২৬	৮	৯
২৯	লখমন	২৪	২	১৬
	মোট	১৪১২	০	২১

নন্দ বংসৰ ৰজা ।

১	নন্দ	৭৩	৫	১৫
২	দম্বপাল	৫৮	৪	৯
৩	লহ সেন	৫৮	৫	১৫
৪	বিৰ বাহু	৪৪	৭	১১
৫	ভিম সেন	৫৯	৯	১৩
৬	সুৰ পতি	৪৬	৬	১৪
৭	অৰ্জুন সেন	৩৯	৮	১৩
৮	শ্ৰীপতি	৩৫	৪	১৫
৯	হৰদেৱ	৪৭	৩	২১
১০	পিথুমন	৩৬	৪	২১
	মোট	৪৯৯	১১	২৭

গৌতম ৰজাৰ বংস ।

১	গৌতম	২৯	৬	১১
২	বিৰবাহু	২৮	১	১৪
৩	নাৰায়ন	২৬	৯	২৩
৪	হয়াত সিংহ	২১	৮	১৭
৫	ধনপতি সিংহ	৩১	৫	১৪
৬	সভাচন্দ	৩০	৭	১৭
৭	সুৰ সেন	২৫	৮	১

৮	চিত্র সেন	১১	৩	৭
৯	উচ কান	১৪	২	১৩
১০	জস মতি	১৫	৪	০
১১	বলবাহু	২৬	৫	৬
১২	কামপান	৩৮	১	৭
১৩	ভুবন সিংহ	১৫	৩	৯
১৪	জিবন সিংহ	২১	২	২২
১৫	হৰি কুল্য	৩৩	৩	১০
১৬	সুৰগত	১১	২	০
১৭	আদভুত সিংহ	২০	০	৯
	মোট	৪০০	৩	০

মযুৰ বংসি ৰজা ।

১	মযুৰ সেন	৪১	৬	৭
২	ধিৰহৰ সিংহ	৩৮	৬	১
৩	বলুন সিংহ	৪৫	১১	১১
৪	সুৰ সেন সিংহ	৩৪	৪	৭
৫	মহাধ্বজ সিংহ	২৮	৫	১
৬	হৰিনাথ সিংহ	২৯	৩	২১
৭	জিবন সিংহ	৩৮	৭	১০
৮	উদই সিংহ	৩৭	২	২
৯	ইন্দ্ৰজই	৪৪	১	০
১০	সালু	২২	১	০
	মোট	৩৬০	০	০

সোমপাল ৰজাৰ বংস ।

১	সোমপাল	৪৪	১১	১৩
২	সম্পাদ পাল	৩৩	৭	২১
৩	চন্দ্ৰপাল	২৯	৯	১৩
৪	সিন্ধু পাল	৩১	১০	১১
৫	দহন পাল	৩৯	৮	১৭
৬	নৰসিংহ পাল	২৫	৯	১৩
৭	সদৰ পাল	৩৮	৬	১৪
৮	ধাম পাল	২৭	৫	১৪
৯	খৰিদ পাল	৩৮	৭	১৪
১০	অভ্রিত পাল	২২	৯	১৫
১১	সম্ভু পাল	৩১	৪	১৩
১২	ব্রিহত চন্দ্র পাল	১৯	৪	১৬
১৩	মোহ পাল	১৮	১১	১১
১৪	ভিম পাল	২২	১০	১১
১৫	ধৰ্ম পাল	২৭	১	১৮
১৬	বিক্ৰম পাল	২৫	৬	৯
১৭	কৰ্ম্ম পাল	২৮	৩	১৮
	মোট	৫০৬	৮	১

সকাব্দা সঁকৰ ১ সঁকে ।

১	সকাদিত্য	১৪	০	০
২	বিক্ৰমাদিত্য	৫২	০	০
৩	ভোজদেব	৫২	০	০
৪	মলুক চন্দ	৫	৪	২০
৫	বিক্ৰম চন্দ	৩২	৩	১৯
৬	কমনি চন্দ	৫	৩	২২
৭	ৰামচান্দ	১৮	১১	২
৮	ইন্দ্ৰচান্দ	১৯	৯	২
৯	কৈল্যান চান্দ	১২	৮	৫
১০	ভিম চান্দ	১৯	৭	১১
১১	নন্দ সেন	১৮	৬	২১
১২	গোবিন্দ চন্দ্ৰ	১৬	১০	১১
১৩	মোহন মতি	১	৩	৭
	মোট	২৬৩	৮	০

আৰু পুথিত এই ৰুপে লিখিচে । কলেৰাদৌ ভবেত্ ৰাজা ধৰ্মপুত্ৰো জুধিষ্ঠিৰঃ চতুৰ্দশ সতং বৰ্সং জুক্তং দ্বাদস বত্সৰং । ১৪১২ । নন্দ পঞ্চ সতং জ্ঞেয়ং । ৫০০ । গৌতমশ্চ চতুঃ সতং । ৪০০ । ময়ুৰশ্চকৰেত্ ৰাজ্যং সষ্ঠ্যাধিক সত ত্ৰয়ং । ৩৬০ । সপ্তাধিক সতং পঞ্চ । ৫০৭ । সোম ৰাজা সকাৰয়েত্ ।

ইয়াকে গোটালে ৩১৭৯ হই ; তাৰ পৰা ৰাজ সঁক ১৭৭৩ ; মুঠে হিন্দু মতে কলি জুগৰ ৪৯৫২ বচৰ গৈচে ।

কিন্তু আন পণ্ডিত জোতিসিয়াই জুধিষ্ঠিৰৰ পৰা এইমান বচৰ নি লিখে ; বেন্তলি চাহাব নামে সাস্ত্ৰত পাৰ্গত এজন বৰ পণ্ডিতে গননা কৰাৰ দৰে জুধিষ্ঠিৰ ৰজা হবৰে পৰা এতিয়া ২৪২৬ বচৰ মাথোন হৈচে ; আৰু ৰাম চন্দ্ৰৰ পৰা ২৮১২ বচৰ হৈচে ; আৰু খ্ৰী ক্ৰিস্টৰ জনম পত্ৰৰ দোআৰাই গননা কৰি তেঁওৰ জনম ইং সঁকৰ ৬০০ বচৰৰ ৭ আগষ্ট তাৰিখত হোআ বুজিলে ।॥

খ্রিষ্টৰ কথাত তোমোলাকৰ মনে কি ধৰে?

Sermon II.—What think ye of Christ?

মাথি লিখা ২২ আধ্যা, ৪২ পদ।

এতিয়া প্ৰাই অঠেৰে শ বচৰ হৈ গল, সেই দিনৰে পৰা এতিয়ালৈকে প্ৰভু য়িচু খ্ৰিষ্টে কৰা সকলো দুখ ভোগৰ বিবৰন বহু মানুহৰ কানত দিনে ৰাতিএ কিৰ্তন কৰা গল; কিন্তু হাই হাই, কিমান তাকৰ মানুহ-এহে সেই কথাৰ বিসেস সাৰ বুজি প্ৰভু য়িচুত বিস্বাস কৰি পৰিত্ৰান পাইচে।

জেতিয়া প্ৰভুৰ সিস্যবিলাকে সাস্ত্ৰত আদেস কৰাৰ দোআৰাই তেঁওৰ কথা সকলো জাতি লোকৰ আগত কিৰ্তন কৰি সুনাই, তেতিয়া অনেকে বোলে, য়িচু খ্ৰিষ্টৰ ধৰম লবলৈ আমাৰ কি কাৰ্জ আচে? সেই ধৰমৰ দোআৰাই আমাৰ জদি কোনো উপকাৰো হই, তেও তাক গ্ৰাজ্য কৰিবলৈ আমাৰ কাৰ্জ নাই। আৰু আন আন লোকে বোলে, য়িচু খ্ৰিষ্টে জি প্ৰাচিত কৰিলে, তাৰে আমাৰ কি পৰিত্ৰান হব পাৰে? আপোন আপোন পাপৰ প্ৰাচিত আমি আপুনি জানো কৰিব নোআৰো? এই বুলি সকলোএ একে বাৰে অহঙ্কাৰ কৰি কই; কিন্তু তাৰ বিসেস কথা কি, তাক কোনোএ নে চাই। তাতে জি জনৰ কথা ওপৰে লিখা হৈচে, তেঁৱেই জি কথা সংসাৰৰ অৰ্থে কলে, বোলে, জি দুআৰে আৰু বাটে দি সৰ্বনাসলৈ জাই, সেই দুআৰ বহল, বাটো চিকন, আৰু অনেকে সেই পোনে সোমাই। কিন্তু জি দুআৰে আৰু বাটে দি পৰম আয়ুসলৈ জাই, সেই দুআৰ কেনে দুৰ্গম, বাটো কেনে চেক, আৰু তাক পোআ মানুহ তাকৰ! সেই বচনেই এতিয়াৰ কালৰ মানুহত স্বৰুপেই ঘটি আচে। তথাপি জিবিলাকৰ মনে ওপৰে লিখা জনৰ কথাত বিবেচনা কৰে, সেইবিলাকে তিনটা প্ৰধান প্ৰমানেৰে এই কথাৰ অৰ্থ বুজিব পাৰে।

প্ৰথম প্ৰমান। খ্ৰিষ্ট নো কোন!

দুতিয় প্ৰমান। তেঁওৰ কথাত আমাৰ মনে ধৰিবলৈ তেঁও আমাৰ নিমিত্তে কি কৰম কৰিচিলে?

ত্ৰিতিয় প্ৰমান। তেঁওৰ কথাত বিবেচনা কৰিলে, তাতে আমাৰ কি লাভ আচে?

প্ৰথমে খ্ৰিষ্ট নো কোন! সৃষ্টিৰ দিনৰে পৰা তেঁওৰ কথাত অনেকে বিবেচনা কৰি তেঁওকে জিৱনৰ বন্ধু বুলি জানিলে; কিন্তু তেঁওক অৱহেলা কৰা জিবিলাক, সেইবিলাকে বিবেচনা কৰি কই, তেঁও বাইঁৰ পুতেক ন হই নে? তথাপি মৰ্ত্য লোকৰ দৰে তেজ মঙ্গহ নো হোআ নিৰাকাৰ জনে তেঁওলৈ এই কথা কলে, তুমি মোৰ পুত্ৰ, আজি মই তোমাক জনমালো; আৰু বাৰ কলে, হে ইস্বৰ, তোমাৰ সিংহাসন চিৰকাল সৰ্বদাই থাকে, তোমাৰ ৰাজ দণ্ডেই পৰমাৰ্থিক দণ্ড, তুমি পুন্যকে প্ৰিতি কৰি, পাপক ঘিন কৰিচা; হে প্ৰভু, তুমি আদিতে প্ৰিথিবিৰ মুল থাপন কৰিলা; আকাস মণ্ডলো তোমাৰ হাতে কৰা হই; দুয়ো নষ্ট হব, কিন্তু তুমি নিত্য; সেই সকল কাপৰৰ নিচিনা পুৰনি হৈ জাব; আৰু বস্ত্ৰৰ দৰে তুমি নুৰিয়ালত সিবিলাকৰ ৰুপ গুচিব; কিন্তু তুমি সদাই একে ৰুপ, আৰু তোমাৰ বচৰৰ কেতিয়াও শই নাই। আৰু বাৰ কৈচে, আদিতে বাক্য আচিল, আৰু সেই বাক্যেই আপুনি ইস্বৰ। তেঁৱেই সকলোকে সৃজিলে, আৰু আটাই সৃজা বস্তুৰ মাজত তেঁও ন সৃজা কোনো বস্তু নাই। জিৱন তেঁওতেহে; সেই জিৱনেই মানুহৰ পহৰ।

হে পৰ্হা আৰু সুনা লোক সকল, তোমোলাকে জদি বুজি চোআ, তেন্তে এই সাস্ত্ৰিয় বচনৰ দোআৰাই ওপৰে লিখা জন নো কোন হই, তাক ভাল মতে জানিব পাৰিবা। দেখা, সাস্ত্ৰৰ মাজত এই সকল বচন মানুহৰ নিমিত্তে বিদিত হৈচে নে? আৰু নিৰ্বলি নিৰ্বুধি মানুহৰ মাজত কোনো লোকে এই প্ৰিথিবি থনৰ মুল থাপন কৰিলে নে? নতুবা কোনো সংসাৰিক ৰজাৰ সিংহাসন চিৰকাল থাকে নে? ন হই, এয়ে কোনো ৰুপে হব

নোআৰে; কিন্তু জি জন সর্বসক্তিমান, আৰু অবিনাসি পৰম ইস্বৰ, তেঁওৰ বিসয়েহে এই কথা সাস্ত্ৰত লিখা হৈছে, ইয়াকে সব নামে খিয়াতি হোআ সকলোএ নিচই ৰূপে জানিব পাৰে, ইয়াত একো সংসই নাই। তেন্তে জাক খ্রিষ্ট বোলে, তেঁওৰ নিমিত্তে এই ৰূপ বচন সাস্ত্ৰত লিখা হৈছে নে? আৰু তেঁৱেই জে সত্য পৰম ইস্বৰ হই, ইয়াক আমাৰ মনে ধৰিব নে? হই, এই কথাৰ দোআৰাই তেঁওক জগতৰ ইস্বৰ বুলিবলৈ আমাৰ একো সংসয়ৰ কাৰন নাই। তেঁও স্বৰূপেই স্রুজন পালন সংহাৰ কর্তাৰ অধিকাৰি; তেঁওৰ বাহিৰে ইস্বৰ আৰু প্রভু স্বৰগত বা প্রিথিৱিত আন কোনো ঠাইতে নাই। বিসেসকৈ জি জনে জগতক ত্ৰান কৰে, এনে ইস্বৰৰ অনাদি আৰু অনন্ত পুত্ৰ তেঁও। এই কথাতো লিখা আছে, তেঁও অদ্রিস্য ইস্বৰৰ প্রতি মূর্ত্তি, আৰু সকলো স্রিষ্টিৰ মাজত আদি পুত্ৰ। সিংহাসন বা ৰাজ সাসন, অধিপত্তি বা পৰাক্ৰম, দ্রিস্য বা অদ্রিস্য হওক, স্বৰগতো প্রিথিৱিতো থকা সকলোকে তেঁৱে স্রুজিলে; তেঁওৰ দোআৰাই আৰু তেঁওৰ নিমিত্তেই সকলোকে স্রুজন কৰা হৈছে। তেঁৱে সকলো বস্তুৰ আদি আৰু সকলোকে থিতি কর্তা। সেই পুত্ৰ ইস্বৰৰ মহিমাৰ প্রতাপ আৰু সাৰৰ মূর্ত্তি হৈ, আপোনাৰ সক্তিমন্ত বাক্যেৰে সকলোকে পালন কৰি আছে। এই সকল প্রমানৰ দোআৰাই তেঁৱেই জে সত্য অবিনাসি পৰম ইস্বৰ, ইয়াৰ এটা স্বৰূপ আৰু অলপ প্রমান কৰা হল।

তেন্তে হে পঢ়ৈা আৰু সুনা লোক সকল, ওপৰে জি জনৰ বিসয়ে নানা ৰূপ সাস্ত্ৰৰ দ্রিঢ় প্রমানেৰে লিখা গল, সেই জন ইস্বৰ ন হই বুলি তোমালোকে ভাবিব পাৰা নে? আৰু জদি স্বৰূপকৈ তেঁওকে ইস্বৰ বুলি সাস্ত্ৰৰ আৰু বিবেচনাৰ প্রমানৰ দোআৰায়ো জনা জাই, তেন্তে এনে জনৰ কথাত আমি সকলোএ বিবেচনা কৰিবলৈ অতি আৱস্যক ন হই নে? জদি কোনোএ বোলে, আমি নো খ্রিষ্টৰ কথাত কি বিবেচনা কৰিম? তেন্তে হে ভাই, তাক কঁও সুনা; দেখা, জি জন সর্বসক্তিমন্ত প্রভু, তেঁও হলে সকলো জগত খনৰ অধিকাৰ, আৰু আমাৰো প্রভু আৰু ইস্বৰ হই; তেন্তে এনে জনক আমি ভই কৰিব নে পাঁও নে? আৰু ভই কৰ্ম্মনেৰে তেঁওৰ সকলো আগ্যা মানিব নে পাঁও নে? জদি বোলা, আমি তেঁওক ভই কৰোঁ, তেনে হলে ভই জে কৰিচা, তাৰ প্রমান কি? জদি তুমি ইস্বৰক ভই কৰিচা, তেন্তে তেঁওৰ আগ্যা মানিচা নে? আৰু জদি আগ্যা মানিচা, তেন্তে সকলো পাপ কৰমৰ পৰা আঁতৰ হৈ তালৈ ঘিন কৰিচা নে? আৰু জদি পাপ কৰম এৰিচা, তেন্তে তেঁওৰ বাক্যত তোমাৰ আনন্দ হই নে? এই সকলো জদি তোমাৰ নাই, তাতে নিচয়ে জানিবা তুমি ইস্বৰক ভই কৰা নাই, কিন্তু আপোন সুখৰ অভিলাসহে পুৰ কৰি এই জগতত কাল নিয়াইচা।

অনেকে বোলে, আমি ইস্বৰৰ কথা কি ৰূপে ভাবিম? কিন্তু হে পঢ়ৈা আৰু সুনা লোক, তোমালোকে ইস্বৰৰ কথা জে চিন্তিব নোআৰা, ইয়াৰ হেতু কি? জি জনে মাত্রিৰ গর্ভত থিতি হোআ দিনৰ পৰা আমাৰ সকলোকে অন বস্ত্ৰ আদিৰে পালন কৰি আছে, আৰু সকলো দুখ আপদৰ মাজত আপোন অনুগ্রহেৰে ৰখ্যা কৰি আছে, এনে জনৰ দায়া আৰু অনুগ্রহক আমি চিন্তা কৰিবৰ নে পাঁও নে! আৰু সেই আটাইবোৰ নিমিত্তে তেঁওৰ অনুগ্রহৰ উপকাৰ জানি, তেঁওৰ সেৱা কৰিবলৈ আমাৰ কেনে উচিত কৰম হই! কিন্তু হাই হাই, মর্ত্ত্য লোকৰ মাজত ইস্বৰৰ অনুগ্রহ আৰু দায়া বিচাৰ কৰা লোক অতি টান, সকলো মানুহে কেৱলে জগতৰ চিন্তা আৰু ধনৰ লোভ ইয়াতহে মোহ গৈ আছে। স্রুজন, পালন, সংহাৰ কর্তা প্রভুৰ আগ্যা মানি তেঁওৰ ইষ্ট কৰম কৰিবলৈ কাৰো ইচ্ছা নাই।

দুতিয় প্রমান। খ্রিষ্টৰ কথাত আমাৰ

মনে ধৰিবলৈ তেঁও আমাৰ নিমিত্তে কি কৰম কৰিচিলে!

তেন্তে নিবেদন কৰোঁ, সুনা কৰ্ন পাতি,
ব্ৰাহ্মন আৰু সুদ্ৰ আদি আচে জত জাতি;
জি কৰিলে য়িচু খ্ৰিষ্টে জগত তাৰন,
সুনা তাক বন্ধু, সুনা মধুৰ বচন ।
প্ৰভুৰ চৰিত্ৰ সুনি মন ত্ৰিপ্ত হব,
বিস্বাস কৰিলে তাতে নিচয়ে তৰিব ।
অন্ত কালে নে থাকিব আৰু পাপ ভাৰ,
ইস্বৰৰ পুত্ৰ নামে খ্যাতি হব তাৰ ।
অতি বিতোপন কথা ধৰ্ম অৱতাৰ,
জাহাৰ বিস্বাসে তৰে জগত সংসাৰ ।
আৰু বাৰ বিনয় পুৰ্বক কহোঁ সুনা,
খ্ৰিষ্টত আস্ৰুই ললে এৰাবা জাতনা ।

প্ৰভু য়িচু খ্ৰিষ্টে প্ৰিথিৱিত অৱতাৰ ধৰি জগত তাৰনৰ নিমিত্তে জি কৰম কৰিলে, তাৰ কথা কৈ কোনে অন্ত পেলাব পাৰে? তথাপি তেঁওৰ বিৱৰন অলপিয়াকৈ কঁও; এই কথাত জি কোনোএ মন দিএ, সেয়ে ইস্বৰৰ অনন্ত ক্ৰোধৰ পৰা ৰখ্যা পাব পাৰে; কিয়নো জগতৰ লোকে পৰিত্ৰান পাবৰ নিমিত্তে জি কৰম আৰু জি পুন্য কোনোএ কেতিয়াও কৰিব নোআৰিলে, আৰু কৰিবলৈকো কাৰো সাধ্য নাই, এনে মহা কৰম সেই প্ৰভুএ জগতৰ পাপিষ্ট লোকলৈ সাধিলে । সেই কথাই এই; জেতিয়া আমাৰ আদি পিত্ৰি মাত্ৰিএ ইস্বৰৰ আগ্যা ভাঙ্গি পাপিষ্ট হল, সেই কালতে ইস্বৰে প্ৰভু য়িচু খ্ৰিষ্টক মানুহৰ পাপ নাস কৰিবৰ নিমিত্তে নিজোজন কৰি থলে । পাচে জেতিয়া তেঁওৰ কাল সম্পুৰ্ন হল, তেতিয়া ইস্বৰে পাপি সৰিসৰ মুৰ্তিৰে আপোনাৰ পুত্ৰক জগতলৈ পাঁচিলে । তাতে তেঁও জগতত অৱতাৰ ধৰি মানুহে জেনেকৈ পাপৰ পৰা নিস্তাৰ পাব, এনে কৰম প্ৰকাস কৰিলে; অৰ্থাত তেঁওৰ জিৱনৰ সকলো কালতে অতি স্ৰমে ঠায়ে ঠায়ে ফুৰি পৰিত্ৰানৰ কথা প্ৰকাস কৰিলে; আৰু ৰুগিয়াবিলাকৰ ৰোগ গুচালে, অৰ্থাত কনাক চকু, খোৰাক ভৰি, কলাক কান আৰু ম্ৰিত্যুক জিৱ দান দিলে । কিন্তু হে পৰ্হা আৰু সুনা লোক, এই সকলো আচৰিত কৰমতকৈ তেঁও স্ৰিষ্টি থনৰ নিমিত্তে জি কৰম কৰিচিল, সেই কৰমেই অতি অদ্ভুত । দেখা, মাকে আপোন সন্তানৰ নিমিত্তে প্ৰান দিয়া কত সুনিচা? আৰু ৰজাই দুৰাচাৰ প্ৰজাৰ নিমিত্তে বা প্ৰান দিয়া সুনিচা কত? কিন্তু হে মৰ্ত্যৰ পাপি লোক সকল, তোমোলাকৰ নিমিত্তে জগতৰ ইস্বৰে প্ৰান দিলে, তোমোলাকৰ নিমিত্তেই তেঁওৰ সৰিলত অতি জাতনা পাই বলি ৰুপে আপোন প্ৰানক পেৰেক্ক কাঠৰ ওপৰত তগন কৰিলে । আৰু তোমোলাকৰ পাপৰ দণ্ড গুচিবৰ হেতুকে তেঁও আপোন পবিত্ৰ তেজেৰে তোমোলাকৰ আৰু আমাৰো মহা প্ৰাচিত্ত কৰিলে । জদি বোলা হেনে, ইস্বৰে আমাৰ নিমিত্তে নো প্ৰান তগন কৰিবলৈ কি কাৰন আছিল? তেন্তে কঁও সুনা, স্ৰিষ্টি স্ৰুজনৰে পৰা আমাৰ সকলো পুৰুসবিলাকে ইস্বৰৰ আগ্যা ভাঙ্গি তেঁওৰ আগত নিচেই অসুচি আৰু কুকৰম কৰোঁতা হল; আৰু সিবিলাকৰ সন্তান জি আমি, আমিও একে পাপ কৰমতে পতিত হৈ জিৱনৰ সকলো কালত পাপ বিনে আন একো পুন্য কৰম কৰিব পৰা নাই । তেন্তে পাপি মানুহ জি আমি, আমি কোনো পুন্য কৰম কৰি ইস্বৰৰ দায়া পাব পাৰিম নে? জি মানুহৰ মনত এবেলি পাপে প্ৰৱেস হল, তাৰ পৰা কোনো মতেও ভাল কৰম ওলাব নোআৰে । তথাপি মানুহে পৰিত্ৰান পাবলৈ দান দখিনা, বলি হোম, জপ তপ, গঙ্গা স্নান, তিৰ্থ দৰ্সন আদি কৰি নানা ৰুপ পুন্য কৰম আৰ্জে, আৰু কোনোএ ৰাম নাম লৈ গুৰু ভকত ভোজন কৰাই । কিন্তু হে এই ৰুপ স্ৰম কৰা লোক, তোমোলাকে এনে কৰম কৰাতে অগনন পাপৰ পৰা উধাৰ পাবা নে? আৰু তোমোলাকৰ ধন সোন দি ইস্বৰৰ অনুগ্ৰহ কিনিব পাৰিম

বুলি ভাবিচা নে? প্রিথিবিত জিবোৰ বহু মুল্য বস্তু আচে, সেই সকলোবোৰ ইস্বৰৰ হাতত নাই নে? আৰু জেতিয়া তেঁওৰ প্রয়োজন হই, তেতিয়া তেঁও লবৰ সক্তি নাই নে? তাত বাহিৰে তোমোলাকৰ সৰিল প্রান জি আচে, তাৰো ইস্বৰ অধিকাৰ ন হই নে? আৰু জেতিয়া তেঁৱে সৰিলৰ পৰা জিৱ বাজ কৰি নিব খোজে, তেতিয়া তুমি বাধা কৰিব পাৰা নে? ইয়াতে জানিবা, ইস্বৰে মানুহৰ হাতেৰে কিবা সুস্রুসা পাই, এনে ন হই; কিন্তু আমাৰ সকলোতে উপকাৰ কৰোঁতা কেৱল তেঁৱেইহে; তেঁওৰ দোআৰাই আমি জিচোঁ, লৰিচোঁ, আৰু জিৱনৰ নিস্বাসো তেঁওতেহে লৈচোঁ। এই হেতুক আমি আপোন পাপ অপৰাধৰ নিমিত্তে ধন সোন আদি সংসাৰিক বস্তু দি ইস্বৰক তুষ্ট কৰিব নোআৰোঁ, আৰু তাৰে সৈতে আমাৰ পাপৰ লেসুকো তেঁও খেমা ন কৰে। আৰু জদি বোলা, ন হই, আমি গুৰু ভকতক দান দখিনা কৰি ইস্বৰৰ নাম লম, তাতে আমাৰ পাপৰ খণ্ডন হব; কিন্তু হে ভাই, গমি নো চোআ নে? দেখা, জগতত জি জি মানুহ জনম পাইচে, সেই সকলোৰে মাজত পাপ ন কৰা কোনোবা লোক আচে নে? আৰু বেয়া গচত ভাল গুটি লাগিব পাৰে নে? জদি আমাৰ আদি পিত্রি মাত্রি এবেলি পাপত পৰিল, তেতিয়া সিবিলাক পাপি হোআত আমিও সিবিলাকৰ পুলি পোনা হোআত পাপি ন হলোঁ নে? অৱস্যে হলোঁ; কিয়নো জেনেকৈ বেয়া গচে ভাল হব নোআৰে, তেনেকৈ আমিও এবেলি পাপ কৰাত পাচে আৰু সুচি মন আমাৰ ভিতৰত থাকিব নোআৰে; আৰু জেতিয়ালৈ অসুচি পাপি মন আমাৰ মাজত থাকে, তেতিয়ালৈকে আমি জি কৰম কৰোঁ, সকলো কৰম অসুচি হব। জেনেকৈ অম্রিতত বিহ ঢালিলে অম্রিত গুচি বিহ হই, সেই ৰুপে আমাৰ মনত পাপ ৰুপ বিহ সোমোআত কেৱল পাপি মন, আৰু পাপি স্বভাও হল। তেন্তে জদি আমাৰ পাপ গুচিবলৈ ভকতক ভোজন কৰাঁও, নতুবা গুৰু ঘৰলৈ দিঁও, তাতে খণ্ডন হব পাৰে নে? কোনো মতেও হব নোআৰে, কেৱল মিচা স্রুমহে কৰা হই; কিয়নো তুমি জেনে পাপি, সেই সকলো একে পাপতে পতিত ন হই নে? তুমি জেনেকৈ লোভ, মোহ, কাম, ক্রোধ, হিংসা, বঞ্চিত কৰা, সিবিলাকেও ন কৰে নে? অৱস্যে সিবিলাকেও কৰে। তেনে হলে এক পাপিএ আন পাপিক কি ৰুপে উধাৰ কৰিবৰ সক্তি আচে? জদি জগতৰ মাজত কোনো নিস্পাপি লোক থাকিলেও সিবিলাকে আপোনাৰ নিমিত্তে পুন্য কৰম আৰ্জ্জিব পাৰে, তোমাৰ নিমিত্তে কিবা পুন্য আৰ্জ্জিব নে? লোকে ভোজন পান কৰাতে তোমাৰ ত্রিপ্তি পলাই নে? জদি এই জগততে লোকে ভোজন কৰাত আমাৰ ত্রিপ্তি পলাবলৈ অতি অসাধ্য কৰম হই, তেন্তে পাচৰ জগতত লোকৰ পুন্যৰ দোআৰাই আমাৰ জিৱনৰ আহাৰ কি ৰুপে হব পাৰে?

কিন্তু কোনোএ জদি বোলে, কলি কালত কেৱল নাম ধৰমতহে সাৰ, এই নিমিত্তে নাম লৈ তৰিম, সিও স্রুম বিফল। কিয়নো জেনেকৈ কোনো বৰ ধৰুআই লোকৰ ধাৰ সুজিবলৈ এটা ফুটা কৰিও ন থকাত ধাৰৰ গৰাকিৰ নাম ললে, তাৰ ধাৰ সুজা ন হই, আৰু গৰাকিএও সন্তোস নে পাই, সেই ৰুপে পাপি মানুহে ইস্বৰৰ আগ্যা নে মানি তেঁওৰ নাম লোআত পাপ খেমা কৰোক চাৰি, ইস্বৰৰ মহা ক্রোধহে প্রজলিত হই। তেনে হলে কি ৰুপে পাপি লোকৰ নিস্তাৰ হব? সামান্য ৰুপে জেনেকৈ কোনো অপৰাধি আপোন অপৰাধৰ প্রতিফল নু ভুগ্তাই মানে ৰজাই এৰিব নে পাই, তেনেকৈ পাপি লোককো পৰম ইস্বৰে উচিত দণ্ড নু ভুঞ্জালে নিস্তাৰ পাব নোআৰে। কিন্তু হে বন্ধু সকল, আমি আপোন পাপৰ দণ্ড নো কেনেকৈ ভুঞ্জিব পাৰিম? কিয়নো জগতত থাকোঁতে মানুহৰ জেনে অসিমা পাপ, আৰু অসিমা

ৰূপে ইশ্বৰৰ সহন, তেনেকৈ জি লোকক ইশ্বৰে নৰকৰ শাস্তি ভুঞ্জাই, সিও অসিম শাস্তি; সেই জাতনাৰ অন্ত আৰু ন হব, কোটি কোটি কল্প ওৰ পৰিলেও পাপি লোকৰ নৰক শাস্তি ওৰ ন পৰে। তেন্তে হে নিৰ্ভই পাপি বন্ধু, আমি সকলোএ নৰকৰ অখণ্ডনিয় শাস্তি ভুঞ্জিবলৈ কি শক্তি আছে, কিয়নো সেয়ে অনন্ত কাললৈকে থাকিব। জদি নিচয়ে পাপি লোকৰ এনে অৱস্থা হল, তেনে হলে আমাৰ আৰু কিহত পৰিত্ৰান আছে! আমাৰ পৰিত্ৰানৰ আসা নিচয়ে গুচিল; তথাপি জি জনে সকলো জগত খনৰ অপৰাধৰ নিমিত্তে নৰকৰ অত্যান্ত দণ্ড ভুগিব পাৰে, এনে এজন আমাৰ আস্ৰুই হবলৈ অতি প্ৰয়োজন আছে। কিন্তু এনে জন নিৰ্বলি মানুহৰ মাজত কোন হব পাৰে? কোনে আমাৰ প্ৰতি জনৰ পাপৰ নিমিত্তে নৰকৰ অসহনিয় দণ্ড ভুগিব? স্বৰগত বা প্ৰিথিবিত আন কোনো ঠাইতো এনে জন মহা আস্ৰুই নাই।

এই হেতুকে ওপৰে জি জনৰ বিসয়ে বিবেচনা কৰা হৈছে, সেই প্ৰভু য়িচু খ্ৰিষ্টে অনাথ পাপি লোকৰ গতি দেখি, আপোন জোৰ্তিৰ্মই থান এৰি, এই তলৰ পাপমই জগতলৈ আহিল, আৰু জগতৰ পৰিত্ৰানৰ হেতুকে কন্যাৰ গৰ্ভত জনম ধৰি, ওপৰে কোৱাৰ মতে প্ৰিথিবিৰ ওপৰত অনেক বচৰ থাকি ইশ্বৰৰ পৰিত্ৰান সকলোৰে আগত প্ৰকাস কৰি সুনালে। পাচে তেঁও জি কৰম কৰিবৰ নিমিত্তে জগতত পাপি মনুস্যৰ আক্ৰিতি লৈচিল, সেই কৰম সিধি কৰাৰ কাল সম্পুৰ্ন হলত তেঁও আপোন সৰিলক পাপি লোকৰ হাতত সমৰ্পন কৰি দিলে; আৰু দুষ্ট লোকে তেঁওৰ উপকাৰ নে জানি, পেৰেঙ্গ কাঠৰ ওপৰত তেঁওৰ প্ৰান বধ কৰিলে। তাতে তেঁওৰ জি জাতনা হল, তাক কোনে চিন্তা কৰিব পাৰে? তেঁওৰ হাতত আৰু ভৰিতো গজালেৰে বিন্ধা হৈছিল। আৰু জেতিয়া প্ৰভুএ জগতৰ পাপৰ দণ্ড ভুগিচিল, তেতিয়া তেঁওৰ ঘাম তেজৰ বৰ বৰ টোপাৰ দৰে মাটিলৈ পৰিল। মানুহৰ পাপ খণ্ডাবলৈ তেঁও জি জাতনা পালে, সেই জাতনা দেখি সুৰ্জে আপোন মুখ ঢাকিলে, প্ৰিথিবি খনো কঁপিবলৈ ধৰিচিল, আৰু সিলবোৰো ফাটিল। আৰু জগত স্ৰুজন হোৱাৰ পৰা জি জাতনা কোনো মৰ্ত্য লোকৰ মাজত পোৱা নাই, আৰু কোনোএ ভাবিবও নোৱাৰে, এনে জাতনা তেঁও আমাৰ আটাইবে পাপ খণ্ডনৰ হেতু পালে। সেই দুখৰ কালত তেঁও অতি জাতনা পাই বিঙ্গিয়াই কলে, হে ইশ্বৰ, হে ইশ্বৰ, মোক কিয় এৰিলা? এই ৰূপে প্ৰভুএ জগতৰ পাপত দুখ পাই আপোন সৰিল ভগন কৰি, সেই মৰনৰ দোআৰাই ইশ্বৰলৈ পাপি লোকৰ মহা প্ৰাচিত্ত কৰিলে। তাৰ পাচে তেঁওক মৈদামত থোৱা হল, তাতে তিন দিন থাকি পুনৰাই আপুনি জিয়াই থাকোঁতে জেনেকৈ কৈচিলে, সেই দৰে মৰনক আৰু সকলো পাপৰ পৰাক্ৰমক জিনি জিয়াই উঠিল। তাতে সংসাৰৰ জি অখণ্ডনিয় পাপ, তাৰ শাস্তি ভুঞ্জি পাপি লোকলৈ পৰিত্ৰান প্ৰকাস কৰি তেঁওৰ সিস্যবিলাকক এই আদেস দি কলে, তোমোলাকে জগতৰ সকলো প্ৰানিৰ আগত মই জি আপোন প্ৰান ভগন কৰি পাপৰ মহা প্ৰাচিত কৰিলোঁ, ইয়াৰ সুভ বাত্ৰা কিৰ্ত্তন কৰি দিয়া; তাতে জিবিলাকে মোৰ প্ৰাচিত্ত বিশ্বাস কৰে, সি পৰিত্ৰান পাব; কিন্তু জিবিলাকে বিশ্বাস ন কৰে, সি দণ্ডৰ পাত্ৰ হব। এই বাক্য জনাই তেঁও আপোন পবিত্ৰ থানলৈ সিস্যবিলাকে দেখি থাকোঁতেই উঠি গল। তাতে এতিয়া আৰু অনন্ত কাললৈকে সৰ্ব্বদাই জিয়াই থাকিব। পাচে জেতিয়া প্ৰিথিবিৰ অন্তকাল হই, তেতিয়া আকও তেঁও আপোনাৰ অদ্ভুত গুন অদ্ভুত, আৰু হেজাৰ গুন হেজাৰ দুতবিলাকক লগত লৈ পাপি লোকৰ সোধ কৰিবৰ নিমিত্তে মেঘত উঠি আহিব; তাতে তেঁওৰ প্ৰতাপৰ দোআৰাই স্বৰগ প্ৰিথিবি নষ্ট হব, আৰু আ-

দিৰ পৰা অন্তলৈকে জি জি মানুহ মৰি আছে, সেই সকলো ম্ৰিত্যু লোক মৰনৰ পৰা উঠিব। তেতিয়া তেঁয়ে সকলোৰে মনৰ আৰু কৰমৰ সোধ কৰি প্ৰতি জনৰ কৰমৰ ফল দিব।


ত্ৰিতিয় প্ৰমান। তেঁওৰ কথাত জদি আমি বিবেচনা কৰোঁ, তাতে আমাৰ কি লাভ হব?

হে বন্ধু লোক, ওপৰে জি জনৰ কথা লিখা হল, সেই জনৰ কথাত বিবেচনা কৰিবলৈ আমাৰ একো প্ৰয়োজন নাই নে? দেখা, তেঁও সকলোৰে ইশ্বৰ হৈও জেতিয়া আমাৰ পাপৰ নিমিত্তে আপোন প্ৰানক বলি ৰূপে উচৰগি তেঁওৰ পবিত্ৰ তেজেৰে আমাৰ প্ৰাচিত কৰিলে, তেন্তে এনে প্ৰিয় জনৰ কথাত, আৰু তেঁওৰ অনুগ্ৰহত আমি বিবেচনা কৰিবলৈ আমাৰ অতি উচিত কৰম ন হই নে? তেঁওৰ কথাত জদি আমাৰ প্ৰিতি ন হই, তেন্তে কাৰ কথাত নো আমি চিন্তা কৰিম? কোনে আপোনাৰ প্ৰান দি মানুহৰ প্ৰাচিত কৰিলে? জি জি ধৰম আৰু পবিত্ৰানৰ পথ জগতৰ মাজত আছে, সেইবোৰৰ ভিতৰত এনে প্ৰেমৰ বানি কোনে কত সুনিচা? গমি চোৱা হে বন্ধু, নানা শাস্ত্ৰৰ মাজত জি জিবিলাক অৱতাৰৰ কথা লিখা আছে, সেইবিলাকে পাপিৰ নিমিত্তে কি প্ৰাচিত কৰিলে! কিন্তু প্ৰভু যিচুএ আপোনাৰ প্ৰানেৰে জগতৰ প্ৰাচিত কৰিলে। আন অৱতাৰবিলাকে দুষ্টক সংহাৰ কৰিবলৈ জগতত অৱতাৰ হৈছিল; কিন্তু প্ৰভু যিচু খ্ৰিষ্টে দুষ্টৰ নিমিত্তে আপোনাৰ সৰিল ভগন কৰি, মহা পাপ জাতনাৰ পৰা উধাৰ কৰিলে। আন আন আস্ৰুইবিলাকে জগতৰ লোকৰ দৰে সুখ ভোগ বিচাৰিলে, কিন্তু প্ৰভুএ আপোনাৰ সুখলৈ কাৰ্বাৰ ন কৰি পাপিবিলাকৰ হিত চিন্তা কৰিলে। চৰাইবোৰৰ বাঁহ আৰু সিয়ালৰ গাঁতো আছিল; কিন্তু প্ৰভুএ আপোনাৰ মুৰ সুমাবলৈ কতো ঠাই নাছিল। আন আন অৱতাৰে ৰজা হৈ ৰাজ সাসন কৰিলে, কিন্তু খ্ৰিষ্টে সামান্য মানুহৰ মাজত অৱতাৰ হৈ নম্ৰ ৰূপে জগতৰ পাপ ভুগ্তিলে। সিবিলাকে মানুহৰ দৰে দুৰাচাৰ কৰম আচৰি ইন্দ্ৰিয় ভোগ কৰিলে। কিন্তু প্ৰভু যিচুএ সকলো পাপ আৰু পাপিৰ পৰাও আঁতৰ হৈ নিষ্পাপি হোৱাতো জগতৰ অপৰাধৰ হেতুকে আপোনাৰ সৰিলত জাতনা পালে; তেঁয়ে কোনো পাপ কৰা নাই, তথাপি পাপিৰ ত্ৰানৰ নিমিত্তে আপোনাৰ সৰিল দিলে। মানুহে আপোনাৰ পাপ গুচিবলৈ জন্তুৰ তেজেৰে প্ৰাচিত কৰে, কিন্তু তেঁয়ে আপোনাৰ তেজ দি জগতক ত্ৰান দিছে। দেৱতাবিলাকে মানুহৰ পৰা পুজা বলি খোজে; কিন্তু খ্ৰিষ্টে পাপি লোকক এই ৰূপে নিমন্ত্ৰন কৰি কৈছে,

চাগ আদি নো খোজোঁ বলি,
নো খোজোঁ একো সোন ধন,
কেৱল পাপৰ খেদ চিত্তেৰে
খুজিছোঁ মানুহৰ মন।
তোমাৰ বলি হোম আদিতকৈ
হৈছে উত্তম প্ৰাচিত মোৰ;
মোক চাই পাপি নিস্তাৰ পোৱা,
কিয় পৰা নৰক ঘোৰ?

এই ৰূপে তেঁও পাপি লোকক পুনৰাই নিমন্ত্ৰন কৰি কৈছে, হে স্ৰম কৰা আৰু ভাৰত দুখ পোৱা লোক সকল, মোৰ ওচৰলৈ আঁহা, মই তোমোলাকক জিৱনি দিম। মই নম্ৰ আৰু কোমল মন হৈছোঁ, এই হেতুকে তোমোলাকে আপোনাৰ ওপৰত মোৰ জুঁঅলি লোৱা, আৰু মোৰ মুখে সিখ্যা পোৱা; তাতে তোমোলাকে মনত জিৱনি পাবা। কিয়নো মোৰ জুঁঅলি চিল, আৰু ভাৰো লঘু। জিবিলাকে পৰিত্ৰান পাবৰ নিমিত্তে মোৰ ওচৰলৈ আহে, মই তাক কোনো মতেও বাহিৰ ন কৰোঁ, আৰু কোনোএ মোৰ হাতৰ পৰা কাঢ়ি নিব নোৱাৰে। আৰু জিবিলাকে সংসাৰৰ পাপ জই কৰে, সেইবিলাকক মই আপোনাৰ সিংহাসনত বহিবলৈ দিম; তাতে তাৰ ক্ৰন্দন বা সোক, বিয়াকুল বা মৰন কেতিয়াও ন হব।

তেন্তে হে পাঠক গন, জি জনে ইমান দায়াৰে মানুহৰ পৰিত্ৰান সিধি কৰিচে, ইয়াত বাহিৰে আৰু কোনো পৰিত্ৰান হব পাৰে নে! গমি চোআ, ইশ্বৰে জদি পাপিৰ ত্ৰানৰ নিমিত্তে আপোনাৰ সৰিল ভগন কৰি পৰিত্ৰানৰ উপাই দিএ, তাতকৈ আৰু কি উত্তম প্ৰাচিত আচে? কিন্তু হে ভাই, এনে অতি দায়ালু প্ৰভুত বিশ্বাস ন কৰিলে, আৰু তেঁওৰ প্ৰাচিত্তৰ দোআৰাই পাপৰ খেমা ন হলে, আমাৰ সকলোৰে পাপ গুচাবলৈ আন কোনো উপাই নাই। তেঁওক জদি হেলা কৰি আপোনাৰ আয়ুসৰ কাল নিওআ, তেন্তে নিচয়ে ঘোৰ নৰকত পৰি আপোনাৰ জিৱ আত্মা হেৰুআবা। এই হেতুকে বিনই কৰোঁ, প্ৰভু য়িচুৰ চৰনত আস্ৰুই লোআ, তাতে তেঁওৰ প্ৰাচিত্তৰ দোআৰাইহে অনন্ত পৰম আয়ুস পাৰ পাৰিবা। দেখা, মানুহে জদি গোটেই ধন জগত পায়ো তাৰ আপোনাৰ প্ৰান হেৰুআই, তেন্তে তাত কি লাভ? কিন্তু জিবিলাকে প্ৰভু য়িচু খ্ৰিষ্টত আস্ৰুই লই, সি এনে কোটি কোটি জগত পোআতকৈও অতি লাভ হই; কিয়নো অনন্ত নৰকৰ মাজৰ পৰা হাত সাৰি সি পৰম আয়ুসত সোমাৰ। ন.ল.ক.



অষ্ট্ৰেলিয়া দেসৰ হাঁহ চুটিয়াৰ নক্চা।

The Australian Ornithorynous.

পুৰনি অসম বুৰঞ্জি, নং ১১।

Dihingia Roja—War with the Bengalis.

পাচে ফাগুনৰ দিনত ৰজা দেৱে চুলেং চাৱিঙ্গ ৰজাক পঠালে, চাৰিও ভায়েক বুৰৈতে একে ঠাই হল। চতৰ দিনত বঙ্গালে তিন দিন তিনি ৰাতি নাৱে ভৰে সনাৰ কোঁঠ বেৰি আচিলে; পানি আনিব নোআৰি ভাত খাবলৈ ন হল। চুলেং চাৱিঙ্গ ৰজাক বুৰৈতে থৈ, চুক্লংফা তিপাম ৰজা, চুতেং নামৰুকিয়া ৰজা, চুখ্ৰুং সৰু গোহাঁই, তিনিও ভায়েকে একুৰি দুখন নাৱৰ মাৰ বান্ধি লুইতে ভটিয়াই গৈ জুধ ধৰিলেগৈ। বঙ্গালে কাঁৰ গুলি মাৰিব নোআৰি হুহকি গল; আমাৰ লোকে বঙ্গালৰ বৰ নাও এখন, মানুহ বাৰেটা ৰাখিলে। পাচে মুৰ্তাজা নামে বঙ্গাল এটা নাও এৰ্ফেদেৰে উজাই আহিল, সনাত তিনি জনা কোঁঅৰক জুধ ধৰিলেহি। পাচে চুলেং চাৱিঙ্গ ৰজা, বৰ পাত্ৰ গোহাঁই, অন্যো ভাঙ্গৰিয়া পঠাই নাও সমাই পানিএ দি তিনি জনা কোঁঅৰৰ লগত ভৰ দিব দিলেগৈ॥ পাচে সকলেও এঠাই হৈ দুইমুনি সিলাত গৈ বঙ্গালৰ জুধ কৰি, পালে বৰ নাও এখন, বৰ হিলৈ এটা, অন্যো বস্তু বিস্তৰ পালে। তাতে বঙ্গালৰ চামনাথ নামে সৰদাৰ এটা পৰিল; বঙ্গাল পৰিল দু হেজাৰ পাঁচ স। পাচে চুক্লংফা তিপামিয়া গোহাঁই দেৱে বৰ পাত্ৰ গোহাঁই ১, থাওমুংচেনৰ ১, থাওমুংকতক ১, চুহন ১, এই চাৰিক লোক জন সহিতে নাৱে পঠাই বঙ্গালৰ নাও বেৰি ধৰিব দিলেগৈ। ইবোলাকেও ৰাতি ধৰিলতগৈ বঙ্গাল ভাগিল; তাতে বঙ্গালৰ বস্তু পালে সৰু নাও একুৰি, ঘোৰা পালে এটা, এই কথা ৰাতি জুধৰ। পাচে ৰাতি পুআ হলত বঙ্গালৰ সুচন নামে নেবাৰ এটা পালেহি, তাৰ লগত আহিচিলে হাতি এটা, ঘোৰা এস, মানুহ এহেজাৰ, এই সকলেৰে সুচন আহি তুৰ্বকৰ লগত ভৰ দিলেহি। পাচে জেঠৰ দিনত তুৰ্বক ভটিয়াই দিকৰাই মুখত ৰলগৈ; পাচে আমাৰ লো-

কে পাচে পাচে খেদি গৈ সেই ঠাইতে বেৰি ধৰিলেগৈ। পাচে ৰজা দেৱে দুই মুনি সিলাত ৰৈ চুহনক ৰনলৈ পঠালে। পাচে আহাৰৰ এমাহ সাওনৰ এপখ তাতে থাকি, সকলো উজাই আহি সনাতে ৰজা দেৱক সেৱা কৰি ৰাতি পুআতে সকলো ভটিয়াই দিকৰঙৰ মুখত কোঁঠ কৰি ৰৈ, তাৰো পৰা গৰ বহাই দিবলৈ গল; ডাঙৰিয়া সকলো পাছতে গল। পাচে বঙ্গালে আমাৰ লোকক দেখি ঘোঁৰাৰে খেদি আহি বৰ হিলৈ মাৰিব ধৰিলে; আমাৰ লোকে ৰব নোআৰি ভাগি আহিল। ত্যাওচুলুং প্লাইখাং হাতিত, থাওমুংচেনৰ প্লাইলিক হাতিত, ত্যাওৰিংমুনলাই প্লাইচু হাতিত, এই তিনিএ হাতিএৰে হুহকি আহিল। চুক্লুংফা তিপাম ৰজা, চুলেং চাৰিঙ্গ ৰজা, ত্যাওচুত্যোও, এই তিনিএ সনন্যেৰে গৰৰ ৰাজ ওলাই পুনৰ উলটি গৰৰ ভিতৰ সোমাই থাকিল। ভাৰথ সিংহ নামে বঙ্গাল এটা, কোচৰ কোটোআল এটা, এই দুয়ে মাথুন্দি হাতিত উঠি খেদি আহিল। পাচে আন বঙ্গাল খেদি নাহিবৰ দেখি, আমাৰ তিনটা হাজৰিকিয়াই হাতিত উঠি হেঙ্গদান উলিয়াই বাটত ৰহি ৰাজ্যক ন পলা বুলি ৰাখি, বঙ্গালক বেৰি ধৰিলেগৈ। থাওমুংকতক, থাওমুংক্লাং, এই দুয়ে সোঁ ফালে বেৰি ধৰিলেগৈ। পাচে বঙ্গাল লৰ মাৰি পলাল; আমাৰ মানুহে পাচে পাচে খেদি নি, মাৰি ধৰি বঙ্গালক দিকৰাইত পেলালেগৈ। পাচে দিকৰাই পাৰ হৈ বঙ্গালক জাবৰ দেখি আমাৰ চুহন, থাওমুং, তাওকিমজই, পতিহাজৰকিয়া, পতিৰাম, এই পাঁচেই বঙ্গালক কাটি খুঁচি খেদি নি দিকৰাইত পেলালে। পাচে চুক্লুংফা তিপমিয়া গোহাঁয়ে ৰাজ্যো সমনিতে তাতে ৰাতিএ কোঁঠ ৰাক্ষি ৰল। পাচে ৰাতি পুআ হলত চুক্লুংফা তিপমিয়া গোহাঁই দেৱে ভাইমুঙ্গক পঠাই নাম ফালে বেৰিব দিলে. ভাইমুংক্লাঙ্গক উজনি ফালে বেৰিব দিলে। পাচে বেৰিবৰ দেখি বঙ্গালে কোঁঠ এৰি পলাল; পাচে আমাৰ লোকে পাচে পাচে মাৰি ধৰি খেদি নিবৰ দেখি দোপনি কাখৰত বঙ্গাল ৰলগৈ। পাচে আমাৰ ত্যাওৰিংমুঙ্গনে প্লাইচু হাতিএৰে খেদি জাবৰ দেখি, বঙ্গালে হাতিএৰে ভাগি গৈ দোপনিত পৰিল, ইবোৰ বঙ্গাল এৰাই গল। পাচে আমাৰ মানুহে বিলৰ কাখৰত পথাৰ পালেগৈ; বিলত পৰি থকা হাতি দুটা মাৰিলে, মাউতকো খুঁচি মাৰিলে। পাচে চুলেং চাৰিঙ্গ ৰজা, জাঠি ধৰা সইকিয়া, আৰিঐ কোঁঅৰ, এই চাৰিএ হাতিএৰে বেৰিলেগৈ। পাচে তুৰ্বকৰ দাচু নামে সেৰাৰ এটা ঘোঁৰা একৈদেৰে আগ বাৰ্হি খেদি আহিল। পাচে আমাৰ লোকে কাটি খুঁচি কঁৰিয়াই বিস্তৰ ঘোঁৰা মাৰিলে, তাতে তুৰ্বকৰ সুচন খাঁ ৰজাক পাই কাটিলে। তাতে হাতি পালে ২৮ টা, ঘোঁৰা পালে ৮২০, বৰ হিলৈ খোঁকা হিলৈ বিস্তৰ পালে। সোন পালে এপেৰা, পেৰাৰ জোখা দিঘলে এহাত, পথালিএ এবেগত দুই আঙুল; ৰুপ পালে ৪০ চলা। চুক্লুংফা তিপাম ৰজাও, চুলেং চাৰিঙ্গ ৰজাও, সকলো ডাঙৰিয়া সৈতে উজাই আহি, বিশ্বনাথৰ সিলনিত এই দুৰ্ব্য ভেঁটি ৰজা দেৱক সেৱা কৰিলেহি: তাতে থাকি সকলকো জুগ্যানুসাৰে বঁটা প্ৰসাদ দিলে, ঘোঁৰাও দিলে। পাচে ৰজা দেৱে ভাল তিথি ৰাৰ চাই উজাই দিহিঙ্গ নগৰ পালেহি, তাতে ৰিংখন মুংখন কৰিলে। পাচে কাতিৰ দিনত ৰজা দেৱে গৰগাঁৱলৈ আহি, স্লেভাম স্লেফু কৰিলেহি। পাচে পৰ্বতৰ ওপৰত তুৰ্বকৰ সুচন খাঁ ৰজাৰ মুৰটো মঠ ৰাক্ষি থলে।



অনেক দেসৰ সম্বাদ ।

Journal of Events.

চাওখাত মৌজাৰ দিহা কাখৰত জেঠ মাহৰ ২১ তাৰিখে গধুলি সমই মঁহ বিচাৰিবলৈ জাঁওতে পথাৰৰ মাজত স্বৰগ পৰাত এজন বামুন, এজন সুদ্ৰ, এই দুই জন মানুহ মৰিল ।

গুআহাটি নগৰত প্ৰায়ে এক হেজাৰ মানুহ মাউৰে ধৰি মৰিল । সিবিলাকৰ মাজত ক্ৰিস্নৰাম ভঁৰালি বৰুআ ফৌজদাৰি চিৰস্তাদাৰ ৩১ মেইৰ মানিসা ৰাতি মাউৰে ধৰি ৰাতি পুআ ১০ বজাত ম্ৰিত্যু হল ।

নগাঁৱত এমতকৈ অধিক মানুহ এই পিৰাতে মৰা সুনিচোঁ ।

কলিকতাত দিনে পতি প্ৰাই ১০০ মানুহ মাউৰৰ দোআৰাই মৰিচে বুলি পত্ৰত লিখিচে ।

কলিকতাৰ পৰা জোআ অনেক জাহাজ পোৰা হেতুকৈ গবৰ্নমেন্তে জন চাৰেক চাহাব লোকক তাক বিচাৰ পৰ কৰিবৰ নিমিত্তে নিজোজন কৰিলে । জাহাজিৰ লোকচন দিবৰ নিমিত্তে মাচুল লোআ জি বিমা কম্পানি নিবন্ধ কৰিচে, সিবিলাকে বোলে, লস্কৰবোৰ জি জাহাজত থাকে, সেই জাহাজৰ হানি পুৰাবলৈ আমি গাত ন লম, ইয়াকে থিৰ কৰিচে। সেই কাৰনে জাহাজৰ কাপ্তানবিলাকে জাহাজত লস্কৰ, অৰ্থাত মালই দেসৰ লোকক ন লই ।

২৫ মেইৰ দেও বাৰত কলিকতা নগৰত ৩০০ মান বাবু হিন্দু লোকে মিস্যনেৰি পাদুৰিবিলাকৰ কৰম নিবাৰন কৰিবলৈ গোট খাই, খ্ৰিষ্টিয়ান ধৰম লোআ হিন্দু লোকে জদি আকও হিন্দু ধৰমলৈ মন পালটাই তেন্তে তাৰ প্ৰাচিত্ত হব পাৰে নে নোআৰে, ইয়াকে বাদ বিচাৰ কৰি, প্ৰাচিত্ত হলে আকও গ্ৰাজ্য হব পাৰে, ইয়াকে থিৰ কৰিচে । সেই কথাৰ দোআৰাই খ্ৰিষ্টিয়ান ধৰম লোআ কোনো হিন্দু লোকে আগৰ ধৰমলৈ উলটিব বুলি ভাবে ।

লখনৌ নগৰত ২০ মেই তাৰিখত দুই চিপাহিৰ দন্দ লাগি তৰোআলেৰে জুধ কৰি ই জনে সি জনক বুকু ফালি মাৰিলে; পাচে মৰা সক খৈয়াই থকাত কোনো কোনোএ তাক বাধা কৰিব খুজিলে, কিন্তু জি মোক ধৰে, মই তাক কাটিম, ইয়াকে বুলি খেদালে । সেসত আপোনাৰ ডিঙ্গিত তৰোআল দি আপোন ঘাত্তি হল ।

লাহোৰ নগৰত ১৮ মেই তাৰিখত দখনৰ নামে এজন মাজিষ্টৰ চাহাবৰ জৰ হোআৰ কাৰনে বিগিয়ান হৈ আপোন ঘাত্তি হল।

২১ মেই ৰাত্তিৰ ৯ বজাত ঢাকা নগৰত ধুমকেতুৰ নিচিনা এটা বৰ প্ৰকাস ওলাই, নগৰৰ পুব ফালৰ পৰা পচিমলৈ গৈ মাৰ গল । তাৰ পহৰ অতি প্ৰফুলিত, বিদুলিৰ নিচিনা হৈচিল; অনেক মানুহে দেখি বৰ ভই পালে ।

লঙ্কা দিপৰ কলম্বো নগৰত প্ৰথম মেই ৰাত্তি বৰ ধুমুহা বতাহ হোআত দুই তিনি খন জাহাজ ভাগিল আৰু মানুহ গোটা চাৰেকো পানিত পৰি মৰিল ।

৬ মেই তাৰিখত ফকলণ্ড নামে এখান অতি উত্তম নতুন ভাপ জাহাজ বতাহৰ টোৰেৰে একালি একালি থাকি সেসত সোঁ মাজে দি ভাগি একে বেলিএ তল গৈ নে দেখা হল । সেই জাহাজৰ সক্ক নাও ওপঙ্গি থকাত জাহাজিকবোৰ উঠি ৰখ্যা পৰিল ।

খেহ দেসত কাফিঙ্গ বেচিবলৈ এবিএল নামে এখান জাহাজ হুগলি মুখ পালত লস্কৰৰ হতুআই ১৩ মেই তাৰিখত জুইৰে পোৰা হল ।

বম্বাই নগৰত ধনৰ এটা গোলাৰ পৰা এক লাখ টকাৰ কবুলতিবোৰ চুৰ কৰা হৈচিল । চোৰ ধৰিবলৈ গোলাৰ গৰাকিএ ১০,০০০ ৰুপ দিম বুলি বাত্ৰা চলাইচে । পাচে আলি আকবৰ খাঁ নামে এক মুনস্যিএ এটা মানুহৰ হাতত কবুলতি পত্ৰ আচে বুলি সুনি, তাক বিচাৰি ৩৮,৩০০ ৰুপৰ কবুলতি পালে ।

মাদ্ৰাজ নগৰৰ লেপ্তেনন্ত জনস্তন নামে এজন চাহাব মেমে সৈতে মেজত বহি ভোজন কৰোঁতে কোনো মানুহ সোমাই চাহাবৰ পাচ ফালে দি আহি সৰু হিলৈৰে গুলিয়াই মাৰিলে । কিচু বেলিৰ পাচে চাহাব মৰিল; বধ কৰাটো পলাল ।

তুৰুক দেশৰ চুলতান বাদশ্যাই খ্ৰিষ্টিয়ান লোকৰ হিত কৰাত মচলমান মন্ত্ৰিবিলাকে বেজাৰ পাই বাদশ্যাৰ ভায়েকক ৰজা পাতিবৰ নিমিত্তে বাদশ্যাৰ বেজে দৰব খুআই মাৰিবলৈ এক লাখ টকা দিম বুলি কথা বান্ধিলে; পাচে বেজে কাকত পত্ৰ খোজাত সিইঁতে নিৰ্বন্ধ লিখি চহি দিলে; বেজে সেই পত্ৰকে লৈ বাদশ্যাৰ আগত দেখালে । সেই কালৰে পৰা ক্ৰুহিয়া মন্ত্ৰিবিলাকক কেৱে দেখিবলৈ নে পালে ।

গাল নগৰত কৰ্দ নামে মৈদাম ৰক্ষা মানুহে বহু দিনৰে পৰা ফটিকা খাই বলিয়া হলত আপোনাৰ খাটৰ খুঁটাত গামোচাৰে ডিঙ্গি বান্ধি তললৈ মুৰ কৰি খোৰোচা হৈছি আপোন ঘাতি হল ।

অৰেগন নামে ফ্ৰাঙ্কফৰ্ড নগৰৰ পৰা এখন জাহজ হৈ হাবানা নগৰৰ ওচৰ পোআত কাপ্তান চাহাবে কোনো আচৰিত শবদ সুনি সাগৰত কিবা আচে বুলি চাই চাই আধা মাইললৈকে একো নে দেখিলে । পাচে সৰু নাও এখন পঠাই বিচাৰিলত এটা মানুহ ওপঙ্গি থকা পালে । তাৰ নাম জেমচ তমচন; তাৰ পূৰ্ব্ব দিনা গধুলিত সি আন জাহাজৰ পৰা পৰিল; চ ঘণ্টা মান সাঁতৰি থকাত মৰিব লগা হোআতেই ২ হাত দিঘল, ১ হাত বহল, এনে সৰু পাত এচলা পাই তাতে ধৰি কথমপি প্ৰান ৰখ্যা পৰি আচিল ।

কালিফৰ্ণিয়া দেশৰ পৰা বগা ভালুকৰ পোআলি দুটা লণ্ডনলৈ নি বৰ্নাৰিয়া জন্তুৰ গঁৱালত থলে; পাচে ভাৱে এটা কনা হৈ গলত ডক্তৰবিলাকে কলৌৰফৰ্ম দৰব খুআই মুৰ্চ্ছিত কৰি চকুৰ জাল কাটি ভাল কৰিলে ।

আমেৰিকা দেশৰ নুআৰ্লিঞ্চ নগৰৰ এক ভাপ জাহাজত মানুহে এটা ঘঁৰিয়াল তুলি গঁৱালত ভৰাই অন্য নগৰলৈ নিবলৈ উপাই কৰিলে, কিন্তু এফেৰিমান গলত ঘঁৰিয়ালে অকস্মিতে খৰ মৰাই সেই বৰ সৰুত গঁৱাল একে বেলিএ ভাঙ্গি পেলাই জাহাজৰ এক দাঁতিলৈ বগাই হৈ অলপমান চাই চিত্তি পানিত পৰি গল । তাৰ দিঘলে ১০ হাত আচিল । ॥

তিমি মাচ মৰাৰ বিবৰন ।

Dangers of the Whale Fishery.

দুই এক শ বচৰৰ পৰা তিমি মাচ মাৰিবলৈ সাগৰৰ মাজত ইঙ্গৰাজি আৰু আমেৰিকাৰ অনেক জাহাজ ফুৰি ফুৰি আচে । সেই মাচৰ তেল বেচি বহু ধন পাই । ১৬৮০ সঁকত জৰ্মানিৰ ২৬০ জাহাজ আৰু ১৪,০০০ মানুহ এই কামত প্ৰবৰ্ত্তিলে, কিন্তু এতিয়া সিইঁতে প্ৰায়ে এৰিলে । ইঙ্গলণ্ডৰ ৮০।১০০ এইমান জাহাজ, আৰু আমেৰিকাৰ জাহাজ ৬০০ চ শ, ৭০,০০০ মানুহে সৈতে এই কামত চলে । বচৰি বচৰি বহু মৰাৰ কাৰনে সেই বিধ মাচ চুকাৱ বুলি জানিচে । সিইঁতৰ চৰা অনেক ঠাই আচে, সেই সেই ঠাই জাহাজিকবোৰে বিচাৰি মাৰে । এক ঠাইৰ পৰা পলাই আন ঠাইলৈ গলে, তেও মানুহে বুধিএৰে বিচাৰি ধৰি থকাত সিইঁতে কত্তো ৰখ্যা নে পাই । আন্দাজেৰে ২।৩ কুৰি বচৰৰ মুৰত প্ৰায়ে আটাইবোৰ নষ্ট হব ।

তিমি মাচৰ তিনি বিধ আচে, তাৰ নাম সামান্য, বৰ মুৰিয়া, আৰু দিঘল পখিয়া তিমি । সামান্য তিমি প্ৰায়ে চকালত এতিয়া বৰ মুৰিয়া ,সৰহকৈ পাই, দিঘল পখিয়াক বেগে জোআৰ কাৰনে ধৰিবলৈ টান ।

এটা বৰ মুৰিয়া তিমি মৰাৰ নকচা সি পিচিত লিখা আচে । সেই মাচক অনেক বেলি জাটিৰে খোচাত সি ফান্দেৰে মাৰি নাও এখান ভাঙ্গিলে, পাচে সেস বাৰে পানিৰ



পৰা ওলাই, আন নাৱৰিয়াবোৰে আকও মাৰিবলৈ জুগুত হোৱা দেখি, সিইতৰ হাত মাৰিবলৈ সুৰি লুটি খোআত নাৱৰিয়া এটাই বৰ দলৈকে তাৰ পেটত ত্ৰিসুলি জাকি ভৰাই দিলে। তেতিয়া মৰনৰ জাতনাৰে বলিয়া জেন হৈ সাগৰৰ মুলৰিলাক লৰোআৰ দৰে খলক লগালে, আৰু গোটেই খন সাগৰ তেজেৰে ৰঙ্গা হল। জি জাহাজ নকচাত মাচৰ সি কালে লিখা হৈছে, তাতে মাচৰ মঙ্গহ কাটি পগাই তেল উলিয়াই পিপাত ভৰাই দিএ। কোনো মাচৰ পৰা ৮০ পিপা তেল পাই।

সৰু নাৱেৰে তিমিক খেদি দিঘল ৰচি লগোআ ওডোতা কোলেৰে সৈতে মাৰি তাৰ গাত খোচ লগাই, পাচে সি বৰ বেগেৰে তললৈ সোমাই দুবিবলৈ লেই নাও টানি নিএ; উনাহ লবলৈ ওলালেই নাৱৰিয়াই আকও খোচ মাৰে।

১৮১৯ সঁকত এচেক্স নামে আমেৰিকান জাহাজ এখন দখিন পাচিফিক সাগৰলৈ গৈ এমধ্যা বৰ মুৰিয়া তিমি দেখা পাই, তিনি খন নাও খেদি ধৰিবলৈ পঠাই দিলে; তাৰ মাজৰ এখন তিমিএ চাটি মাৰি ভঙ্গাত জাহাজলৈ উলটি গৈ ভগা খন ৰাতিবলৈ ধৰিলে। এনে সময়ত ৫০ হাতমানৈকে দিঘল এটা তিমি আহি জাহাজৰ আগ ফালত খুন্দা খালে। এনে ভাঙ্গৰ বস্তু দুটাই খুন্দা খোআত বৰ ডাঙৰৈকে সবদ উঠিল; ৰতাহত গচৰ পাত লৰাৰ দৰে জাহাজ কঁপি কঁপি আছিল। তেতিয়াতিমিএ জাহাজৰ তলে দি গৈ কিছু আঁতৰত ওলাই, দুখ পোআৰ দৰে ফান্দ পাখিএৰে খলকনি লগাই বলিয়াৰ নিচিনা হল। জাহাজৰ ভগা ডোখৰে পানি সোমাবলৈ ধৰাত জক্ক্ৰেৰে সিঁচিবলৈ ধৰিলে; এনে কালত সেই মাচ কিছু দূৰ হৈ মহা খঙ্গেৰে ঘুৰি আকও জাহাজলৈ পোনাই আহিবৰ দেখিলে। তেতিয়া মানুহে বৰ ভই পাই, ইশ্বৰে আমাক ৰখ্যা কৰোক বুলি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। কিন্তু তিমিএ কলৈকো নে চাই পোনাই আহি বৰ বলেৰে এবে বেলিএ মুৰেৰে খুন্দা মাৰি জাহাজ খন ভাঙ্গি পেলালে; দহ মিনিটৰ পাচে গোটেই খন জাহাজ তল গল। জিবিলাক মানুহ সৰু নাৱত উঠি সাৰিল, সিবিলাকে দুখেৰে গৈ গৈ ২০ ডিচেম্বৰত দুসি নামে এটা বালি চাপৰি পাই উঠিল। তাতে তিনি মানুহ আৰু দুখ কৰিবলৈ নে ভাঁও বুলি সেই ঠাইতে থাকিল। আনবিলাকে তিনি নাৱেৰে গৈ, ১৯ ফেবৰুআৰিত লণ্ডন নামে জাহাজক এখন নাৱে পালে, তেতিয়া তাৰ তিনি জন মাখোন জিয়াই আছিল। আৰু কাপ্তান চাহাব উঠা খন নাৱৰ মানুহ দুখ পাই মৰি মৰি, জিয়া কেইটাই মৰাক খাই, দুটাৰ বাহিৰে আটাইবোৰ মৰিলত ২৩ ফেবৰুআৰিত এখান জাহাজৰ লগ পাই ৰখ্যা পৰিল।

নষ্ট হোৱা জাহাজৰ ২৫ মানুহৰ মাজত সেই পাচোঁটা মাখোন জিলে। ॥

জুলাই, অৰ্থাত সাওনৰ পঞ্জিকা।

Almanac for July, 1851.

জুলাই	আহাৰ	বাৰ	তিথি	দিনমান	জুলাই	সাওন	বাৰ	তিথি	দিনমান
১	১৮	৩	২	১৩।৪০	১৭	২	৫	১৯	১৩।৩১
২	১৯	৪	৩	১৩।৪০	১৮	৩	৬	২০	১৩।৩০
৩	২০	৫	৫	১৩।৪০	১৯	৪	৭	২১	১৩।৩০
৪	২১	৬	৬	১৩।৩৯					
৫	২২	৭	৭	১৩।৩৯	২০	৫	১	২২	১৩।২৯
					২১	৬	২	২৩	১৩।২৮
৬	২৩	১	৮	১৩।৩৮	২২	৭	৩	২৪	১৩।২৭
৭	২৪	২	৯	১৩।৩৮	২৩	৮	৪	২৫	১৩।২৬
৮	২৫	৩	১০	১৩।৩৮	২৪	৯	৫	২৬	১৩।২৫
৯	২৬	৪	১১	১৩।৩৭	২৫	১০	৬	২৭	১৩।২৪
১০	২৭	৫	১২	১৩।৩৭	২৬	১১	৭	২৮	১৩।২৩
১১	২৮	৬	১৩	১৩।৩৬					
১২	২৯	৭	১৪	১৩।৩৬	২৭	১২	১	২৯	১৩।২২
					২৮	১৩	২	৩০	১৩।২০
১৩	৩০	১	১৫	১৩।৩৫	২৯	১৪	৩	১	১৩।১৯
১৪	৩১	২	১৬	১৩।৩৪	৩০	১৫	৪	২	১৩।১৮
১৫	৩২	৩	১৭	১৩।৩৩	৩১	১৬	৫	৩	১৩।১৭
১৬	১	৪	১৮	১৩।৩২					

পুনিমা ১৩ দিনৰ ১।৩২ ভাটি। আমাবাস্যা ২৮ দিনৰ ৮।৫৮ ভাটি।

THE ORUNUDOI,
Printed and published by O. T. CUTTER, *at the Sibsagor Mission Press.*—N. BROWN, *Editor.*

অৰুণোদই

৬ বচৰ । মোং সিৱসাগৰ, জুলাই, ১৮৫১ । নম্বৰ ৭ ।

VOL. VI. SIBSAGOR, ASAM, JULY, 1851. NO. 7.


আৰব দেশৰ বিবৰন ।

Geography of Arabia.

আচিয়াৰ দখিন পচিম চুকে আৰব নামে এখান ডাঙ্গৰ দেশ আছে। তাৰ দখিন ফালে হিন্দু সাগৰ, পচিমে চুফ সাগৰ, উত্তৰে তুৰুক দেশ, পুব ফালে পাৰ্চি দেশ আছে। আৰব দেশৰ দিঘে ১৫০০ মাইল, পথালিএ ১৩০০ মাইল, মুঠে ১০,০০,০০০ বৰ্গমাইল; তাৰ প্ৰজা ১,২০,০০,০০০ চই কুৰি লাখ।

আৰব দেশৰ ঠাইবোৰ প্ৰায়ে বালি; মাজে মাজে পৰ্বতবোৰ আছে, কিন্তু ওখ ন হই। তাত ডাঙ্গৰ নদিও নাই, আৰু সৰহ ভাগত পানি পাবলৈ টান। পৰ্বতৰ মাজত জি খাল থাকে, তাত খেতি কৰিবলৈ ভাল। চুফ সাগৰৰ দাঁতিত মাটি চাপৰ, কেৱল বালি; তাত গাঁও বাৰি বিস্তৰ নাই। সেই দেশত ডকাইত আদিৰ ভয়েৰে মানুহ অকলে জাত্ৰা কৰিব নোআৰে, একুৰি দুকুৰি গোট খাইহে জাই।

সৰহিয়া বালিৰ ওপৰত অকল উটেৰেহে



আৰব দেশৰ এক চুঁটিয়া উটৰ নকচা।

জাব পাৰে; কিয়নো সি ৭।৮ দিনলৈকে পানি নো খোআকৈ থাকিলেও ন মৰে; তাৰ পেটত পানি ৰখা বেলেগ ভুঁৰু আছে, জেতিয়া পানি পাই তাক ভৰাই খাই, সেয়েৰে আটাই কেই দিন থাকে। তাৰ বোজা ৮ মোনৰ পৰা ১২।১৫ মোনলৈকে বৰ সৰু বুজি দিএ। বোজা লবলৈ হাতিৰ দৰে বহঁঠ পেলাই, পাচে বোজা দিলে জদি নিব নোআৰে, সি নুঠে, কান্দিবলৈ ধৰে। জাঁওতে ৰখিয়াই খুঁচি মাৰি দুখ নি দিএ, খেদিবৰ নিমিত্তে গিতহে গাই। ৩০ বা ৩৫ মাইলৰ বাট দিনটত্তে জাই; বোজা নি দি খোঁজ সি কোআবোৰ হলে দিনটতে ৮০ মাইল মান জাব পাৰে। উটে কঁাইট আৰু বেয়া বেয়া গচৰ পাত আদি ঘাঁহো খাই। মাইকি উটে গাভিনি হলে ১২ মাহৰ মুৰত পোআলি এটা মাথোন ওপজাই। তাইৰ গাখিৰ ঘন আৰু সৰহ, কিন্তু খাবলৈ অলপ চোকা। পানি মিহলাই তাক খাবলৈ ভাল। পোআলি ৪।৫ বচৰেহে ডাঙ্গৰ হই; তাৰ আয়ুস দুই কুৰি বা আঢ়ৈ কুৰি বচৰ। উটৰ দুবিধ আছে; এবিধৰ পিঠিত দুটা ডাঙ্গৰ টুঁট, এবিধৰ এটাহে। দুই টুঁটিয়া উট হিমালয়ৰ সি পাৰে পাৰ্চি দেসৰ পৰা খোহ দেসলৈকে পোআ জাই; আৰব আৰু আফ্রিকাত এক টুঁটিয়াহে থাকে।

আৰব দেসৰ ঘোঁৰাও সকলোতকৈ সুন্দৰ বেগিও। আন দেসলৈকো অনেক দামত



Arabian Horseman.

ভালেমান বেচে। এই দেসৰ গাধও আন দেসতকৈ ডাঙ্গৰ চিকন।

আৰবি মানুহ প্রায়ে দুবিধ; এবিধ হলে গাঁও নগৰত থাকে। আৰু বেদুইন নামে এবিধ আছে; সিহঁতে উট চাগৰ জাক পুহি, জি ঠাইত চাৰ পাই তাক বিচাৰি বিচাৰি ঠাই সলাই কাপৰৰ ঘৰ তৰি থাকে, আন ঘৰ নাই। আব্রাহাম, ইচাক, আৰু য়াকোবে জি ৰুপে জাক ৰাখি ঠাই সলাই সলাই আছিল, সিহঁতেও এতিয়ালৈকে সেই ৰুপে ফুৰে।

বেদুইন লোকৰ সৰহ ভাগ চোৰ আৰু ডকাইত; সিহঁতে খেতি ন কৰে, বন গুটি আৰু উট চাগৰ গাখিৰ খাই থাকে। আনবোৰ আৰব লোকে খেতি কৰে। সিহঁতৰ মুখ আৰু হাতত বেজিৰে সৈতে কলা বৰন লগাই ফুল আদি নকচা লিখে; নগাৰ দৰে সেই নকচা গাত সদাই থাকে। মাইকিবোৰৰ নাকত ৪ আঙ্গুলমান বহল সোনৰ আৰু ৰুপৰ নত পিন্ধে; সিহঁত প্রায়ে মতাৰ সমান ওখ। সিহঁতৰ আক্রিতি সুন্দৰ, কিন্তু সদাই ৰদত থকা হেতুকে বৰ কলা।

আৰব লোকৰ খঙ্গ বৰ্হা; আৰু কোনোএ জদি সিহঁতক বিৰোধ কৰে, সিহঁতে অৱনো তাৰ প্রতিফল দিএ। দা জাটি বা হিলৈ হাতত সদাই লৈহে ফুৰে। জাত্রিক লোকে জদি সিহঁতক ভেঁটি দিএ, সিহঁতে মৰম ৰুপে তাক ৰাখে, আৰু বাট দেখাবলৈ তাৰ লগত মানুহ পঠাই দিএ। ভোজন কৰোঁতে চামুচ কাঁইট আদি ন লই, হাতেৰে খাই। সুৰা, পনিয়ালৰ ৰস, গাহৰি মঙ্গহ, এইবিলাক খোআ নিসেধ। খাজুৰ আৰু কাফি ভাত সৰহকৈ আৰ্জে।

আৰবি লোক আব্রাহামৰ পুতেক ইস্মাএলৰ বঙ্গহ বুলি কই, আৰু সি অবাধিত মানুহ হৈ আটাই লোকে সৈতে বিৰোধা বিৰুধি হব, সাস্ত্রত এই জি কথা ইস্মাএলৰ অৰ্থে লিখা হৈছিল, সেই কথা তাৰ বঙ্গহত এতিয়ালৈকে সিধি হৈছে।

আৰবি লোক প্রায়ে ৰজাৰ অধম; আদিৰে পৰা ৰজা নাই কিয়া হৈ চেইক অৰ্থাত গামবিলাকৰ তলে থাকে। সেই চেইকবিলাকৈ পুৰনি বঙ্গহৰ প্রাচিন লোক হোআত

ৰৰ অহঙ্কাৰি হৈ ৰাদস্যাতকৈ আপোনাৰ ৰাৰ ডাঙ্গৰ মানে ।

আৰবি লোকে মহমদৰ ধৰমত প্ৰবৰ্ত্তে: মহমদৰ জনম ভুমি সেই দেসেই । খ্ৰিষ্টৰ ৫৬৯ বচৰৰ পাচে মহমদ উপজিল । তেঁওৰ লৰা কালত বাপেক মৰাত, দদায়েকে তেঁওক লৈ তুলি বিদ্যা সিকালে । পাচে খাদিজা নামে এজনি ধনৱন্ত বাঁৰি তিৰোতা বিয়া কৰি চহকি হৈ অনেক বচৰলৈকে সদাগৰি কাম কৰিচিল । ৰমজান মাহত বচৰি বচৰি ৰোজা কৰে; আৰু সেই দেসত অনেক দেও পুজক আচিল দেখি, অকল এক পৰম ইস্বৰক আৰাধনা কৰোআৰৰ নিমিত্তে ৪০ বচৰৰ বয়সত লোকক ধৰম সিকাবলৈ ধৰিলে । প্ৰথমতে ইস্বৰৰ দুত গাব্ৰিএলক দেখা পাই ইস্বৰৰ পাইকম্বৰ অৰ্থাত পাঁচনিৰ বাৰ পাইচোঁ বুলি আপোনাৰ ভাৰ্জাক বুজাই তাইৰ বিস্বাস কৰালে । পাচে ওআৰাক নামে সেই তিৰোতাৰ দদায়েকে তাইৰ কথাৰ দোআৰাই বিস্বাস কৰিলে; সি খ্ৰিষ্টিয়ান আৰু য়িহুদিৰ সাস্ত্ৰ পৰ্হা মানুহ হৈচিল । ক্ৰমে মহমদৰ ভতিজা আলি, আৰু আবুবিকৰ নামে এজন ভদ্ৰ লোক, আনো কেতবিলাকে সৈতে তেঁওৰ কথা গ্ৰাজ্য কৰিলে । তাৰ পাচে ভাৰ্জা মৰিলত মহমদে বলেৰে আপোনাৰ সত্ৰুক দমন কৰিব ধৰিলে; কিন্তু তেঁওৰ মানুহ তাকৰ হেতুকে জুধ কৰিব নোআৰি, সত্ৰুৰ ভয়েৰে অকল আবুবিকৰে সৈতে ৰাতি পলাই গৈ, তিন দিন সিলৰ গাঁতত থাকি পাচে ওলাই মেদিনা নগৰলৈ গল । সেই হিজিৰা অৰ্থাত পলায়ন কৰা কালেই মচলমানৰ আদি সঁক; খ্ৰিষ্টৰ পাচে ৬২২ বচৰ । মেদিনা নগৰত মানুহ কেতবিলাক চপাই মহমদে বেলি দেক সত্ৰুক আক্ৰমন কৰি জিনিলে; কিন্তু হিজিৰাৰ ৩ সঁকত আবুচোফিয়ান নামে এক সেনাপতিএ ৩০০০ বনুআ আনি মহমদৰ ফৌজক পৰাজই কৰিলে । কাল ক্ৰমে মহমদৰ সক্তি বাৰ্হি অনেক দেস আৰু ৰাজ্যক জিনি তেঁওৰ ধৰম প্ৰবৰ্ত্তালে । মাজে মাজে গাব্ৰিএলৰ পৰা জি কথা পালোঁ বুলি কৈচিল, তাক অনেক বেলিএ লিখি আধ্যাই আধ্যাই প্ৰকাস কৰিলে । পুৰ হলত সেই সাস্ত্ৰক কোৰান বোলে: খ্ৰিষ্টিয়ান আৰু য়িহুদি সাস্ত্ৰৰ অনেক কথা সেই কোৰানত সুমাইচে; কিন্তু জগতৰ পৰিত্ৰানৰ নিমিত্তে খ্ৰিষ্টে জি প্ৰাচিত কৰিলে, সেই কথা কোৰানত নাই । হিজিৰাৰ ১১ সঁকত মেদিনা নগৰত তেঁও ম্ৰিত্যু হল । তেঁওৰ জি তিৰোতাবিলাক আচিল, সেই সকলোৰে মাজত আবুবিকৰৰ জিএক আয়স্যাৰ গৰ্ভত ফাটিমা নামে জি জিএক, তাইৰ বাহিৰে তেঁওৰ মৰনৰ পাচত সন্তান নাচিল । সেই ফাটিমাক প্ৰধান ভকত আলিএ বিবাহ কৰিলে ।

মহমদৰ জনম ভুমি মেকা নগৰেই মচলমানৰ তিৰ্থ । তালৈ অনেক দেসৰ অনেক জাত্ৰি গৈ থাকে । তাত থকা মচিদৰ ভিতৰত কাবা নামে এটা কলা সিল আচে: মচলমানে বোলে, গাব্ৰিএলে স্বৰগৰ পৰা তাক আনিলে । জি জাত্ৰিক লোকে তাত সেৱা কৰে, সিবিলাকে সেই সিলক সাত বেলি প্ৰদখিন কৰি বেলিএ পতি চুমা দি জাই ।

মেকাৰ উতৰ ফালে ১৭৬ মাইলৰ আঁতৰত মেদিনা নগৰত বৰ ডাঙ্গৰ সুন্দৰ মচিদ আচে; সেই মচিদত ৪০০ কলা মৰ্মৰ সিলৰ বৰ ডাঙ্গৰ খুঁটা আচে; ভিতৰত মহমদৰ কবৰ আচে, আৰু তাৰ চাৰিও ফালে ৩০০ চাকি সদাই জলাই থই ।

আৰৱ দেসৰ উত্তৰ পচিম চুকে হোৰব আৰু চিনই পৰ্বত আচে। সেই চিনইৰ ওপৰত মোচাই ইস্বৰৰ ১০ আগ্যা লিখা সিল পালে, আৰু সেই দেসৰ অৰন্যত ইস্ৰাএল লোকবিলাক অনেক বচৰ ফুৰিচিল ।

আৰৱ দেসৰ দখিন ভোথৰৰ নাম ইএমেন; তাৰ ২০,০০,০০০ প্ৰজাৰ ওপৰত ইমাম নামে এজন অধিকাৰ আচে । তাৰ ৰাজ নগৰ চানাত ২০,০০০ মান নিবাসি লোক । তাৰ ওচৰত সাগৰৰ দাঁতিত আদেল নগৰো

আচে, সেই নগৰ ইঙ্গৰাজিৰ কৰতলিয়া ।

সেই দেসৰ পুব ভাগক মস্কাট বোলে; তাৰো এক ইমাম আচে, প্ৰজাৰ সংখ্যা প্ৰায়ে ইএমেনৰ সমান ।

আৰবৰ উতৰ ফালে পুৰনি ইদোম দেস আচে, এতিয়া প্ৰায়ে নিৰ্জান অৰন্য । তাত পেত্ৰা নামে এটা বৰ নগৰ আচিল, কিন্তু এহেজাৰ বচৰ মান তাৰ ঠাই কেৱে নুবুজে, হাবিৰ মাজত এতিয়াহে তাৰ চিন ওলাইচে । তাৰ চাৰিও পোনে ৪০০ হাত মান ওখ সিলৰ পৰ্বতে বেৰি আচে; আৰু সেই সিলত বহু ঘৰ, মঠ, মূৰ্ত্তি, মৈদাম আদি কটা আচে । ॥

ধৰম কথাৰ সম্বাদ ।

Religious Intelligence.

৬ জুলাই তাৰিখত শ্ৰীমতি জগৰি, শ্ৰীমতি কুন্তি, আৰু শ্ৰীমতি বুধি, এই তিনি জনি তিৰোতা মানুহে খ্ৰিষ্টত আস্ৰই লৈ সিৱসাগৰ জিলাত বুৰ পালত, খ্ৰিষ্টিয়ান মণ্ডলিত গ্ৰাজ্য কৰা হল ।

আগৰা নগৰত ৪ মেই তাৰিখত পাদুৰি উলিয়ম চাহাবৰ দোআৰাই ৫ জন গোৰা চিপাহিএ বুৰ পালে; আৰু ১ জুন তাৰিখত আন চাৰি জন মানুহো বুৰ দিয়া হৈ মণ্ডলিত গ্ৰাজ্য কৰা হল ।

চিতৌৰা নগৰত জুনৰ প্ৰথম দেওবাৰত ৪ জন মানুহে মণ্ডলিত সোমাল ।

পাৰ্চি দেসত বৰ্জিচ নামে এজন মিস্যনেৰি পাদুৰিএ সমাচাৰ পত্ৰ চাপি চলাবৰ নিমিত্তে বাদস্যাৰ হুকুম পালে । তাৰ দোআৰাই সেই দেসত ধৰম আৰু গিয়ানৰ কথা বহুল ৰুপে প্ৰকাস হব, আমি এনে আসা কৰিচোঁ ।

চিলন অৰ্থাত লঙ্কা দিঁপৰ নিবাসি স্ত্ৰিনৱচ নামে এজন ডেকা মানুহে খ্ৰিষ্টিয়ান ধৰম লোআত তাৰ সহুৰেকে পৰিয়ালে সৈতে সেই খ্ৰিষ্টিয়ানৰ ঘৈনিএকক চলকৈ মাতি নি ৰাখিলে । পাচে স্ত্ৰিনৱচে মান্দৰাজৰ সোধাকৰ আগত গোচৰ কৰাত চেৰ উলিয়ম বৰ্নতন চাহাবে সেই তিৰোতাক অনাই পৈএকক দিবলৈ হুকুম দিলে । তাতে সেই তিৰোতাই অমাত্তি হৈ মাক বাপেকে সৈতে হাই মাৰি কান্দিবলৈ ধৰিলে, আৰু কচাৰি ঘৰত অনেক বামুন লোকো সোমাই জাত মৰে বুলি ৰবকৈ এৰাও কৰিলে; তথাপি হুকুম হোআত তিৰোতাক পৈএকৰ হাতত সোধাই দিলে; কিন্তু স্বামিৰ লগত ভাত খুআই বা আন ৰুপে জাত মাৰিবলৈ নিসেধৰ হুকুম দিচে । পাচে মাকে ঘৰৰ বাহিৰ হৈ ওলাই সাগৰত পৰি মৰোঁহঁক বুলি আপোনাৰ পৈএকক মাতি একাঠুমান দ পানিত নামিল, কিন্তু পৈএক ন গল দেখি উভতি আহিল । স্ত্ৰিনৱচৰ তিৰোতাই তাৰ ঘৰলৈ গৈ কিচু দিনৰ পাচে মাত্তি হৈ ক্ৰমে মন ভাল হল ।

জুলাই ১০ তাৰিখত দ্বাৰিকানাথ ঠাকুৰৰ ভতিজা বাবু গিয়ানেন্দ্ৰনাথ ঠাকুৰ খ্ৰিষ্টিয়ান ধৰম লৈ ইঙ্গৰাজি গিৰ্জাত পাদুৰি ক্ৰিষ্ণ মোহন বানৰ্জিৰ হতুআই মণ্ডলিত গ্ৰাজ্য কৰা হল ।

কলিকতা নগৰৰ ভৱানিপুৰত খ্ৰিষ্টিয়ান বিদ্যালই থাপন কৰিবৰ নিমিত্তে পকি ঘৰ সাজিবলৈ লণ্ডন মিস্যনেৰি সমাজে চান্দাৰ দোআৰাই ৬১,০০০ টকা ৰুপ পালে, এতিয়া সেই পকি ঘৰ সাজিবলৈ ধৰিচে । আৰু দুই মাহৰ ভিতৰত সেই বিদ্যালইত সিকা ৫ জন চাত্ৰে আগৰ ধৰম এৰি খ্ৰিষ্টিয়ান ধৰম ললে ।

আমেৰিকা দেসত ইস্বৰৰ আত্মাই অনেক মানুহক নিমন্ত্ৰন কৰিচে । নুয়ৰ্ক ৰিকৰ্দৰ নামে ২ এপ্ৰিল তাৰিখৰ এটা সমাচাৰ পত্ৰত এই এই নগৰত বুৰ পোআ সিস্যবিলাকৰ কথা পাইচোঁ । দিত্ৰইত নগৰত ১৮০; মন্তবেত্তেল ১০৫; নিৱাৰ্ক ২১; নুহেবন ২৩; ত্ৰেন্তন ৪৫; নেস্তমিল পেন্সিল্বেনিয়া ৬৩; ফিলাদেলফিয়া ৫৭; লেক্চিংতন মিচুৰি ৩৫; আৰু আন দহোটা গাঁও নগৰত ১৩১ ।

জাত্ৰিকৰ জাত্ৰা, ৩ আধ্যা ।

The Pilgrim's Progress, Chapter 3.

খ্ৰিষ্টিয়ানে কলে, এতিয়া মোক জাবলৈ দিয়া; কিন্তু অৰ্থ-দায়কে বুলিলে, ন হই, আৰু কিচু নে দেখাঁও মানে ৰৈ থাকা; পাচে তুমি আপোনাৰ বাটে দি জাবা । তাতে তেঁও আৰুও তাৰ হাতত ধৰি, জি অতি এন্ধাৰ এখোঁটালিত লোৰ গঁৰালৰ ভিতৰত এটা মানুহ বহি আচিল, তালৈ নিলে । সেই মানুহ দেখিবলৈ বৰ সুগিয়া; হাত সাৱতি তললৈ মুকৈ চাই ৰিদই ভগাৰ দৰে দিঘল নিশ্বাস কাৰ্হি কাৰ্হি আচিল । তেতিয়া খ্ৰিষ্টিয়ানে সুধিলে, ইয়াৰ কি অৰ্থ? তাতে অৰ্থ-দায়কে খ্ৰিষ্টিয়ানক তাৰে সৈতে কথা হবলৈ বুলিলে ।

তেতিয়া খ্ৰিষ্টিয়ানে সেই মানুহত সুধিলে, তুমি কোন? সি উত্তৰ কৰিলে, মই আগেয়ে জি নাচিলোঁ, সেয়ে হৈছোঁ ।

খ্ৰিষ্টিয়ান । আগেয়ে কেনে আচিলা?

মানুহ । আগেয়ে মই আপোনাৰ আৰু লোকৰ দ্ৰিষ্টিতো সুন্দৰ ফলৱন্ত খ্ৰিষ্টিয়ান আচিলোঁ; তেতিয়া স্বৰগৰ নগৰলৈ জোৱা বাটত আচোঁ বুলি ভাবিলোঁ, আৰু তাত সোমাবলৈ পাম, এনে আসাৰে মোৰ অতিসই আনন্দ আচিল ।

খ্ৰিষ্টিয়ান । আৰু এতিয়া নো কেনে আচা?

মানুহ । এতিয়া নিৰসা মানুহ এটা হৈছোঁ; এই লোৰ গঁৰালত জেনেকৈ মোক বন্ধন হোৱা দেখিচা, সেই ৰূপে নিৰসাত বন্ধন হৈ মুকলি হব নোৱাৰোঁ; হাই হাই, আৰু মুকলি হবলৈ অসাধ্য ।

খ্ৰিষ্টিয়ান । তুমি এনে দুৰাৱস্থাত কেনেকৈ পৰিলা?

মানুহ । পৰ দি থাকি ইন্দ্ৰিয়ক দমন কৰিবলৈ এৰিলোঁ; ঘোঁৰাত লাগাম পেলাই দি মেলাৰ দৰে কাম আদিএ মোক নিবলৈ লাগাম পেলাই দিলোঁ; সাস্ত্ৰৰ বিৰোধে আৰু ইশ্বৰৰ দায়াৰ অহিতে পাপ কৰিলোঁ; মই পবিত্ৰ আত্মাৰ অসন্তোস কৰোঁআত তেঁও মোক এৰি গল; চইতানক উচটালত সি মোৰ লগ ললেহি; ইশ্বৰৰ খঙ্গ তুলিলত তেঁও মোক তিয়াগ কৰিলে; আৰু মোৰ মন আপুনি টান কৰাত তাক এতিয়া পালটাব নোৱাৰোঁ ।

তেতিয়া খ্ৰিষ্টিয়ানে অৰ্থ-দায়কত সুধিলে, এনে মানুহৰ পৰিত্ৰানৰ নিমিত্তে একো আসা নাই নে? অৰ্থ-দায়কে কলে, তুমি তাত সোধা!

তেতিয়া খ্ৰিষ্টিয়ানে তাত সুধিলে, তুমি সদাই এই নিৰাসৰ লোৰ গঁৰালত জেন নে থাকা, এনে এফেৰিও আসা নাই নে?

মানুহ । এফেৰিও আসা নাই ।

খ্ৰিষ্টিয়ান । কিয়? ধন্যবাদ ইশ্বৰৰ পুত্ৰ অতি ক্ৰিপাৱন্ত হৈচে ।

মানুহ । মই তেঁওক অৱমান কৰি নকৈ পেৰেঙ্গনিত বধ কৰিলোঁ; তেঁওৰ ধৰমকো হেলা কৰি তেঁওৰ তেজ অপবিত্ৰ বস্তুৰ দৰে মানিলোঁ, আৰু অনুগ্ৰহেৰে দিয়া আত্মাকো অৱহেলা কৰিলোঁ । এই হেতুকে মই আপোনাক ইশ্বৰৰ অঙ্গিকাৰবিলাকৰ পৰা বাজ কৰিলোঁ; এতিয়াৰ পৰা ভয়ঙ্কৰ দণ্ড আগ্যা, আৰু মই সত্ৰুক নাস কৰা অগ্নিময় ক্ৰোধলৈ ভয়েৰে অপেখ্যা, মোৰ এইবিলাক মাথোন থাকে ।

খ্ৰিষ্টিয়ান । তুমি কিহৰ নিমিত্তে আপোনাক এনে দুৰাৱস্থাত পেলালা?

মানুহ । এই জগতৰ জি কাম অভিলাস, সুখ আৰু লাভত মই বৰ ত্ৰিপ্তি ভোগ কৰিম বুলি ভাবিলোঁ, সেইবিলাকৰ নিমিত্তে মই এনে অৱস্থাত পৰিলোঁ; কিন্তু এতিয়া সেই প্ৰতি সুখে মোক কামুৰি অগ্নিময় পোকৰ দৰে খাই থাকে ।

খ্ৰিষ্টিয়ান । কিন্তু তুমি এতিয়াও উলটি মন পালটাব নোৱাৰা নে?

মানুহ । ইশ্বৰেহে পালটন কৰিবলৈ নিসেধ কৰিলে; বিশ্বাস কৰিবলৈ তেঁওৰ বাক্যত এফেৰিও আসা দিয়া নাই, তেঁও আপুনিএ মোক এই লোৰ গঁৰালত বন্ধন

কৰিলে, আৰু জগতৰ লোক আটাইবোৰেও মোক মুকলি কৰিব নোআৰে। অন, অন, অনন্ত কাল! অনন্ত কাল! মই অনন্ত কালত জি শাস্তিৰ লগ পাম, তাৰে সৈতে কেনেকৈ জুজ কৰিম! তেতিয়া অৰ্থ-দায়কে খ্রিষ্টিয়ানত কলে, এই মানুহৰ দুখ তোমাৰ মনত থাকি তোমাক সাৱধান কৰাওতা হওক।

খ্রিষ্টিয়ান। স্বৰুপ, আতা, এই কথা বৰ ভয়ঙ্কৰ: এই মানুহৰ দুখ জনমোআ কষ্টমৰ দুৰৈত জেন থাকোঁ, এই প্ৰাৰ্থনা কৰিবলৈ, আৰু পৰ দি সাৱধানে থাকিবলৈ ইস্বৰ মোৰ সহাই হওক। এতিয়া মোৰ বাটে জাবলৈ বেলি ন হল নে?

অৰ্থ-দায়ক। তোমাক আৰু এটা কথা দেখাবৰ নিমিত্তে একেৰিমান ৰবা; পাচে তুমি বাটে দি জাবা।

তেতিয়া অৰ্থ-দায়কে আকও খ্রিষ্টিয়ানৰ হাতত ধৰি আন এক খোঁটালিলৈ নিলে; তাতে সুই থকা খাটৰ পৰা এজন মানুহ উঠি আপোনাৰ কাপৰ পিন্ধি থাকোঁতে কঁপি কঁপি আচিল। তাতে খ্রিষ্টিয়ানে সুধিলে, ই নো কিয় এনেকৈ কঁপিচে? তেতিয়া অৰ্থ-দায়কে তাৰ কঁপাৰ কাৰন খ্রিষ্টিয়ানত কবলৈ তাক আগ্যা কৰাত সি কবলৈ ধৰি বুলিলে, এই ৰাতি টোপনিত থাকোঁতে মই এটা সমাজিক দেখিলোঁ; তাতে দেখা, আকাস মণ্ডল ঘোৰ এন্ধাৰ হৈ গল, আৰু অতি ভয়ঙ্কৰ মেঘৰ গৰ্জন আৰু বিদুলি হোআত মোৰ মনত বৰ বিয়াকুল লাগিল। এই ৰুপে সমাজিকত ওপৰলৈ চাই থাকোঁতে মেঘবোৰ আচৰিত ৰুপে লৰুআই নিয়া দেখিলোঁ। তেতিয়া ভেঁৰিৰ মহা সবদ সুনিলোঁ, আৰু স্বৰগৰ হেজাৰ হেজাৰ লোকেৰে আব্রিত হোআ এজন মানুহকো মেঘৰ ওপৰত বহি থকা দেখিলোঁ; সেই সকলোবিলাক অগ্নিময় বস্ত্ৰেৰে ভুসিত, আৰু আকাস মণ্ডলো জলন্ত অগ্নিৰে পুৰি আচিল। এনে সময়ত, হে মৰা লোক সকল, উঠা, মহা সোধলৈ আঁহাইক, এই বচন সুনা গলত সিলবোৰ ফাটিল, মৈদামবোৰ মুকলি হল, আৰু তাত জি জি ম্রিত্যু লোক আচিল, আটাইবিলাক ওলাল; তাৰে কেতবিলাকে বৰ আনন্দিত হৈ ওপৰলৈ চাই থাকিল; আনবোৰে পৰ্বতৰ তলত আপোনাক লুকাবলৈ উপাই বিচাৰিলে। তেতিয়া মই চাই দেখিলোঁ, মেঘত বহি থকা জনে এখান পুথি মেলি জগত খনৰ লোকক আপোনাৰ ওচৰলৈ আহিবলৈ দিলে। কিন্তু সোধ কৰ্তা আৰু অপৰাধত পৰাবিলাকে জি ৰুপে আঁতৰা আঁতৰি হৈ থাকে, সেই ৰুপে তেঁওৰ ওচৰৰ পৰা ওলাই অহা অগ্নিময় সিখাৰ দোআৰাই সিইতকো তেঁওৰ কিচু আঁতৰতে ৰখা হৈচিল। আৰু মেঘত বহা জনক আৱৰি থকা পাৰিসদবিলাকত এই আগ্যা দিয়া সুনিলোঁ, বন আৰু খুলা আৰু নৰা গোটাই জুয়েৰে পুৰি থকা সৰোবৰত পেলোআগৈ। তেতিয়া মই থকা ঠাইৰ ওচৰতে প্ৰিথিৱি ফাটি তলি নো হোআ কুণ্ড ওলাল; তাৰ মুখৰ বহু ধুঁআ, জুইৰ আঙ্গঠা, আৰু হোঁ হোঁকৈ ভয়ানক সবদো ওলাবলৈ ধৰিলে। সেই পাৰিসদবিলাকত আৰু এক আগ্যা দিয়া হল, ভঁৰালত মোৰ ধান চপাই থোআ। তাকে সুনিএই অনেক লোকক ধৰি মেঘৰ ওপৰলৈ নৈ জোআ দেখিলোঁ; কিন্তু মোক হলে এৰা হল। আৰু মই আপোনাক লুকাবলৈ ইচা কৰিও উপাই নে পালোঁ; কিয়নো মেঘত থকা জনৰ চকুৰ দ্রিষ্টি সদাই মোৰ গাত পৰি আচিল; আৰু মোৰ পাপবিলাকো স্মৰন হোআত মোৰ মনেই সকলো ভাৱে মোক দুসি কৰিলে। এনে সময়ত মই টোপনি ভাগি সাৰ পালোঁ।

খ্রিষ্টিয়ান। তুমি ইয়াক দেখি কিয় এইমান ভয়াতুৰ হলা?

মানুহ। আতা, মই ইয়াকে ভাবিলোঁ, মহা সোধৰ দিন অৱলো আহিল, কিন্তু তালৈ মই জুগুত ন হও; আৰু দূতবিলাকে অনেকক গোটাই নি মোক এৰিলে, তাৰ কাৰনেহে বৰ ভই পালোঁ; তাত বাজে নৰকৰ

কুশুৱ মুখ মোৰ অতি ওচৰতে মুকলি হল; মোৰ ভিতৰেও মনে মোক বৰ দুখ দিলে, আৰু সোধ কৰ্ত্তাই শঙ্ক মুখ হৈ মোৰ কাল-লৈ চকুৰ একে দ্ৰিষ্টিৰে সদাই চোআ জেন দেখিলোঁ ।

তাতে অৰ্থ-দায়কে খ্ৰিষ্টিয়ানত সুধিলে, তুমি এই সকলো কথা মনত বিবেচনা কৰিলা নে?

খ্ৰিষ্টিয়ান । হয়, আতা, কৰিলোঁ, আৰু এইবিলাক কথাত মোৰ আসা আৰু ভয়ো লগা হৈছে ।

অৰ্থ-দায়ক । তেন্তে তুমি জাব লগা বাটত তোমাৰ কোনত খুঁচি ঠেলিবলৈ এইবিলাক কথা কাঁটিৰ নিচিনাকৈ মনত ৰাখি থবা । তেতিয়া খ্ৰিষ্টিয়ানে কঁকাল বান্ধি জাত্ৰালৈ আপোনাক জুগুত কৰিব ধৰিলে । তাতে অৰ্থ-দায়কে তাক আশিৰ্বাদ কৰি কলে, হে প্ৰিয় খ্ৰিষ্টিয়ান, তোমাক ৰাজ নগৰলৈ জোআ বাট দেখাই নিবলৈ সান্তনা কৰোঁতা সদাই তোমাৰ সহাই হওক ।

তেতিয়া খ্ৰিষ্টিয়ানে আপোনাৰ বাটে এই বচন গাই গাই গল ।

জাত্ৰাত মোৰ জি কাম আৰম্ভন,
তাত জেন ঠাৰৰ হব মন,
কথা চমত্কাৰ আচৰিত
ইয়াত পালোঁ দৰশন;
কেতবোৰ অতি ঘোৰ ভয়ানক,
আৰু কেতবোৰ মনোহৰ,
অৰ্থ-দায়ক উপকাৰি
দেখাই দিলে পাপি নৰ;
সদাই মন জেন মজি থাকে,
মোৰ এই প্ৰাৰ্থনা ইশ্বৰ । ॥



লুইচা নামেৰে এজনি চোআলিৰ বিৱৰন ।

The Story of Louisa.—From Abbott's Young Christian.

আমেৰিকা দেশত থকা আবট নামেৰে এজন ধৰম প্ৰচাৰকে এই কথা লিখিছে । মই ধৰম প্ৰচাৰক কামত সোমোআৰ অলপৰ পাচত লুইচা নামেৰে এজনি গাভৰু চোআলি সভাৰ মাজত দেখিলোঁ । তাইৰ ৰূপ সুআনি, আৰু মুখ আনন্দ হৈ নিৰুগি আছিল; কিন্তু মই তাইক পৰমাৰ্থিক কথাত অচিন্তন আৰু হেলা কৰোঁতা জেন জানিলোঁ । লুইচাক মই ধৰম নিন্দা কৰা দেখা নাই; কিন্তু সংসাৰিক সুখ আৰু আনন্দত কাল নিয়াই মৰনৰ আগেএ ধৰম লৈ সুখেৰে মৰিম বুলি, এনে ইচা কৰিলে ।

এদিনা গধুলি বেলা মই সভাৰ মাজৰ পৰা কেতবিলাক চোআলিক মোৰ ঘৰলৈ নিমন্ত্ৰন কৰিলোঁ । লুইচাও লগৰিয়াবিলাকে সৈতে আহিল । ধৰম কথাত সকলো মন দি গ্ৰাজ্য কৰা উচিত, এই কথা টানকৈ কবলৈ মই সিবিলাকক নিমন্ত্ৰন কৰিলোঁ । থোঁটালিৰ মাজত থকা সকলৰো মনত মোৰ কথা লাগিল; আৰু মই দেখিলোঁ, লুইচাও ধৰম কথাত ভাবিত হল; কিন্তু তাক লুকাবলৈ চেষ্টা কৰিলে । পাচৰ বেলিত গোট খাওতে মই সকলোৰে লগত বেলেগে বেলেগে কথা বাৰ্ত্তা হলোঁ । প্ৰাই সকলোএ অনন্ত আত্মাৰ কাৰনে চেষ্টা কৰাৰ মন দেখুআলে; কিন্তু লুইচাৰ মন সকলোতকৈ বেলেগ দেখা হল । তাই সকলো ভৱাত আপোনাৰ মনৰ কথা লুকাব নোআৰিলে, তেও জনাবলৈ লাজ কৰিলে ।

মই কলোঁ, লুইচা, তুমি আগতকৈ ধৰমৰ বিসই এতিয়া অধিক প্ৰয়োজনিয় বুলি ভাবিচা নে?

লুইচা । মই নে জানোঁ, মহাচই; খ্ৰিষ্টিয়ান হবলৈ মোৰ ইচা আছে, ইয়াকে ভাবিচোঁ ।

প্ৰচাৰক । লুইচা, তুমি আপোনাক পাপি বুলি জানিচা নে?

লুইচা । মই পাপি বুলি জানোঁ, কিয়নো

তেনেকৈ শাস্ত্রে কৈছে; কিন্তু মোৰ মনত পাপৰ নিমিত্তে বৰ খেদ পোৱা নাই ।

প্রচাৰক । তোমাৰ মন এনে হলে, ইশ্বৰে গ্রাহ্য কৰিব বুলি ভাবিচা নে? তেঁও তোমাক সৃজন কৰিলে, আৰু প্রতিপালন কৰি তোমাৰ জি জি নানা আশির্বাদ আৰু সুখ আছে, সেই সকলো তেঁৱেই দিছে; তুমি ভালেমান দিন তেঁওৰ উপকাৰ নু সুঁৱৰি জিয়াই থাকি, সদাই ইশ্বৰৰ আগ্যা ভাঙ্গি আছা; আৰু এতিয়া জদি তুমি সকলো মনেৰে আৰু নম্র ভাৱেৰে তোমাৰ পাপ খেমা হবলৈ জতন ন কৰিবা, তেন্তে পাপ সাগৰত ডুবি মৰিবা ।

তেনেকৈ আকও পাচৰ সপ্তাহৰ সেই সময়ত গোট খাবলৈ মই থিৰ কৰিলোঁ । সেই সপ্তাহত লুইচা আগেয়ে অহা চোৱালিবিলাক আৰু নকৈ কেতবিলাকে সৈতে দেখা হল । তাইৰ মন ধৰমৰ কথাত অধিককৈ লগা জেন জানিলোঁ । মই কলোঁ, লুইচা, তুমি আজি গধুলি নাহা বুলি ভই কৰিছিলোঁ ।

লুইচা । মই এতিয়া জানিছোঁ, অনন্ত আয়ুস বিচাৰিবৰ সমই হল, কিয়নো মই ভালেমান দিন হেলা কৰিলোঁ ।

প্রচাৰক । লুইচা, তুমি আপোনাকে পাপি বুলি মনত লাগিছে নে?

লুইচা । হই মহাচই, মোৰ মনত লাগিছে ।

প্রচাৰক । লুইচা, তোমাৰ পাপ খেমা কৰিবলৈ ইশ্বৰৰ ওপৰত গোচৰ কৰিব পাৰা নে?

লুইচা । নোৱাৰোঁ; জদি ইশ্বৰে মোক বিনাস কৰে, তেও তেঁওৰু স্বৰুপ বোলা জাব ।

প্রচাৰক । বাৰু, লুইচা, তুমি খ্রিষ্টৰ নিমিত্তে সংসাৰিক লগৰিয়াবিলাক আৰু সুখ আদি সকলোকে এৰি ত্রান কৰ্ত্তাক মানুহৰ আগত সৈ কাৰ্হি তোমাৰ আগৰ বন্ধুবিলাকৰ পৰা লাজ পোৱাতো সদ আচৰন আৰু সদ কৰমত কাল নিয়াবলৈ তোমাৰ ইচা আছে নে?

লুইচাই অলপমান ৰৈ, পাচে উত্তৰ দি কলে, সকলোকে এৰিবলৈ মোৰ কিছু সংসই থকাৰ ভই আছে ।

পাচৰ সপ্তাহত আগৰ দৰে গোট খাইছিল, কিন্তু লুইচা অলপমান জাৰ হোৱাৰ কাৰনে সিবিলাকৰ লগত নাছিল । আৰু এক সপ্তাহ গলত তাই আকও আপুনি দেখা দিলে, কিন্তু তাইৰ ধৰমৰ উচাহ কম হোৱা বুজি মোৰ মনত বৰ দুখ লাগিল; কিয়নো ধৰম আত্মাই তাইক এৰিলে । সেই দিনৰ পৰা মই লুইচাক মোৰ ঘৰত আকও দেখিবলৈ নে পালোঁ; কিন্তু এনেকুৱা গোট খোৱা ভালেমান দিন থকাত লুইচাৰ মিতিৰ কেতবিলাক প্রভু য়িচুৰ সিদ্য হল বুলি মোৰ আনাৰ কাৰন আছে ।

দুই তিনি মাহৰ পাচত লুইচা নৰিয়া হোৱাত মোক দেখিবলৈ ইচা কৰি বাত্রা পঠালে । এই কথা সুনিবৰ অলপৰ পাচত মই তাইৰ খোঁটালিত সোমালোঁ । লুইচাৰ বৰকৈ পানি লাগি জৰ হল । মই খোঁটালিত সোমাই তাইৰ মন উদ্বিগ্ন হোৱা দেখি তাইত সুধিলোঁ; লুইচা, তুমি কেনে আছা? তাই আপোনাৰ মুখ হাতেৰে ঢাকি বৰকৈ কান্দিবলৈ ধৰিলে । তাইৰ মনত এনে দুখ দেখি মই সান্তনা দিবলৈ চেষ্টা কৰিলোঁ । কিন্তু লুইচাই কলে, মহাচই, মই নৰিয়া হৈছোঁ, কি জানি মৰিম, ধৰমিয়া ন হলোঁ জেন জানোঁ; হাই হাই, এনে মন হোৱাত মই জদি মৰোঁ, মোৰ কি গতি হব? মোৰ কি হব? এনেকৈ কঁওতে তাইৰ চকুৰ লো বৈ গল ।

মই কি কম, তাক নে জানিলোঁ । লুইচাই জি জি কলে, সেই সকলো স্বৰুপ; তাই বৰ বেমাৰ আছিলে হই, আৰু লগতেই বাতুল হব পাৰে, কি জানি মৰনো ওচৰ হল; লুইচাৰ মনত এইবিলাক ভাবনা লাগিল । জৰে পুৰি পুৰি আছিল, কিন্তু ওচৰ হোৱা ইশ্বৰৰ সোধক সুঁৱৰি তাই নৰিয়াৰ সকলো দুখ পাহৰিলে ।

মই ত্ৰান কৰ্ত্তাৰ প্ৰেমৰ কথা কলোঁ; মন পালটোআৰ কাৰনে বহু সুনিৱা অঙ্গিকাৰৰ কথা বুজালোঁ; ধৌৰ্জ্জেৰে তাইৰ আত্মা ত্ৰান কৰ্ত্তাৰ হাতত সোধাই দিবলৈ মই অনেক উপাই দেখুআলোঁ; কিন্তু মোৰ সকলো কাৰ্বাৰ নিস্ফল হল ।

তাইক এনেকুআ দেখাতে মনত বৰ দুখ পালোঁ । সৰিলৰ টান জৰ, আৰু উগুল থুগুল হোআ মনৰ বেদনাৰ কাৰনে তাই নি জিৰোআকৈ কেঁকালে ।

পাচৰ দিনা মই লুইচাক আকও দেখিবলৈ গলোঁ । খোঁটালিত সোমাই মই প্ৰথম দৰ্শনত নিৰসাৰ আক্ৰিতি মুখত দেখি, মনতে ভাবিলোঁ, হাই হাই, দুৰ্ভগিয়া চোআলি ! সাত্ৰ মেলি তাইলৈ মই ধন বই কহাঁওতা পুতেকৰ কথা পঢ়িলোঁ ।

লুইচাই কলে, হাই হাই, মহাচই, এই অঙ্গিকাৰৰ কথা মোৰ নিমিত্তে কোআ ন হই, এনে মই ভাবিচোঁ । মোৰ দুখ পোআ আত্মাৰ নিমিত্তে কোনো সান্তনা নে দেখোঁ, মোৰ পাপ খেমা হোআ হলে, মই কিমান আনন্দ পালোঁহেঁতেন, কিন্তু এতিয়া হাই হাই ! এই কথা কঁওতেই তাইৰ মাত জিকাৰ মাৰি বল । তাই এতিয়া মৰিব বুলি বিচনাৰ চাৰিও ফালে থকাবিলাকৰ ভই হল । পাচ দিনা ৰাতি পুআ মই লুইচাৰ খোঁটালিলৈ গৈ তাইৰ মুখত অতি নিৰসাৰ চিন দেখিলোঁ । ম্ৰিত্যু ওচৰ বুলি জানিলোঁ । তাইৰ সগৰিয়া মিতিৰবিলাক বিচনাৰ চাৰিও ফালে আচিল । সৰিল ভাল থাকোঁতেই মৰনলৈ জুগুত হবলৈ লুইচাই সিবিলাকক চেতনা কৰিবৰ নিমিত্তে বৰ চেনেহেৰে কলে, বোলে, মই জানোঁ, জি কোনোএ অকপট মনেৰে পাপৰ নিমিত্তে খেদ কৰে, সিবিলাকক ইশ্বৰে পাপৰ খেমা কৰিবলৈ জুগুত আচে: কিন্তু মোৰ খেদ পাপৰ নিমিত্তে ন হই, অকল পাপৰ সাস্তিৰ নিমিত্তেহে আচে ।

আবেলি বেলা মই আকও গলোঁ । তাই বলিয়াৰ দৰে গিয়ান হেৰুআ দেখিলোঁ । সকলৰে চকুৰ লো বৈ বৈ পৰিলতো লুইচাই সিবিলাকৰ সোক আৰু ক্ৰন্দন নে দেখিলে, আৰু নু সুনিলে ।

পাচ দিনা ৰাতি পুআ মই লুইচাৰ কথা সুধিবলৈ গৈচিলোঁ, আৰু তাই মৰিল, এনে উত্তৰ সুনিলোঁ ।

মই সুধিলোঁ, মৰনৰ আগেয়ে লুইচাই আকও গিয়ান পোআ নাই নে ? সিহঁতে কলে, তাইৰ উসাহ জোআ অলপৰ আগেয়ে গিয়ান পোআ জেন দেখা হল; কিন্তু তেতিয়া মৰাৰ সিচিনা হোআত তাই জি জি কলে, আমি বুজিব নোআৰিলোঁ ।

লুইচাৰ সৰিল এতিয়া মাটিত লিন হৈ গৈচে; আৰু তাইৰ আত্মা জি ঠাইত আচে, ভাল হওক বা বেয়া হওক কেতিয়াও সেই ঠাই সলাব নোআৰে ।   G. D.



দেস বিদেসৰ বস্তুৰ মহা দৰ্সন ।

Opening of the Great Exhibition.

সমাচাৰ দৰ্পনত লিখিচে, সেই মাহৰ সম্বাদ পত্ৰ বিলাইতৰ পৰা আহি, মহা ৰানিৰ পতি প্ৰিঞ্চ আলবৰ্ত্তে জি মহা দৰ্সন পাতিচে, তাৰ বাহিৰে প্ৰাই একো বাত্ৰা ন কই । প্ৰিথিবিৰ স্ৰিষ্টি হোআৰে পৰা কোনো সময়ত কোনো দেসত এনেকুআ অতি অপুৰ্ব সম্পতি জুক্ত, ঐশ্বৰ্জ্জৰ প্ৰকাস, আৰু মনক মোহা কৰম কেতিয়াও মানুহে দেখিবলৈ পোআ নাই ।

ইঙ্গলণ্ড দেসত থকা ভদ্র ডাঙ্গৰ লোক, আৰু জগতৰ বিদ্যাৱন্ত, জসস্যা পোআ সকলো প্রধানবিলাকে অমৰাৱতিৰ তুল্য সেই আচৰিত দিপ্তিমন্ত আৰু সোভিত বেলোলৰ তলাতিল ঘৰত সেই মাহৰ প্রথম দিনত গোট খাই অনেক ৰাজ্যৰ অধিপতি মহা ৰানি বিক্তৰিয়াৰ ওচৰলৈ গৈ আপোন ৰিতি অনুসৰি সম্ভ্রমেৰে বিনই ৰূপে সম্ভাসা কৰিলে। সেই মহা দৰ্সনৰ জি সম্মতি, তাৰ প্রতাপ, ঐশ্বৰ্জ, আৰু সোভা কথাৰে মানুহে বৰ্নাব পাৰে, তথাপি সেই লোকবিলাকৰ মাজৰ কোনোৰ জি অহঙ্কাৰ, কোনোৰ জি নম্র ভাবনা, কোনোৰ জি ধৰম কথা, স্বদেসলৈ কোনোৰ জি প্রিতি, এই সকলো কথা বৰ্নাবলৈ বাক্‌পতিৰো অসাধ্য। সেই ঘৰৰ ভিতৰত অনেক দেসি ডেৰ কুৰি হেজাৰ মুনিহ তিৰোতাবিলাকে অনেক অলঙ্কাৰ ভাল বস্ত্র পিন্ধি আনন্দ মনেৰে ফুৰি প্রিথিবিৰ অপূৰ্ব চমত্‌কাৰ বজাৰ দেখি, সকলো চকু ত্রিপ্তি কৰা হল। ঘৰৰ বাহিৰে প্রাই পাঁচ লাখ মানুহে মহা ৰানিক জয়ধনি কৰাৰ সবদে প্রিথিবি আৰু আকাস জুৰিলে। কিন্তু সেই কথা লিখিবলৈ আমাৰ প্রয়োজন নাই, কিয়নো মহা ভাৰতত তাৰ বিবৰন সুন্দৰ ৰূপে লিখা আচে; দুই এক কথা মাথোন তাৰ-তম্য কৰা হল।

সেই খানে গৈ আমি সব সব নাৰি,
দেখিলোঁ অদ্ভুত কৰ্ম কহিতে না পাৰি;
তাৰ অন্ত নাহিক, নাহিক পৰিমান,
মনোনিত সেই সভা ৰানিৰ নিৰ্মান।
চন্দ্র সূৰ্জ জিনি সিতো সভা প্রকাসিচে,
সভা দেখি চকু নে জাই, লণ্ডনে সোভিচে;
সিল্প ভত্ত দ্রব্য সব দৰ্সকে দেখাই,
সুখে প্রজাগনে থাকে দেখিয়া তথাই।



পুৰনি অসম বুৰঞ্জি, নং ১২ ।

Dihingia Roja—War with the Kacharis.

লাকনি প্লেকচি (৪৬) সকত আহোমৰ দিনত ৰজা দেৱে চুলেং চাৰিঙ্গ ৰজাকে, থাওমুংচেনৰ, বৰুচেনৰ, এই তিনিক নামৰূপত থাকিব দিলে। লাকনি কাত্তচেও সকত খামজাঙ্গৰ পৰা সৰাই আহি ৰজা দেৱৰ আগত গোচৰ দিলেহি; বোলে, নগাৰ নিমিত্তে সি ঠাইত বব নোআৰোঁ, বৰ জোঁট কৰিচে, পাচে ৰজা দেৱে সুনি থাকিল। নগা গাঁৱৰ লেখা, মলোন ১, নঙ্গু ১, লুকনা ১, তাৰু ১, এই সকল ভাটিৰ গাঁও; পাপুক ১, খামতেন ১, চিতু ১, চিক ১, এই কেই খন উজনিৰ গাঁও। দুই ঠাইৰ নগা এঠাই হৈ জুধ ধৰিব খোজে, বোল বচনো ন কৰে; ৰজা দেৱে এই কথা সুনি, ত্যাওচুত্যেও, থাওমুংমুং, খুচংতাং, চুকুংৰিন, এই সকলক পঠাই নগাক ধৰিব দিলে। আৰু ত্যাওচুলুঙ্গক পঠাই ফাকাই ১, তাইচিতুং ১, চিৰিং ১, এই তিনি নগা গাঁৱক ধৰিব দিলেগৈ; পাচে আগে পঁচাবোৰে নামৰূপ পাই গৰ দি জাখুং নগাক জুধ ধৰি পালে। পাচে ত্যাওচুত্যেও নবিয়া পৰি ওলাই আহিল, চুলেংচাৰিঙ্গ ৰজা ডাঙ্গৰিয়া সকলে সৈতে নগাক জুধ জিনিলে। চুকাফা ৰজা দেৱে থৈ অহা হাতি টঙ্গি খন খামজঙ্গিয়া সৰাই চুলেংচাৰিঙ্গ ৰজাৰ হাতত দিলেনি। পাকুং নামে গাঁৱত এই কথা।

তাৰ পৰা আমাৰ সকলো খামজাঙ্গলৈ আহিল। পাচে খামজঙ্গিয়া সৰাই ঘোঁৰা আঠোটা, খেহ কাপৰ আঠ খন, এই দ্রব্য ৰজা দেৱলৈ দি পঠালে। পাচে চুলেং চাৰিঙ্গ ৰজা মুংজাঙ্গলৈ আহিল, তাৰো পৰা মুংখুঙ্গলৈ আহিল, তাৰো পৰা কাংত্যেওলৈ আহিল, তাৰ পৰা কাকেওলৈ আহিল। পাচে ফাকেও ৰজাৰ ঠাইলৈ চুলেং চাৰিঙ্গ ৰজা লাওজাংমাক বৰাই আনিবলৈ আমাৰ কটকি পঠালে। আমাৰ কটকিএ সিইতক বৰাই খামজাঙ্গলৈ আনিলে। চুলেং


চাৰিঙ্গ ৰজা খামজাঙ্গৰ পৰা মেচৌন এস আনি পৰ্ব্বতত সেৱা কৰিলেহি ৰজা দেৱক। লাকনি খুতচিঙ্গা শঁকত ৰজা দেৱে চুক্লংফা তিপাম ৰজাকে, চুতেং নামৰুপিয়া ৰজাকে, বৰ গোঁহাই ত্যাওচুলুং চেনবক, এই সকলক জাকতুঙ্গলৈ পাঁচিলে; পাচে ৰজা দেৱে খাওমুংকতকেৰে গৈ জাকতুঙ্গত ৰলগৈ। পাচে চুলেঙ্গ চাৰিং ৰজাকে চুখ্ৰুং সৰু গোঁহাইকে নামচঙ্গিয়া নগা গাঁৱত থাকিব দিলেগৈ। নগা গাঁৱৰ লেখা, জাকতুঙ্গ ১, চাঙ্গান ১, জুনফান ১, চান্তাই ১, এই কেইগাঁৱৰ নগা জাকতুঙ্গিয়াৰে এটাই হৈ তাৰসঙ্গিয়াত সোমালগৈ। পাচে সকলো নগা ভাগি গৈ বৰকনাত সোমাৱৰ দেখি, চুক্লংফা তিপাম ৰজা সৈন্যে সহিতে ৰাতিএ তাৰ পৰা উলটি আহি তাতে আমাৰ বৰ হিলৈ চাইটা এৰি আহিল। পাচে চুহুম্ফা ৰজা দেৱে সৈন্যে সহিতে তাৰ পৰা উলটি আহি গৰগাঁৱত থাকিলহি; পাচে নগাই বৰ হিলৈ এটা ভেঁটি পঠালে।

ৰজা দেৱে গৰগাঁৱৰ পৰা দিহিঙ্গলৈ গল; আত পাচে ৰজা দেৱে ত্যাওচুডেঙ্গক জুধৰ সেনাপতি পাতিলে। ত্যাওচুলেং চাৰিঙ্গ ৰজা, খাওমুংকতক, চুহনক, চুডাং, কুংৰিং, তাইমুংক্লাং, এই সকলক কচাৰিৰ নেওচুং ৰজাক জুধ কৰিবলৈ পঠালে, ইবোৰেও গৈ মৰঙ্গিত ৰলগৈ। চুক্লংফা তিপাম ৰজা, তংখাম বৰ গোঁহাই, তাইমুংলুঙ্গ, এই তিনিএ ৰজা দেৱৰ লগ ললেগৈ। পাচে বৰ পাত্ৰ গোঁহাই নগা জুধৰ পৰা আহি ৰজা দেৱৰ লগ ধৰিলেহি। পাচে বৰ পাত্ৰ গোঁহাইকো, বৰ গোঁহাইকো, ত্যাওচুডেঙ্গকো, চুলেং চাৰিঙ্গ ৰজাৰ লগত ভৰ দিব দিলেগৈ। পাচে বানকু গাঁৱত চুতেং নামৰুকিয়া ৰজা, চুলেং চাৰিঙ্গ ৰজা, বৰ পাত্ৰ গোঁহাই, এই তিনিএ গৈ কোঁঠতে ধৰিলেগৈ। তংখাম্ বৰ গোঁহাই, থাওমুংকতক, চুডেঙ্গ, মুংনুং, মুংক্লাং, এই সকলক দৈয়াঙ্গৰ বাটে বাম ফালে পঠালে। চুহনন জইপতি কুমৰ, লেচাই ডামুলি, ত্যাওচাংবাই, এই সকলক কোঁ ফালে পঠালে; এই দৰে দুয়ো ফালে নাৱে উজাই গল। পাচে থাওমুং মাংলাই, জইপতি কোঁঅৰ, এই দুয়ো নাৱেৰে খেদি গৈ গৰত ধৰিলেগৈ। পাচে কচাৰিএ তিনটা ঘোঁৰাৰে বাম্লিলৈ খেদি আহি আমাৰ লোকক বোলে, ঘোঁৰা ৰুপ আনিচোঁ, তইঁতে নাও চপাই লহি আহ, এই বুলি কচাৰিএ আহি বৰ হিলৈ মাৰিব ধৰিলে। পাচে আমাৰ লোকে পানিৰ মাজৰ পৰা দেখি ভৰ দি ধৰিলেগৈ। পাচে কচাৰি ৰজা খমকি এক চুকে ৰল। পুৰ্ব্বৰ হিলৈ মৰা গুলি লাগি আমাৰ মানুহ এটা মৰিলে। তংখাম্ বৰ গোঁহাই ১, খাওমুংকতক ১, এই দুজনাই জুধ কৰিলেগৈ, পাচে বানফু গাঁৱত ৰলগৈ। আমাৰ মানুহ দুই চাৰি ঘা খাই আহি, গোঁহাই দেও দুজনাতে বৰ পাত্ৰৰ আগতে কলেহি। পাচে সিবোলাকে এই কথা সুনি চুলেং চাৰিঙ্গ ৰজাক সিবোৰৰ লগত ভৰ দিব দিলেগৈ; চুলেং গোঁহাই দেৱো পালতগৈ কচাৰি ভাগি পলাল। পাচে আমাৰ মানুহে খেদি গৈ কচাৰিক কাটি নংলাপলৈ উলটি আহোঁতে তিৰতাপাই নামে কচাৰি এটা জিয়াই ধৰি আনি তাত সুধিলে, বোলে, তোৰ ৰজা কত আচেগৈ! সি বোলে, দহৈলগিৰি পৰ্ব্বতত আচেগৈ গৰ কৰি, নাৱৰ মাৰ ৰাখি জতন হৈ আচে পাৰ হবলৈ বুলি। পাচে আমাৰ লোকে নামডিমা জানে উজাই গৈ পালেগৈ। পাচে তাৰো পৰা কচাৰি ৰজা গৰ এৰি পলাই লেঙ্গুৰিয়াত ৰলগৈ। তাৰো পৰা নগৰলৈ গল, আমাৰ লোকে পাচে পাচে খেদি গৈ ইটাৰ নগৰ পালেগৈ। পাচে নেওচুং কচাৰি ৰজা নগৰ এৰি পলাই ডেমেৰা পালেগৈ; ডেমেৰা নগৰকো এৰি পলাল। চুক্লংমুং তিপাম ৰজা ডাভাঙ্গৰিয়াই সৈতে সুদা নগৰহে পালেগৈ; দুজনা কোঁঅৰো ৰাজ্যে সমনিতে প্যাচত পালেগৈ। পাচে সমস্ত লোকে সুদা নগৰত কচাৰি ৰজাৰ তিনি জনি কুঁঅৰি পালে, ৰজাৰ মাককো পালে। নেও-

চুং কচাৰি ৰজাৰ পুতেক মাতাম্নুৰৰ মুৰ কাটি আনি মাকক দেখালেহি, বোলে, তোৰ পুতেৰৰ মুৰ হই ন হই! মাকে বোলে হই; এই বুলি কলত মাককো খুঁচি মাৰিলে। পাচে আঙ্গৰিয়া সকলে নেওচুং কচাৰি ৰজাৰ সোন ৰুপৰ ডগু, সোন ৰুপৰ খাট, সোন ৰুপো বিস্তৰ পাই আনি, কুঁহিয়াৰ বাৰিত ৰজা দেৰেক দিলেহি। পাচে ৰজা দেৰে সৈন্যে সৈতে আপোনাৰ ৰাজ্যলৈ আহি, শ্লেফু শ্লেভাম কৰিলেহি। পাচে নেওচুং কচাৰি ৰজাৰ মুৰ আনি পৰ্বতত মুণ্ড মালা বান্ধিলেহি।

মাটিত খানি উলিওৱা ৰুপ ।

Coins dug up at Rongpur and Gorgaung.



Rupee of the Mogul Emperor Shah Jehan, struck at Patna, A. D. 1631.

পণ্ডিতবিলাকে এই ৰুপে ইয়াক পৰ্হে, বাদ্স্যা গাজি স্যা জেহান সোহাব উদিন মহমদ চাহেব কেৰান চানি, ১০৪১; অৰ্থাত মহা ৰজা স্যা জেহান সোহাব উদিন মহমদ দুতিয় দৈবাধিকাৰ, মচলমানৰ সঁক ১০৪১; ইং সঁক ১৬৩১। সি কালে, লা এলাহ এলালাহ মহমদ ৰচুলালা, অৰ্থাত পৰম ইস্বৰ এঅনাৰ বাহিৰে আন ইস্বৰ নাই; আৰু মহম্মদ ইস্বৰৰ পাইকম্বৰ। জৰ্বে পাটনা এলাহি চহৰ নুৰমাহ! ৪; অৰ্থাত ভোগৰ ৪ বচৰত পাটনা চন্দ্ৰমই ঐস্বৰিক নগৰত মৰা ৰুপ।



Char-yari Rupee of Shah Juhan, struck at Agra, A. D. 1639.

বাদস্যা গাজি স্যা জেহান সোহাব উদিন চাহেব কেৰান চানি, জৰ্বে আকবৰাবাদ ১২; অৰ্থাত মহা ৰজা স্যা জেহান সোহাব উদিন দুতিয় দৈবাধিকাৰ, ভোগৰ ১২ বচৰত আগৰা নগৰত মৰা ৰুপ। সি লুটিৰ ভিতৰে, লা এলাহ এলালাহ মহমদ ৰচুলালা; ১০৪৮, অৰ্থাত ইং সঁক ১৬৩৯। আৰু বাহিৰ ফালে মহমদৰ চাৰি য়াৰ, অৰ্থাত চাৰি মিত্ৰিৰৰ নাম; চাদেক আবুবিকৰ, ও আদল ওমৰ, নাদৰ মিৰ ওস্মান, ও অলিম আলি; অৰ্থাত পৰমাৰ্থিক আবুবিকৰ, নিয়ায়ৱন্ত ওমৰ, শ্ৰেষ্ট অধিকাৰ ওস্মান, আৰু বিদ্যাৱন্ত আলি; এই কেইটা নাম লিখা আচে।



Rupee of the Emperor Aurungzeb, dug up at Gorgaung. Struck A. D. 1664?

আলমগিৰ আওৰংজেব স্যা দৰ জেহান জো বদ্রে মনিৰ; অৰ্থাত জগতৰ অধিকাৰ আওৰংজেব স্যা, প্ৰিথিবিৰ মাজত চন্দ্ৰৰ তুল্য। সি লুটিএ, মানুচ মইমানত জলুচ সন, অৰ্থাত সুভাগ্য ভোগৰ অমুক বচৰ। ভোগৰ বচৰ ৭ জেন দেখি। আনবোৰ সঁক খই গল।



Rupee of the Emperor Aurungzeb, struck A. D. 1697.

আলমগিৰ আওৰংজেব স্যা, জদ জো বদ্রে মনিৰ চিকা দৰ জেহান ১১০৮; অৰ্থাত জগতৰ ৰজা আওৰংজেব স্যা, প্ৰিথিবিৰ মাজত চন্দ্ৰৰ নিচিনা তৈঁওৰ মোহৰ; ইং সঁক ১৬৯৭। সি লুটিএ, মানুচ মইমনত জলুচ সন ৪০ জৰ্বে আতাৰা; অৰ্থাত সুভাগ্য ভোগৰ ৪০ বচৰত আতাৱা নগৰত মৰা ৰুপ।

স্যা জেহানৰ অৰ্থ, প্ৰিথিবিৰ ৰজা; আওৰংজেবৰ অৰ্থ, সিংহাসন সোভিত কৰোঁতা। ॥

কুট অঙ্কৰ গননা ।

Arithmetical Questions.

১ । চাইটা নলা থকা এটা মুকান পুখুৰিৰ তিনটা নলা মাৰি থৈ পুবৰটো মেলিলে এদিনে পুখুৰি পুৰ হই; আন তিনটা মাৰি দখিনৰটো মেলিলে দিনৰ আধাৰে পুৰ হই; এই ৰুপে পচিমৰটো মেলিলে দিনৰ তিনি ভাগৰ এভাগে পুৰ হই; উত্তৰৰটো মেলিলে দিনৰ চভাগৰ এভাগে পুৰ হই; চাৰিওটা একে বাৰে মেলিলে দিনৰ কিমানে পুৰ হই?

উত্তৰ ।

পুবৰ নলাই পানি সোমাই এদিনত ১ পুখুৰি পুৰ হব; দখিনৰটেৰে ২ পুখুৰি পুৰ হব; পচিমৰটেৰে ৩ পুখুৰি, আৰু উত্তৰৰটো নলাৰে ৬ পুখুৰি পুৰ হব; মুঠে আটাই নলাৰে এনে ১২ টা পুখুৰিৰ পানি এদিনত সোমাই; তেন্তে দিনটৰ ১২ ভাগৰ এভাগে আটাই নলাৰে এক পুখুৰি পুৰ হব ।

২ । দুজন বেপাৰি বেহালৈ গৈ এটা মানিকৰ উত্তম আঙ্গঠি দেখি দুইটাৰ লবৰ বাঞ্ছা হোআত তাৰ দাম ১১০০ আধেৰ স টকা হই; তাতে সম্পুৰ্ন ৰুপে এজনৰো ন থকাত এজনে কলে, তোমাৰ মোট টকাৰ ২৩ ভাগৰ ১১ ভাগ দিয়া, তেহে মোৰ ধনে সৈতে ১১০০ টকা হব, মই আঙ্গঠি লম । আনটোএ বোলে, তোমাৰ মোট টকাৰ ১১ ভাগৰ তিনি ভাগ দিয়া, তেহে মোৰে সৈতে ১১০০ টকা হব, আঙ্গঠি কিনি লম । সিবিলাকৰ কাৰ কিমান টকা আছিল, তাক কব লাগে ।

উত্তৰ ।

এটাৰ হাতত ৬৬০ টকা আছিল; সিটৰ হাতত ৯২০ টকা ।

৩ । এটা সদাগৰে এখন নাও লৈ, ১৩৭-২৫৭ টকা সঙ্গে নি বেহালৈ গৈ, প্ৰথমে এক জিলাত বেপাৰ কৰি ৭ গুন লাভ পাই, তাৰ মাজৰ কিছু টকা আপোন ঘৰলৈ পঠাই; বাকি টকা লৈ পুনৰ এক জিলাত বেপাৰ কৰি পুৰ্বৰ দৰে ৭ গুন লাভ পাই, তাৰে পুৰ্বে পঠোআ সমানে টকা ঘৰলৈ পঠাই; সেই টকাৰে আকও আন জিলাত বেপাৰ কৰি পুৰ্বৰ সমান লাভ পাই পুৰ্বৰ দৰে ঘৰে পঠাই; এই ক্ৰমে সাত জিলাত বেপাৰ কৰি ৭।৭ গুন লাভ পাই, ৭ বাৰ সমানে ঘৰলৈ হুণ্ডি কৰি সেসত সদাগৰৰ হাতত কিচু নে থাকিল; সুদা নাৱেৰে ঘৰলৈ গল । কত টকা হুণ্ডি কৰিলে? মোটে বা কত টকা লাভ হল? ইয়াৰ সংখ্যা দিব লাগে ।

উত্তৰ ।

সাতক সাতেৰে সাত বেলিলৈকে পুৰিব লাগে, ৭×৭×৭×৭×৭×৭×৭=৮২৩৫৪৩, ইয়াক বেলিএ বেলিএ ঘৰলৈ পঠোআ ধনৰ সংখ্যা বুজিবা ।

৪ । এজন গিৰিহতে ২০ টকা ৰুপ দি ২০ পুৰা মাটি কিনিলে; কেতখনি বাম, কেতখনি ৰুপিত । এপুৰা বাম আৰু এপুৰা ৰুপিত মাটি, এনে দুই পুৰাৰ মোট দাম ২০ টকা । সেই গিৰিহতে কিমান বাম আৰু কিমান ৰুপিত মাটি কিনিলে, আৰু বিধে বিধে কি ভাৱে ললে?

উত্তৰ ।

সি বাম মাটি ১ হালচা ৩ কঠা, আৰু ৰুপিত ১৯ পুৰা ২ হালচা ২ কঠা কিনিলে; বাম মাটিৰ দৰ পুৰাত ১৯ টকা ১৵ অনা, ৰুপিতৰ দৰ পুৰাত ৷৷৵ অনা; সেই বাম মাটি ১ হালচা ৩ কঠাত ৭ টকা ৫ মহা দিলে, ৰুপিতত ১২ টকা ৷ মহা, মোটে ২০ টকা দিলে । বুজা ভাই, ঘৰৰ ভেঁটিলৈ বাম মাটি একেৰি মৰগকৈ ললে । ॥



নগাঁৱত মাউৰ লগাৰ কথা।

Cholera at Nowgong.

জুন মাহত জিলা নগাঁৱত মাউৰে ধৰাত অনেক মানুহ মৰিচে। সদাই মানুহ মৰা দেখি মানুহবিলাকৰ মনত সুখ সাতি নাই। কেৱল অখিৰ হৈ মনত বৰ ভই লাগি মানুহবিলাকে বোলে, আমিও নো এই বেলি জিম নে! মৰাবোৰ মৰিচেই হই, কিন্তু আমাৰো এই বাৰ জিয়াৰ আগন্তুক নাই, এনে পৰাচত জিম জেন বুলি কেৱে আসা ন কৰিবাইক, কি জানি এই বাৰতেই ইস্বৰে সকলোকে সংহাৰ কৰে, সকলোএ গোট খাই ইস্বৰৰ নামকে লঁওইক। এই বুলি মানুহবোৰে গোট খাই সৰা তিৰোতা ডেকা বুৰা সকলোএ সভা পাতি গাঁৱে গাঁৱে দুয়ো বেলা নাম লৈচে। আৰু বঙ্গালিবোৰেও গোট খাই তাল ম্রিদঙ্গ লৈ ৩ বজাৰ পৰা ৰাতি ৮।৯ বজালৈকে নগৰৰ আলি বাটে বাটে কিৰ্ত্তন কৰি কৰি সেসত গাঁৱলৈ জাই। পাচে চোতালতে বা পদুলি মুৰতে আটাইবোৰে তাল খোল বজাই হাত দাঙ্গি ঘুৰি ঘুৰি কিৰ্ত্তন কৰি থাকোঁতেই ঘৰৰ পৰা গিৰিহঁতে আনি চেনি, বা বাতাচা, বা আন ভাল উপহাৰ বস্তু হৰিৰ লুট বুলি সকলোৰে মুৰৰ ওপৰত সিঁচি সিঁচি দিএ; পাচে মানুহবোৰে বুটলি বুটলি খাই। আৰু পল্টনিয়াবোৰে হলে পাৰ, চাগলি, হাঁহ, আৰু নৈবেদ্য সৈতে গোটাই লৈ কলঙ্গ নদি লৈ নি পানিৰ ওচৰতে পূজা দি প্ৰাৰ্থনা কৰি তাতে এৰি আহে। এই মতে জেয়ে জিহকে হই, তাকে কৰিচে, কিন্তু এইবোৰ কৰাত উপসাম হোআ নাই, মৰিহে আচে, অচমিয়া উপাইৰ পৰা এটিও ৰখ্যা পোআ নাই; কিন্তু পাদুৰি চাহাবৰ পৰা কিচু মানুহ জিচে। সেয়ে নো কেনেকৈ জিচে, শ্রীজুত ব্রুন্ চন চাহাবে আমেৰিকাৰ পৰা আহোঁতে, তেঁও নতুন ভাল দৰৱ কিচু লৈ আহিচিল; সেই দৰৱকে নি জি জি খুআইচেনি, সেয়ে ৰখ্যা পৰিচে, আৰু ওচৰৰ চাৰিও ফালে জি জি পৰিচে, তাক হলে শ্রীজুত ইস্তদৰ্দ পাদুৰি চাহাবেও দেৱাই দিএ, দেৱাই খুআই ঘনে ঘনে বাত্রা লৈ থাকে; তেও জদি পেট আই, বা বাঁতি হই, আকও আন ৰকমৰ দেৱাই খুআই, বেলিএ বেলিএ চাহাবে নিজেই গৈ হাত ভৰি পিটিকি চাই তদাৰক কৰি থাকে। আৰু ইস্কুলৰ লৰা গোটা চাৰেক পৰিচিল, সেই দৰে চাহাবে মেমে দুয়ো দেৱাই দি তদাৰক কৰি ভাল কৰিলে। আৰু সকলোতে কৈচে, জাৰ জাৰ বেমাৰ হই, মোৰ এখেৰ দেৱাই নি খুআবাগৈ। এই দৰে আমাৰ চাহাবে মেমে ব্রুনচন চাহাবেও সকলোৰে ৰখ্যাৰ উপাই চিন্তিচে। ম.

অনেক দেসৰ সম্বাদ।

Journal of Events.

এপ্রিল মাহৰ অৰুনোদইত ব্রহ্মপুত্রৰ গৰাত ধন পোআ কথা লিখা হৈচিল। সেই কথা বিচাৰ কৰ্ত্তাৰ আগত সোধ পোচ কৰাত আউনিয়াটিৰ চাউল ভঁৰালিএ সেই ধন কাঢ়ি লোআৰ অপৰাধ পালত ৩ বচৰ, আৰু লগৰ ভকত জন চাৰেকক ১ বচৰলৈ ফাটক দিলে।

গুআহাটিত থকা কেঁয়া লোকে ডাপ জাহাজৰ দোআৰাই চন্দুকত ধন ভৰাই কলিকতালৈ পঠালত তত লোআ গৰাকিএ চন্দুক মেলি ইটা ভোখৰ চাৰেক ভৰোআ মাথোন পালে। পাচে গুআহাটিত ডাপ জাহাজৰ বস্তু ৰখা জি কেৰানি চাহাব, তাৰ গাত চোভা পাই সোধ কৰ্ত্তাৰ আগলৈ নিলে। এতিয়া আমি সুনিচোঁ, তাক পঞ্চায়ত লোকে অপৰাধৰ ৰাই দিয়াত সোধ কৰ্ত্তাই ৭ বচৰ ফাটকৰ জোগ্য বুলি থিৰ কৰিলে।

ভাটি ফালে কাপ্তান ৰবিঞ্চন নামে এজন চাহাবে হাবিত চিকাৰ কৰোঁতে এটা বৰা গাহৰি বেগেৰে আহিবৰ দেখি চিটা গুলি ভৰোআ হিলৈ মাৰিলত গাহৰিৰ আৰু খঙ হৈ খেদি আহি চাহাবক কামুৰি পেট ফালি মৰিব লগাকৈ এৰি গল।

লখিমপুৰৰ পৰা এই কথা পত্ৰত লিখিচে, এই বচৰৰ জেঠ মাহত বাণ্টৌ গাঁৱৰ এটা মানুহে আহু ধান নিৰাবলৈ জাঁওতে বাটত এটা বনৰিয়া মহে কৰঙনে খোঁচ মাৰি তপিলাবৈলেকে মঙ্গহ ডোখৰ ওভোতাই পেলালে: আৰু সিটো ভৰিৰ গোৰোআই দি সিঙ্গ সুমাই আঁচুলৈকে মঙ্গহ ডোখৰ সিঙ্গতে নিলে। মূৰৰ পোনে ২।৩ খোঁচ মাৰিলে, গালে দি সিঙ্গ মাৰি মুখে উলিয়ালে; পাচে দু দিনৰ মূৰত মৰিল। সেই মহটো জিলাৰ শ্ৰীজুত হল্ৰইদ চাহাবে গুলিয়াই মাৰিলে।

আৰু গৰমূৰৰ ওচৰত এটা মানুহক গঁৰ এটাই খৰগেৰে পিটি ফালে মাৰি, তল পেটে উলিয়ালে। সেইটো মানুহক লখিমপুৰ জিলাৰ ডক্তৰ চাহাবে দৰৱ দি এমাহলৈকে ৰাখিচে।

জেঠ মাহতে আৰু এটা মানুহৰ পাচ ফালে দি গুলি লাগি তপিলাই দি ওলাই বাজ হৈ গল; তাকো ডক্তৰ চাহাবে দৰৱ দি ভাল কৰিলে, এতিয়া সি আগৰ নিচিনাকৈ বন বাৰি কৰি ফুৰিচে।


ডিবুৰুগৰ জিলাৰ ওচৰত এটা বৰ মৰলি সাপে পহু ধৰি এডোখৰ গিলি থাকোঁতে মানুহে দেখা পাই ৰাত্ৰা কলত শ্ৰীজুত ইদন নামে কাপ্তান চাহাবে গৈ দেখি তাৰ জোখ পোত কৰি চিকৈকে নকচা লিখিলে।

৮ জুনত বম্বাই নগৰত থকা এটা পাচি মানুহে পেট বোআ দৰৱ বেজ ঘৰৰ পৰা কিনিবলৈ চাকৰ পঠোআত দৰৱৰ গৰাকিএ ভুল হৈ কাফিঙ্গৰ জোল দি পঠালে, তাকে খালত এঘণ্টাৰ পাচে সেই মানুহ মৰিল। জিমান কাফিঙ্গ আনিচিলে, সি তিনটাক মাৰিবলৈকো জুৰিলেহেঁতেন।

জুন মাহত বিৰভুম নগৰৰ পৰা হাজাৰিবাগ গাঁৱলৈ ৭০ জন কইদি লোকক নিঁওতে, এক ৰাতিতে গোবিন্দপুৰ নগৰত কাপৰৰ ঘৰত বন্ধ হৈ সুই থাকোঁতে সেই ঘৰত জুই লাগি একে বেলিএ ২৪ টা মানুহ পুৰি মাৰিলে, আন সাত্তোটাকো ৰৰকৈ পুৰিলে; আৰু ১৯ টাক অলপ অলপ পুৰিলে। ৰখিয়াবোৰে স্ৰুম কৰা হলে, প্ৰাই আটাইবিলাক ন মৰাকৈ ৰাখিব পাৰিলেহেঁতেন।

চদলপুৰত এজন নিল কুঁচিৰ চাহাবৰ বস্তু লুট কৰিবলৈ এমদা ডকাইত আহিলত চাহাবে সিইতক ১৪ বেলি গুলি দিয়াবৈলেকে সাহ কৰি থাকিল, পাচে ছুহকি গল।

জেৱানচিঙ্গ নামে এজন চিকৰ সেনাপতিএ এটা জগৰিয়া গোৰা চিপাহিক ধৰিবৰ নিমিত্তে তাৰ ওচৰলৈ গলত সি ফটিকাৰে



Python, killed near Dibrugor while swallowing a Deer.

বলিয়া হৈ একে বেলিএ সেই সেনাপতিক মাৰিলে । পাচে হাতত তৰোআল লৈ লৰ মাৰি বাটত এটা গাধ পাই তাকো কাটি পেলালে; পাচে হৈগ মানুহ ফাঁচি দিবলৈ পোতা চতিৰ খুঁটাক কাটিব ধৰিলে; সেমে তাক বৰ সুমেৰেহে ধৰা হল ।

এৰিএল নামে এখান জাহাজ ১৪ মেই তাৰিখত হুগুলি নদিৰ মুখে ওলাঁওতে লঙ্কৰে জুই লগালত পুৰি পুৰি পাচে জুয়ে জখাৰ পাই তাত লাগি একে বেলিএ ফুটি জাহাজ তল গল । তাত কাফিঙ্গৰ ৮০০ চন্দুক আছিল । পাচে সোধ পোচ কৰি কৰিম বক্চ নামে এটা লঙ্কৰ দুসি জেন বুজি দেনান্তৰ কৰি জনম ভৰ ফাটকত দিলে ।

নৱেম্বৰৰ ১৯ তাৰিখৰ পৰা ৬ দিনলৈ ইঙ্গলণ্ডত ভয়ানক ধুমুহা বতাহ হোআত, অনেক জাহাজ ভাগিল । এখন জাহাজত ২১৬ মানুহ আছিল; জাহাজ বামলৈ নিয়া হৈ ভাগিলত ১৬ মানুহ মৰিল । আন এখন জাহাজত ৫০০ মান মৰিল ।

আক্তোবৰ ২৩ তাৰিখত ৯০ বৰ টোপ নিয়া তুৰুকি বৰুআ জাহাজৰ ভিতৰত খাৰত জুই লাগি ফুটি জাহাজ আদি সকলোকে ডোখৰ ডোখৰকৈ উৰুআই পেলালে । তাত ৫০০ মান মানুহো মৰিল ।

১৪ এপ্ৰিলৰ পৰা ৬ । ৭ দিনলৈকে আমেৰিকাৰ দাঁতিত বৰ তুফান হৈছিল, সাগৰৰ ঢৌ বতাহে তোলাত ভালেমান নগৰ আৰু গাঁৱৰ আলি বাট তল গলত ঘৰ আদি অনেক বস্তু লোকচন হল । বস্তন নগৰৰ দখিন ফালে এটা প্ৰদিপ দল ভাগি পৰিল, আৰু তাত থকা দুজন বখিয়াও মৰিল, সিবিলাকৰ মও পোআ ন গল ।

খেহ দেসৰ কান্তন নগৰৰ পৰা ওৰিএন্তল নামে এখান আমেৰিকান জাহাজে ২৭,০০০ মোন চাহ আদি বস্তু নি ৯৮ দিনত লণ্ডন নগৰ পালে । ইমান বেগেৰে আগেয়ে কেও জাব পৰা নাই ।

পাচিফিক নামে আমেৰিকাৰ এখন ভাপ জাহাজ এপ্ৰিলৰ ৯ তাৰিখত লিবৰপুল নগৰ এৰি ৯ দিন ২০ ঘণ্টাৰ ভিতৰত ৩০০০ মাইলৰ বহল আটলান্তিক সাগৰ পাৰ হৈ নুয়ৰ্ক নগৰ পালে । তাৰ সমান বেগে আন কোনো জাহাজ জোআ নাই ।

ওআসিং্তন নামে এখান আমেৰিকান জাহাজত ১০১০ মানুহ উঠি লিবৰপুল নগৰ এৰি ৩০ মেই তাৰিখত নুয়ৰ্ক নগৰ পালেগৈ । এইমান সৰহ মানুহ একে খান জাহাজত আগেয়ে জোআ নাই; বাটতো সিবিলাকৰ এটাও ন মৰিল । ॥

আগষ্ট, অৰ্থাত ভাদ মাহৰ পঞ্জিকা ।

Almanac for August, 1851.


আগষ্ট	শাওন	বাৰ	তিথি	দিনমান	আগষ্ট	ভাদ	বাৰ	তিথি	দিনমান
১	১৭	৬	৪	১৩।১৬	১৭	২	১	২০	১২।৫৬
২	১৮	৭	৫	১৩।১৫	১৮	৩	২	২১	১২।৫৪
					১৯	৪	৩	২২	১২।৫৩
৩	১৯	১	৬	১৩।১৪	২০	৫	৪	২৩	১২।৫২
৪	২০	২	৮	১৩।১৩	২১	৬	৫	২৪	১২।৫০
৫	২১	৩	৯	১৩।১২	২২	৭	৬	২৫	১২।৪৯
৬	২২	৪	১০	১৩।১০	২৩	৮	৭	২৬	১২।৪৮
৭	২৩	৫	১১	১৩।৯					
৮	২৪	৬	১২	১৩।৮	২৪	৯	১	২৭	১২।৪৬
৯	২৫	৭	১৩	১৩।৭	২৫	১০	২	২৮	১২।৪৫
					২৬	১১	৩	২৯	১২।৪৪
১০	২৬	১	১৪	১৩।৫	২৭	১২	৪	১	১২।৪২
১১	২৭	২	১৫	১৩।৪	২৮	১৩	৫	২	১২।৪০
১২	২৮	৩	১৬	১৩।২	২৯	১৪	৬	৩	১২।৩৯
১৩	২৯	৪	১৭	১৩।১	৩০	১৫	৭	৪	১২।৩৮
১৪	৩০	[illegible]	১৭	১৩।০					
১৫	৩১	৬	১৮	১২।৫৮	৩১	১৬	১	৫	১২।৩৬
১৬	১	৭	১৯	১২।৫৭					

পুনিয়া ১২ দিনৰ ৪ । ১ পুআ । আমাবাস্যা ২৭ দিনৰ ৪ । ৩৮ পুআ ।

THE ORUNUDOI,
A MONTHLY MAGAZINE, DEVOTED TO RELIGION, SCIENCE, AND GENERAL INTELLIGENCE.

N. BROWN, EDITOR.

Printed and published at the Sibsagor Mission Press, by O. T. Cutter, for the American Baptist Mission in Asam. Price, one Rupee per annum, in advance, or one and a half at the end of the year.



৬ বচৰ। মোং সিৱসাগৰ, আগষ্ট, ১৮৫১। নম্বৰ ৮।

VOL. VI. SIBSAGOR, ASAM, AUGUST, 1851. NO. 8.

মিচৰ দেসৰ বিবৰন।

Geography of Africa—Account of Egypt.

মিচৰ দেস অতি পুৰনি, আৰু তাতে থকা আগৰ কালৰ ৰজাবিলাক পৰাক্রমি আৰু খিয়্যাতিমন্ত। মহা জলপ্লাবনৰ আৰ্হৈ স বচৰৰ পাচত মাথোন সেই খন তাঙ্গৰ দেস হল। এতিয়া হলে প্রজা আৰু পৰাক্রম খিন হৈ গল; নিবাসি মানুহ ৩০,০০,০০০ মান আচে। আদি বাসি মিচৰিয়াৰ বঙ্গহৰ লোক তাকুৰ; সিবিলাক খ্রিষ্টিয়ান ধৰমত গ্রিক মতে প্রবৰ্ত্তে। সৰহ ভাগ মানুহ আৰবি আৰু তুৰুকি, সেইবিলাক মচলমান। মিচৰৰ বাদস্যা তুৰুকৰ তল।

মিচৰ দেসৰ পুব ফালে চুফ সাগৰ; দখিনে নুবিয়া দেস; পচিমে লুবিয়া দেস; উত্তৰে ভুমাজৰ সমুদ্র। তাৰ দিঘে ৬০০ মাইল, পথালি ১৫০ মাইল; আৰু তাৰ মাজত নিল নামেৰে নদি বৈ সেই দেসৰ মাটিবোৰ বুৰাই সফল কৰে। আৰু সেই দেস ওপৰ, মধ্যম, তল, এই ৰুপে তিনি ডোখৰকৈ ভাগ বঁটা আচে।

পুৰ্বে জুৰিৰ ওচৰত থকা প্রথম ভাগত অনেক সুন্দৰ নগৰ আছিল; সেই নগৰত বৰ দেৱালই আৰু ৰজা থকা ঘৰ, পকি মৈদাম, আৰু সিলৰ খুঁটাৰে ভুসিত আছিল। বিসেসকৈ তিবেচ নগৰ বহু প্রজা আৰু সম্পত্তি, আৰু উত্তম ঘৰ আদিৰে জুগুত হৈ খিয়াতিমন্ত আছিল। সেই নগৰৰ এস দুআৰ, আৰু প্রতি দুআৰে নগৰ নিবাসি লোকে দুস ৰথ এহেজাৰ সেনা ৰনলৈ পাঁচিলে। আজিলৈকে এই মহা নগৰৰ জি অৱসেস আচে, তাৰ দোআৰাই বুজা জাই, ওপৰে কোআ কথা সকল সত্য।

সেই দেসৰ মাজৰ ভাগত মেম্‌ফিচ নগৰ। সি তিবেচ নগৰৰ সমান ন হই, তথাপি তাৰ জি সেস বস্তু আচে, তাক বাটৰুআ লোকৰ দেখাতে মন মোহ কৰোঁতা হই। তাৰ ওচৰত অতি ওখ খুঁটা আচে; আৰু তাত মৈৰিচ ৰজাই কৰোআ বৰ পুখুৰিৰ চিন আচে।

তল ভাগ নিল নদিৰ সোঁতাৰে পুৰ হোআ কাৰনে, সি সকলো খেতি হোআ সাৰুআ মাটি। ইয়াতে কাইৰো নামেৰে এখন নগৰৰ বাহিৰে এটা আচৰিত পকি কাৰেঙ্গ আচে। তাক পৰ্বতৰ ওপৰত সজা হৈচে; সি বৰ ওখ আৰু অতি সকত গৰেৰে চাৰিও ফালে বেৰা আচে। সেই কাৰেঙ্গত উঠিবলৈ বাট পৰ্বতৰ সিলত কটা আচে; সেই পোসেই হাতি ঘোঁৰা সকলো উঠিব পাৰে। আৰু সেই পকিৰ মাজত য়োচেফৰ নাদ নামেৰে এটা নাদ আচে; সি পৰ্বতৰ তল পৰ্জ্জন্ত দ; আৰু প্রতি দিন সেই নাদৰ পৰা কলেৰে গৰুৰ হতুআই পানি তোলা হৈ নলাৰে গৈ সেই পকিৰ চাৰিও ফালে বৈ থাকে।

নিল নদিৰ আগালি ইথিয়পিয়া আদি কৰি ভিতৰ আফ্রিকাৰ দেস। সেই নদি বহাগ

জেঠ মহিয়া বৰখুনৰ পানি হলে বাৰ্হি পৰ্বতৰ সাতোটা জুৰি ফুটি মিচৰ দেসত পৰেগৈ । বাটৰুআ লোক সকলে তাৰ ওচৰ পাই হুৰ হুৰ সবদ সুনি বৰ ভই পাই ; তাত থকা মানুহে সদাই দেখি থকা কাৰনে ভই ন কৰি বাটৰুআক সেই আচৰিত কৌতুক দেখুআই । সিবিলাকে নাৱত উঠি ওখ সোঁতৰ পৰা নামি নাৱেৰে তললৈ পৰে ; বহু ফেনেৰে থকা বৰ পাকত নাও সোমাই ; তাতে লোকে দেখে জেন সিবিলাক নষ্ট হল ; কিন্তু এফেৰি মানৰ প্যাচে অতি দুৰত নদিৰ থিৰ পানিৰ ওপৰত ওপঙ্গি থকা দেখি । নিল নদিৰ জল আটাই মিচৰ দেসত সোঁতা সোঁতা হৈ লাহে লাহে বৈ দেস গোটেই খন বিয়াপি ডুবি থাকে । সেই জল প্রাই চাৰি মাহলৈকে থিৰে থাকে ; মাটিত পল বোকা ন পৰে মানে সেই পানি জেন বেগাই বৈ নে জাব, এই নিমিত্তে সাগৰৰ পৰা সেই চাৰি মাহ বতাহ বলাই পানি আটকি থই ।

এই নদি আপ্লাবনৰ সময়ত জদি কোনো লোকে ওখ ঠাইৰ পৰা চাই, তাক সাগৰ জেন দেখে । তাৰ মাজত ওখ ওখ আলি বাটে সৈতে অনেক নগৰ উপদিপৰ সিচিনা দেখা জাই ; আৰু নিবাসি মানুহৰ উপকাৰৰ নিমিত্তে সেই নগৰৰ ওচৰত মাজে মাজে গচনিও আচে । জি জি ঠাইত কাতি মহিয়া সকলো নাও চলে, সেই সেই ঠাই পানি সুকালে ফুলেৰে ভুসিত আৰু সুগন্ধি হই । এনে উত্তম ফল ফুলেৰে জুগুত হোআ পথাৰত পুহ মাঘ মাহত জাকে জাকে অনেক বিধৰ পহু ফুৰি ফুৰি চৰি খেমালি কৰি থাকে । আৰু খেতিয়ক মানুহে তাত খেতি কৰিবলৈ অতি ঢিল ; পানি সুকাই মাটি টান হলে সিইতে হাল বাই নাঙ্গলেৰে মাটিত বালি মিহলি কৰে, তাত বাহিৰে আন একো পৰিস্রুম নাই ।

সবহ সহ উত্পন হবৰ নিমিত্তে নিল নদিৰ কুৰি হাত ওখ পানি হলে ভাল ; তাতকৈ তাকৰ বা সৰহ হলে সহ নষ্ট হৈ অঁকাল হই । এই কাৰনে সেই দেসৰ মানুহে নদিৰ পানি বাৰ্হিবৰ কথাত বৰ চিন্তা কৰে, বৰ্হা টুটা ন হবলৈ অনেক উপায়ো কৰিচে । পুৰ্বে এই নদি তুষ্ট থাকিবৰ নিমিত্তে এজনি ডেকা তিৰোতাক পানিত পেলাই দিএ ; এতিয়া এজনিৰ প্রতিমা সাজি তাক মাথোন জলত দিএ । মিচৰ দেসত নিল নদিৰ বৰ্হা টুটাৰ বিসয়ত নিতৌ নিতৌ কথোপকথন কৰে ; মানুহবোৰৰ সেই কথাতে দুখ বা সুখ জনমে ।

জুৰিৰ ওচৰতে বৰ বৰ ঘৰৰ চিন আচে, সেই কাৰনে বুজোঁ, তাত পুৰ্বে ৰজাৰ নগৰ আচিল । আৰু সিলৰ খুঁটা, ভগা প্রতিমা, সুন্দৰ ৰুপে কটা বগা সিলেৰে সেই ঠাই পুৰ হৈচে ; আৰু খুঁটাৰে হোআ বাটে দি সেই ঠাইলৈ জাব পাৰি । আৰু বাটৰুআবোৰে বোলে, সেই বাটতে আজিলৈকে চ হেজাৰ মান খুঁটা থিয় হৈ আৰু পৰিও আচে । এই খুঁটাবোৰ ৪৬ হাত ওখ, আৰু একেটা গুৰিতে তিনটা তিনটা খুঁটা, তাৰ ওপৰে নৰসিংহৰ মুৰ্তি কটা আচে । এইবোৰ কথা বৰ আচৰিত হই, কিন্তু জিটো মন্দিৰ মিচৰৰ প্রথম ভাগত দেন্দেৰা নগৰৰ ওচৰত আচে, তাৰ সমান ন হই ; কিয়নো তাৰ খুঁটা আঠোটা মানুহেও আঁকোআলে প্রায়ে নে পাই, আৰু সেই খুঁটাৰ ওপৰত আৰব লোকে ঘৰ সাজি থাকে, তাক আজিলৈকো দেখিবলৈ পোআ জাই ।

মিচৰৰ ওপৰ ভাগত চায়েন নামেৰে গুহাত বাটৰুআবোৰে আৰু অনেক অনেক আচৰিত দেখিবলৈ পাই । পৰ্বতৰ মাজত পৰ্বতিয়া সিলৰ চাৰি সিৰিয়া আৰু খুৰনিয়া খুঁটাৰে ভুসিত এহেজাৰতকৈও অধিক গুহা খনা আচে । সেই গুহাৰ মাজত কোনো কোনোটো ইমান বহল ; তাত চ স ঘোঁৰাত উঠা মানুহ থিয় হৈ থাকিব পাৰে । সেই গুহাৰ মাজত এস ডেৰ কুৰি হাত ওখ ন ভগা সিলৰ বৰ খুঁটা আচে ; তাক দেখাতেই লোক সকলে

বৰ আচৰিত মানে। এই গুহাত কেত খনি কোক্কে থকা খুঁটা এতিয়াও পোআ জাই।

মিচৰ দেসত সকলো লোকৰ আচৰিত জনমোআ আৰু জগত খনৰে চমত্কাৰ বস্তুৰ মাজত লেখিব লগা, এনে এনে চাৰি চুকিয়া দল আচে। জত আগেয়ে মেম্‌ফিচ আৰু আন প্ৰধান নগৰ আচিল, তাত থকা দলবোৰ তিনি হেজাৰ বচৰৰ পুৰ্বে সজা হৈচিল। সেই দলবোৰ সজাৰ কাৰন আমি কিচু জানোঁ; আন্দাজে বুজোঁ, সিবিলাকৰ মৰা স থবলৈ মৈদামৰ নিমিত্তে সাজিচিল; কাৰন, মিচৰ দেসৰ লোকৰ বিবেচনাত এয়ে অতি উত্তম কৰ্ম, আৰু সিবিলাকে আপোনাৰ গিয়াতিৰ মৰা স ভালকৈ ৰখাত বৰ ধৰম মানে। জি মৈদাম সকলোতকৈ ওখ আৰু অতি সুন্দৰ, সি পথাৰৰ মাজত থকা এক পৰ্বতৰ ওপৰত সজা হৈচে। এই মৈদাম চাৰি সিৰিয়া, গুৰিত বেৰে চাৰি স সতৰি হাত, আৰু তাৰ ওখ তিনি স চলিচ হাত; সি ক্ৰমে ক্ৰমে ওপৰলৈ সৰু হৈ জাই, আৰু তাৰ ওপৰে সমান চাৰিও ফালে ১১ হাত মাখোন। সিলে দি বগাই গৈ বৰ স্ৰুমেৰে তাৰ ওপৰলৈ উঠি জাব পাৰি, কিয়নো সিলৰ থাক থাক জখলাৰ নিচিনা হই। কিন্তু দুহাতৰ অন্তৰ হোআ দেখি তাত মানুহে উঠিবলৈ টান। আমি পথ ধৰি ভিতৰলৈ গলে বাৰেণ্ডা আৰু জখলা তাতো আচে। সেই দুয়ো অতি সুন্দৰ সিলেৰে কৰা, কিন্তু সুৰ্জৰ ৰস্মি তাত কেতিয়াও ন পৰে। এই ৰুপে কোআ গৈচে, তিনি লাখ সাঠি হেজাৰ মানুহে কৰিলত কুৰি বচৰে সাৰসেসে তাক সজা হল।

মৈৰিচ পুখুৰিৰ ওচৰত সকলো প্ৰকাৰে আচৰিত ঘুৰনিয়া ঘৰবোৰ নিৰ্মান আচে। তাৰ বাজ ফাল অতি চিকন, ভিতৰে বৰ আৰু সৰু খোঁটালি তিনি হেজাৰ মান আচে; এইবোৰৰ মাজতে এটা ৩৭ হাত ওখ। আৰু এই সকলোবোৰৰ আদ ভাগ মাটিৰ সমান, আৰু আধা ভাগ মাটিৰ তলত সজা হৈচে। সেই ঘুৰনিয়া ঘৰৰ ওপৰ ডোখৰত তাক নিৰ্মান কৰা ৰজাবিলাকৰ; আৰু সিবিলাকৰ পুজ্য ঘঁৰিয়ালবোৰৰ মৰা দেহ তাৰ তলৰ খোঁটালিত ৰখা হৈচে।

এই সকলো চমত্কাৰ বস্তুৰ বাহিৰেও মিচৰ দেসৰ অনেক অনেক ঠাইত চাৰি চুকিয়া ভেঁটিৰ সোভাৰ নিমিত্তে চিত্ৰ বিচিত্ৰ আকাসলৈকে উঠা, এনে ওখ সিলৰ খুঁটাবিলাক আচে। হিলিয়পলি নামেৰে এখন নগৰত চিচষ্ট্ৰিচ ৰজাই এই ৰুপ দুটা খুঁটা থাপন কৰিলে, এই দুয়ো মিচৰৰ অন্ত সিমাত থকা চায়েনৰ পৰা বৰ সৰুত সিলেৰে নিৰ্মিত, আৰু চকুৰি হাত ওখ। ইয়াত বাজে ৰাঁমিচেচ ৰজাৰ কালত সকলতোকৈ ডাঙৰ আৰু এটা খুঁটা থাপন কৰিচিল; কোআ গৈচে, তাৰ নিমিত্তে সিল কাটিবলৈ কুৰি হেজাৰ লোক লগাইচিল। এইটো আৰু ওপৰে কোআ দুটা ৰোম নগৰলৈ নিলে; সেই সুন্দৰ ওখ খুঁটা আজিলৈকে সেই নগৰৰ প্ৰধান ভুসন হৈ আচে।

মিচৰ দেসত হিপপতমচ, অৰ্থাত পানি ঘোঁৰা, আৰু ঘঁৰিয়াল, নেউল আদি প্ৰধান জন্তু আচে। পানি ঘোঁৰা বৰ খঙাল, কোনেও দমিব নোআৰা হিংসক। ঘঁৰিয়াল পানিত বামত দুইতো থাকে, সৰহ বস্তু খাই; কোনোটো ২০ হাত দিঘল। নেউল এন্দুৰৰ নিচিনা; সি পানিএ তল জোআৰ পাচে বোকাত থকা আটাই পোক পৰুআ খাই। সি ঘঁৰিয়ালৰ প্ৰধান সত্ৰু; জদি কোনো ঠাইত তাৰ কনি পাই, তেতিয়াই তাক ভাঙ্গি পেলাই; আৰু কোআ হৈচে, ঘঁৰিয়াল সুই থাকোঁতে, নেউলে পালে সি তাৰ গাত্তে সোমাই পেটৰ ভিতৰৰ নাৰি ভুঁক সকলোবোৰ খাই মাৰে। আৰু গৰু, চাগ, মেৰ চাগ আদি গাঁৱৰ পহু তাত অতি পুঠ হই, সিইঁতৰ মঙহ খাবলৈ বৰ সোআদ। আৰু তাত গুঁই, বান্দৰ, উট, এই সকলো থাকে।


সেই দেসৰ আকাসত উৰি ফুৰা বাজ নামেৰে এবিধ চৰাই আচে। আৰু তাৰ সকলো মানুহে কুকুৰা চৰাই সৰহকৈ পো-

হে । তাৰ নৈ কোনৰত খিলা হাহ, বগলি, বন কুকুৰা, আৰু অনেক বিধ পানিত ফুৰা চৰাই পোআ জাই । আৰু তাত মাচ অনেক পাই । ওপৰ মিচৰ চাৰিও ফালে বালিৰ ভয়ামত উট চৰাই থাকে । আগৰ কালৰ মিচৰিয়াবিলাকৰ মাননিয় আৰু সেৱা কৰা ইবিচ নামে এজাতি চৰাই আচে; সি হাবিৰ দাঁতিত ৰখিয়া হৈ থাকি নুবিয়া দেশৰ পৰা অহা সাপবোৰ ধৰি খাই ।

তাত গুটি লগা গচৰ বাহিৰে আন গচ সৰহ নাই । গুটি লগা গচৰ মাজত খাজুৰ গচ সৰহ, প্ৰধানো । তাল, আৰজ গচ, আৰু নাও সাজিবলৈ ভাল এবিধ কাঁইট গচ আচে । তাত অনেক বন ন থকাতো কেত-বিলাক সুন্দৰ বিধৰ বন, আৰু সকলো কৰম কৰিব পৰা সৰৰ গচ আচে । তাৰ মানুহে পাপিৰচ নামে এবিধ নলেৰে তুলাপাত, কা-পৰ, আৰু কোনো কোনো পাত্ৰ, ঔসধ, এই সকল কৰে । আৰু সেই দেশৰ পুখুৰি পদ্ম ফুলেৰে সৈতে ভুসিত হৈচে । আৰু তাত চৰা নামে এবিধ স্বগন্ধি গচ আচে, তাৰে তি-ৰোতাবোৰে আপোনাৰ স্বগন্ধি দ্ৰব্য কৰে ।

মিচৰৰ দখিনে নুবিয়া আবিচিনিয়া আৰু ইথিয়পিয়া দেশ আফ্ৰিকাৰ ভিতৰে আচে । নুবিয়া আৰু আবিচিনিয়া সভ্য থকা ভাল দেশ ; কিন্তু ইথিয়পিয়া প্ৰায়ে অবিদিত, তালৈ জাত্ৰিকে নে জাই । নুবিয়াত জিৰাফ নামে এটা সুন্দৰ জন্তু থাকে ; আৰু পাক খোআ সিঙ্গেৰে এক পহু আচে ; তাৰ নকচা ডিচেম্ব-ৰৰ অৰুনোদইত লিখা আচিল । আৰু সেই দেশত কঁপালৰ মাজত এটা সিঙ্গ থকা ঘোঁ-ৰাৰ নিচিনা এবিধ জন্তু আচে, ইয়াকে তাৰ নিবাসিএ কই ।

ইথিয়পিয়া আৰু আফ্ৰিকাৰ দখিন ভা-গত জিব্ৰা নামে অতি সুন্দৰ ঢেকিয়া পতিয়া ঘোঁৰা এবিধ আচে । মাইকিৰ গাত কলা বগা আঁচ থাকে ; মতাৰ হলে, আঁচ কলা আৰু হালধিয়া । চাই ঠেঙ্গিয়া জন্তুৰ মাজত ইয়াতকৈ সুন্দৰ নাই, আৰু বৰ বেগি । ঘোঁ-ৰাতকৈ অলপ চাপৰ ।



জাত্রিকৰ জাত্রা, ৪ আধ্যা ।

The Pilgrim's Progress, Chapter 4.

পাচে মই সমাজিকত চাই দেখিলোঁ, খ্রিষ্টিয়ান জোআ চাৰলিয়া ওখ বাটৰ দুই ফালে পৰিত্রান নামে গৰেৰে বেৰা হৈছিল । সেই পথে খ্রিষ্টিয়ানে ভাৰ বঁওতা হৈ উচি উচি লৰি গল ; কিন্তু পিচিৰ বোজাৰ কাৰনে বৰ স্রমেৰেহে গল ।

সেই ৰুপে লৰি ক্রমেৰে এখান ওখ ঠাই পালেগৈ ; তাতে এডাল পেৰেঙ্গনি পোতা আছিল, আৰু সেই ঠাইৰ কিচু তল ফালে এটা মুখ মুকলি মৈদামো আছিল । তেতিয়া সমাজিকত দেখিলোঁ, খ্রিষ্টিয়ানে পেৰেঙ্গনিৰ



ওচৰ পোআতেই তাৰ কানৰ পৰা বোজাৰ বান্ধ মুলকি পিচিৰ পৰা খহি পৰিল ; আৰু বাগৰি বাগৰি মৈদামৰ মুখ পাই, তাত সোমালগৈ ; পাচে মই আৰু তাক নে দেখিলোঁ ।

তেতিয়া খ্রিষ্টিয়ানৰ উচো আৰু আনন্দ লাগি, ৰঙ্গ মনেৰে বুলিলে, তেঁও আপোনাৰ দুখেৰে মোক জিৰনি, আৰু আপোনাৰ মৰনেৰে মোক জিৱন দিলে । পাচে সি আচৰিত মানি কিচু কাল তাক চাৰলৈ ৰৈ থাকিল ; কিয়নো পেৰেঙ্গনিৰ দৰ্সনে তাৰ বোজাৰ পৰা এই ৰুপে মুকুত কৰাত সি বৰ বিস্মই মানিলে । এতেকে তাৰ মুৰত থকা ভুমুকৰ পৰা চকুৰ লো ওলাই গালে দি বৈ জোআলৈকে সি পেৰেঙ্গনিকে চাই চাই থাকিল । এই ৰুপে লোতক বৈ চাই থকা সময়ত দেখা, তিনি জন তেজস্বি লোক তাৰ ওচৰলৈ আহি, তোমাৰ কুসল হওক বুলি সম্ভাসা কৰিলে । পাচে প্রথম জনাই কলে, তোমাৰ পাপ খেমা কৰা হল । দুতিয় জনাই তাৰ ফটা কাপৰ গুচাই, নতুন বস্ত্র পিন্ধালে । ত্রিতিয় জনাই তাৰ কঁপালত এটা চিন দিলে । আৰু মোহৰৰ চাব থকা এটা পুথিৰ নুৰা তাৰ হাতত দি বুলিলে, তুমি লৰি জাঁওতে ইয়াকে চাবা, পাচে স্বৰ্গিয় নগৰৰ দুআৰ পাই তাতে দিবাগৈ । ইয়াকে কৈ সিবিলাক আপোনাৰ বাটে দি গল । তেতিয়া খ্রিষ্টিয়ানে বৰ ৰঙ্গ পাই তিনটা ডেও মাৰি এই বচনেৰে গান কৰি কৰি গল ।

পাপৰ বোজাত অতি দুখিত
  দণ্ডৰ আছিলোঁ অধিন,
কোনো ঠাইত উপাই নে দেখি
  ফুৰিচিলোঁ অনেক দিন ;
সেসত কি সুভাগ্য থানত
  পৰি আচোঁ সুখিমই !
এখেত পিচিৰ বোজা পৰিল,
  বন্ধন সকল হৈচে খই ।
ধন্য ধন্য পেৰেঙ্গনি,
  ধন্য এই মৈদামৰ থান,
মহা ধন্য জি জন পালে
  তাত মোৰ হেতু অপমান ।

পাচে মই সমাজিকত দেখোঁতে খ্রিষ্টিয়ানে গৈ গৈ সেই ওখৰ তলতে এখন চাপৰ ঠাই পালে । তাতে বাটৰ পৰা কিচু আঁতৰতে

সোৰ নিকলিৰে ভৰি বন্ধা তিনি জন মানুহ টোপনিতে মুই থকা দেখিলে । সিবিলাকৰ এটাৰ নাম অবিবেচক, এটাৰ নাম এলেহুআ, আৰু সিটৰ নাম কুসাহিয়াল ।

খ্রিষ্টিয়ানে সিইঁতক এনে অৱস্থাত পৰি থকা দেখি, জগাব পাৰোঁ কি চাওঁ বুলি, সিইঁতৰ ওচৰলৈ গৈ ৰিঙ্গিয়াই কলে, হেৰা ভকত লোক, তোমোলাক জাহাজৰ মস্তুলৰ ওপৰত শুই থকা মানুহৰ নিচিনা; তোমোলাকৰ তলত মৰন সাগৰ, আৰু তলি নো হোআ অগাধ খালে' আছে; টোপনিৰ পৰা জগি আঁহা, আৰু তোমোলাকৰ ইচা হলে মই তোমোলাকৰ সিকলি গুচাবলৈ কাৰ্বাৰ কৰিম । খ্রিষ্টিয়ানে আৰু বুলিলে, গুঁজৰি থকা সিংহৰ দৰে অহা জোআ কৰা জি জন, সি ওচৰলৈ আহিলে, তোমোলাক অৱশ্যে তাৰ দাঁতেৰে কৰচা আহাৰ হবা । তাতে সিইঁতে খ্রিষ্টিয়ানক চকু মেলি চাই উত্তৰ কৰিবলৈ ধৰিলে । অবিবেচকে কলে, মই একো ভই নে দেখোঁ; এলেহুআই বুলিলে, ৰবা, আৰু এফেৰি শোঁও অথন; কুসাহিয়ালে বুলিলে, আটাই চৰিয়াবোৰ আপোন আপোন তলিতে ভৰ দি থাকিব লাগে, মই তোমাক আৰু কি উত্তৰ দিম! এই কথা বুলি সিইঁতে আকও টোপনিয়ালে, আৰু খ্রিষ্টিয়ানো আপোনাৰ বাটে দি চলি গল ।

কিন্তু এনে সঙ্কটত থকা মানুহক জগাই সজ আলচ দি সিকলি গুচাবৰ মনেৰে সিইঁতক উপকাৰ কৰিব খোজা জি জন, তাৰ মৰম এনে হেলা কৰাত খ্রিষ্টিয়ানৰ মনত বৰ অসন্তোস লাগিল । এই ৰুপে অসন্তোস কৰি থাকোঁতে সেই ঠেক বাটৰ বাঁও ফালে থকা জি গৰ, খ্রিষ্টিয়ানে তাৰ ওপৰে দি দুটা মানুহক বগাই উঠি পাৰ হৈ আপোনাৰ ফাললৈ বেগাই আহিবৰ দেখিলে; সিইঁতৰ নাম কৰ্ম্মাচাৰি আৰু কপটিয়া । সিইঁতে ওচৰ পালত খ্রিষ্টিয়ানে এই ৰুপে সিইঁতে সৈতে কথা হবলৈ ধৰিলে ।

খ্রিষ্টিয়ান । হেৰা বাপু লোক, তোমোলাক কৰ পৰা আহিলা? জোআ কলৈ?

সিবিলাকে কলে, আমাৰ জনম ঠাই নিজ-প্রসংশা নগৰ, আৰু প্রসংশাৰ নিমিত্তে চিওন পৰ্বতলৈ জাঁও ।

খ্রিষ্টিয়ান । তেন্তে বাটৰ মুৰত জি দুআৰ আছে, সেই পোনে দি কিয় নাহিলা? জি জনে দুআৰে দি নো সোমাই আন কোনো পোনে উঠি সোমাই, সি চোৰ আৰু ডকাইত, এই জি কথা লিখা আছে, তাক তোমোলাকে নে জানা নে? কৰ্ম্মাচাৰি আৰু কপটিয়াই কলে, সেই দুআৰে দি সোমাবলৈ বাট অতি ঘুৰন জেন মানি, আমাৰ দেসৰ প্রাই আটাই লোকে পোনাই আহি আমাৰ দৰে গৰ ডেই সোমোআৰ দস্তুৰ আছে ।

খ্রিষ্টিয়ান । তেও আমি জাৰ লগা নগৰৰ অধিকাৰৰ প্রকাসিত আগ্যা ভাঙ্গিলে, তাক আমাৰ অহিতে জগৰ বুলি নি লিখিব নে?

তাতে কৰ্ম্মাচাৰি আৰু কপটিয়াই খ্রিষ্টিয়ানত কলে, এই কথাত হলে, তুমি ইমান চিন্তাকুল হোআৰ একো প্রয়োজন নাই; কিয়নো আমাৰ ফালে দস্তুৰ আছে, আৰু সাখি জদি লাগে, এহেজাৰতকৈ অধিক বচৰৰে পৰাও সেই দস্তুৰৰ প্রমান দিব পাৰোঁ ।

খ্রিষ্টিয়ান । কিন্তু গোচৰ হলে কানন মতে তোমোলাকৰ বেৱহাৰ নিদুসি হব নে?

সিইঁতে বুলিলে, এহেজাৰ বচৰতকৈও অধিক কাল থকা জি পুৰনি দস্তুৰ, নিয়ায়ৱন্ত সোধাৰুএ তাক বিধানৰ তুল্যকৈ মানিব, ইয়াত একো সংসই নাই; আৰু তাত বাজে জদি আমি বাটতেহে আছোঁ, তেন্তে কেনি সোমালোঁ, তাক সোধাৰ কি কাম? জদি বাটৰ ভিতৰ সোমালোঁ, সোমালোঁএই; তুমি দুআৰে দি অহা আমি বুজিচোঁ, তেও তুমি বাটতে মাথোন আছা; আমি গৰ ডেই আহিও সেই বাটতে আছোঁ; আমাতকৈ নো তোমাৰ অৱস্থা কি ভাল হৈছে?

খ্রিষ্টিয়ান । তোমোলাকে মনৰ আন্দাজেৰেহে আচৰন কৰা; মই হলে, মোৰ প্রভুৰ লিখ্যাৰ দৰে আচৰন কৰোঁ । বাটৰ অধিকাৰৰ দোআৰাই তোমোলাক এতিয়াও চোৰ

বুলিহে লিখা হৈচা; বাটৰ অন্তত কেনেকৈ স্বৰুপ মানুহ বোলা হবা, ইয়াক মই নে জানোঁ। অধিকাৰৰ আগ্যা নো হোআকৈ তোমোলাক অকলেই সোমালা, আৰু তেঁওৰ অনুগ্রহ নো পোআকৈএ অকলেই বাহিৰ কৰা হবা।

এই কথা সুনি সিইঁতে বাহুল্য ৰুপে উত্তৰ নি দি, খ্রিষ্টিয়ানক আপোনাৰ কাম চাই থাকিবলৈ দিলে। তেতিয়া সিইঁত খ্রিষ্টিয়ানৰ পৰা কিচু আঁতৰা আঁতৰি হৈ আপোনাৰ বাটে চলি গৈ কথা বাত্রা হবলৈ প্রায়ে এৰিলে। তথাপি সিইঁতে তাত এটি কথা কলে, বিধান আৰু ৰিতি হলে তোমাৰ সমানেই নিদুৰ্সি ৰুপে আমি পালন কৰিম, আমাৰ ইয়াত সংসই নাই; আৰু তোমাৰ পিচিত জি চোলা, তাৰ বাহিৰে তোমাৰে আমাৰে মাজত আৰু একো ভিন নে দেখোঁ; তোমাক নাঙ্গটা দেখি লাজ ঢাকিবৰ নিমিত্তে কোনো চুবুৰিয়াই তাক তোমাক দিলে, ইয়াকে বুজোঁ।

খ্রিষ্টিয়ান। তোমোলাক দুআৰে দি নো সোমোআত কোনো বিধান বা ৰিতিৰ দোআৰাই পৰিত্রান পাব নোআৰিবা। মোৰ পিচিত জি চোলা, তাক হলে মই জাব লগা নগৰৰ অধিকাৰে মোক দিচে; তোমোলাকে কোআৰ দৰেই মোৰ নাঙ্গটা ঢাকিবৰ নিমিত্তেহে দিয়া হই; আৰু ইয়াক তেঁওৰ মোলৈ অতি মৰমৰ চিন জেন মানি লৈচোঁ, কিয়নো আগেয়ে ফটা কাপৰৰ বাহিৰে মোৰ একো নাই কিচিল। আৰু বাটত জাঁওতে এই কথাত সান্তনা পাই মনেৰে ভাবোঁ, প্রভুএ মোৰ ফটা কাপৰ গুচুআ দিনত জি চোলা মোক অনুগ্রহ কৰি দিলে, সেই চোলা মোৰ পিচিত থকাৰ কাৰনে মই ৰাজ নগৰৰ দুআৰ জেতিয়া পাঁও, তেতিয়া তাৰ অধিকাৰে দায়া ৰুপে মোক চিনিব। তাত বাজে জি চিন তোমোলাকে কি জানি নে দেখিলা, মোৰ কঁপালত এনে এটা চিন আচে; জি দিনত কানৰ পৰা বোজা পৰিল, সেই দিনতে মোৰ প্রভুৰ প্রিয় বন্ধু এজনে এই চিন দিলে। আৰু কঁও সুনা, মই বাটত জাঁওতে পাঠ কৰি সান্তনা পাবৰ নিমিত্তে মোহৰ মৰা এটা পুথিৰ নুৰাও তেতিয়া মোৰ হাতত দি এই আগ্যা কৰিলে, স্বৰ্গিয় দুআৰ পালে তাত ইয়াক দিবি; তাৰ পাচে তয়ো সোমোআৰ সেয়ে স্বৰুপ চিন হব। মই জানিচোঁ, এই সকলো বস্তুত তোমোলাকৰ প্রয়োজন আচে; কিন্তু দুআৰে দি সহা হেতুকেহে পোআ নাই।

এইবিলাক কথা সুনি সিইঁতে খ্রিষ্টিয়ানক একো উত্তৰ নি দি ইজনে সি জনে চোআচুই কৰি হাঁহিব ধৰিলে। এই ৰুপে সকলোএ বাটত জাঁওতে খ্রিষ্টিয়ান কিচু আগ হৈচিল; আৰু আপোনাৰ বাহিৰে কাৰোএ সৈতে কথা ন হৈ, কেতিয়াবা হুমুনিয়াহ কাৰ্হি, কেতিয়াবা সান্তনা পাই গল; আৰু জি নুৰা সেই তেজস্বিবিলাকৰ এজনে তাক দিলে, সেই নুৰা অনেক বেলি পাঠ কৰি কৰি মনত জিৰনি পালে।

এই ৰুপে সকলোএ গৈ গৈ, কাল ক্রমে কঠিন নামে এটা ঢোকা পৰ্বতৰ ওচৰ পোআ দেখিলোঁ। সেই পৰ্বতৰ নথত এটা ভুমুক আচিল; আৰু জিটো বাট সৰু দুআৰৰ পৰা পোনাই আহিল, তাত বাজে আন দুটা বাট সেই ঠাইতে আচিল; এটাই বাঁও ফাললৈ জাই, সিটোএ পৰ্বতৰ গুৰিৰ পৰা সোঁ ফালে পোনাই গৈচে; কিন্তু ঠেক বাট হলে সেই পৰ্বতৰ মাজে দি পোনেই ওপৰলৈ জাই; আৰু ওপৰলৈ জোআ বাট অতি টান দেখি তাক কঠিন নামেৰে বোলে। তেতিয়া খ্রিষ্টিয়ানে ভুমুকৰ ওচৰলৈ গৈ আপোনাৰ প্রান জুৰাবলৈ তাৰ পানি খাই পৰ্বতৰ ওপৰলৈ জাবলৈ আৰম্ভন কৰি এই কথা গাবলৈ ধৰিলে।

পৰ্বত ইমান ওখ হলেও
ইচা কৰোঁ উঠিবৰ;
কঠিন বাটত নে পাঁও বেজাৰ,
দেখি এই পথ জিয়নৰ;

সকল ভাগৰ ভয়ো তিয়াগি
উঠা, হে মন, কৰি সাহ;
সুখে সৈতে মিচা পথে
গলে পাচে সৰ্বনাস,
তাতকৈ দুখে সৈতেও স্বৰুপ
পথত লাভ পাই পৰম আস ৷

পাচে সি দু জনে সেই পৰ্বতৰ গুৰি পাই তাক ওখ আৰু গৰা হোআ দেখি, আৰু জাবৰ নিমিত্তে আন দুটা বাটো হোআত খ্ৰিষ্টিয়ান জোআ বাটে সৈতে সেই দুটাও পৰ্বতৰ সি ফালে মিল হব জেন ভাবি, তাতে জাবলৈ মন থিৰ কৰিলে ৷ সেই বাট এটাৰ নাম আপদ, আনটিৰ নাম সৰ্বনাস ৷ তাতে সিইঁতৰ এজনে আপদে দি গৈ বৰ অৰন্যৰ মাজত সোমাই হেৰাল; সি জনে সৰ্বনাসে দি গৈ অনেক অন্ধকাৰময় পৰ্বত থকা এডোখৰ বহল ঠাই পাই, তাতে উজুটি খাই পৰি, পাচে আৰু নুঠা হল ৷

পাচে মই খ্ৰিষ্টিয়ানলৈ চাই তাক পৰ্বতৰ ওপৰলৈ গৈ গৈ থকা দেখিলোঁ ৷ প্ৰথমতে লৰি গৈচিল, পাচে খিৰে খিৰে গৈ, সেসত গৰা বাট হেতুকে হাতে ভৰিএ বগুআ বাইহে জাব পাৰিলে ৷ সেই ৰুপে পৰ্বতৰ মুৰ পাবৰ আধা বাট গলত তাতে ভাগৰ পোআ জাত্ৰিক লোক জিৰাবৰ নিমিত্তে পৰ্বতৰ অধিকাৰে কৰা এটা অতি সুন্দৰ গচৰ যোপ মৰা ঘৰ আচিল ৷ তাতে খ্ৰিষ্টিয়ানে সোমাই বহি জিৰাবলৈ ধৰিলে ৷ তেতিয়া বুকৰ পৰা পুথিৰ নুৰা উলিয়াই পৰ্হি মনত সান্তনা পালে; আৰু পেৰেঙনিৰ ওচৰত থাকোঁতে জি চোলা পাইচিল, তাকো চাই চাই সন্তোস হৈ ক্ৰমে টোপনিএ ধৰি ধৰি বৰ নিদ্ৰা হল ৷ এই ৰুপে প্ৰায়ে গধুলিলৈকে সুই থাকোঁতে তাৰ হাতৰ পৰা নুৰা খহি পৰিল ৷ পাচে এজন লোকে তাৰ ওচৰলৈ আহি জগাই বুলিলে, হেৰা এলেহুআ, তুমি পৰুআৰ ওচৰলৈ গৈ তাৰ পথ গমি চোআ, তেহে তুমি গিয়ানৱন্ত হবা ৷ তেতিয়া খ্ৰিষ্টিয়ানে উচাৰ খাই উঠি লৰি গৈ পৰ্বতৰ মুৰ নে পাই মানে বেগাই চলি গল ৷

পৰ্বতৰ মুৰ পোআতেই দুজন মানুহ তাৰ ফাললৈ সমুখ হৈ লৰি আহিল; এটাৰ নাও ভয়াতুৰ, সিটিৰ নাও সঙ্কাকুল ৷ খ্ৰিষ্টিয়ানে সিইঁতক মাত লগাই সুধিলে, হেৰা ভকত, তোমোলাকে কি কাৰনে ওভোতা বাটে লৰি আহিচাইঁক?

ভয়াতুৰে কলে, আমি চিওন পৰ্বতলৈ গমন কৰি এই কঠিন ঠাই পাৰ হলোঁএই, কিন্তু জিমানলৈকে জাঁও, সিমান অধিক সঙ্কট পাঁও, এই হেতুকে ঘুৰি আহিলোঁ, উভতি জাম ৷

তাতে সঙ্কাকুলে বোলে হই, আমাৰ আগ ফালে নিচেই ওচৰতে দুটা সিংহ সুই আচিল, টোপনি নে সাৰে আচে, তাক কব নোআৰোঁ; তেও ইঁতোবাৰে পোআলৈকে আমি জোআ হলে, আমাক ডোখৰ ডোখৰকৈ চিঙ্গিলেহেঁতেন, ইয়াক আমি জানিচোঁ ৷

তেতিয়া খ্ৰিষ্টিয়ানে কলে, তোমোলাকে মোৰ বৰ ভই লগালা; কিন্তু নিৰ্বিঘিনিএ থাকিবলৈ কত পলাম? মোৰ আপোন দেসলৈ জদি জাঁও, সি গন্ধকৰ জুয়েৰে পোৰা হবলৈ জুগুত হৈচে, তাত অৱস্যে বিনাস হম ৷ স্বৰ্গিয় নগৰ জদি পাব পাৰোঁ, তাতে নিৰ্বিঘিনি হৈ কুসলে থাকিম, এই নিচই ৷ এই হেতুকে মইচোন জাঁও; উভতি জোআই কেৱল মৰন; সমুখে জোআ মৰনৰ ভই হই, কিন্তু আগলৈ অনন্ত পৰম আয়ুস; মই আগ ফাললৈহে গৈ থাকিম ৷ তেতিয়া সঙ্কাকুল আৰু ভয়াতুৰ পৰ্বতৰ নাম ফাললৈ লৰি গল, আৰু খ্ৰিষ্টিয়ান আপোন বাটে দি গল ৷ কিন্তু সেই দু জনৰ মুখৰ পৰা সুনা কথা মনত পৰি বিবেচনা কৰি থাকোঁতে, পুথিৰ নুৰা চাই সান্তনা পাবৰ নিমিত্তে তাক আনিবলৈ বুকত হাত দি খপিয়াই খপিয়াই নে পালে ৷ তেতিয়া খ্ৰিষ্টিয়ান বৰ বিয়াকুল হৈ, কি কৰিম, তাক নে জানিলে; কিয়নো সি জিহেৰে সান্তনা পাই পাই আচিল, আৰু স্বৰ্গিয়

নগৰত সোমাবলৈ জি নুৰা তাৰ চিন পত্ৰ হলহেঁতেন, তাক হেৰুআলে । এয়েৰেই বৰ চিন্তাকুল হৈ, কি নো কৰিব লগা, তাক থিৰ কৰিব নোআৰি, সেমত পৰ্বতৰ চালত থকা ঘোপ ঘৰত জিৰাঁওতে টোপনিওআৰ কথা তাৰ মনত পৰিল । তেতিয়া সি আঁঠু কাঢ়ি মাটিত পৰি সেই অগিয়ানি কৰমৰ কথাত খেমা পাবৰ নিমিত্তে ইস্বৰলৈ প্ৰাৰ্থনা কৰিলে; পাচে উঠি নুৰা বিচাৰিবলৈ উলটি গল ।

কিন্তু উভতি জাঁওতে গোটেইটো বাটত খ্ৰিষ্টিয়ানৰ মনত কিমান খেদ হৈছিল, তাক কেৰে কব নোআৰে । মাজে মাজে হুমুনিয়াহ পেলাই, মাজে মাজে কান্দে; আৰু জি ঠাই ভাগৰুআ পথক অলপকৈ জিৰাবলৈ মাথোন সজা হৈছিল, তাতে বলিয়াৰ দৰে টোপনিয়াই থকা হেতুকে আপোনাকে ঘনে ঘনে গৰিহনা কৰে । এই ৰুপে সি উলটি গৈ, জি নুৰাই জাত্ৰাত তাক এইমান বেলি সান্তনা কৰিছিল, তাক সুভ দৈবেৰে পোআ হই কি চই, এই মনেৰে গোটেই বাটত ই ফালে সি ফালে নেৰি ভালকৈ চাই গৈছিল । পূৰ্বে টোপনিওআ ঘোপ ঘৰ দেখিব পৰা ওচৰ পালতগৈ, তাৰ টোপনিওআৰ দোস আকও মনত পৰি সেই দৰ্সনেই তাৰ খেদ আগতকৈও বৰকৈ বৰ্হালে । তেতিয়া সি আপোনাৰ পাপমই নিদ্ৰাত বিলাপ কৰিবলৈ ধৰি বুলিলে, হাই হাই, দুৰ্ভগিয়া মানুহ জে মই, মই কেনেকৈ দিনতেই টোপনিয়ালোঁ! কঠিন ঠাইতে কেনেকৈ নিদ্ৰাত পৰিলোঁ! পৰ্বতৰ গৰাকিএ জি বিস্ৰাম ঘৰ কেৱল জাত্ৰিকে জিৰাই প্ৰান জুৰাবলৈহে সাজিলে, তাক সৰিলৰ সুখৰ নিমিত্তে সয়ন ঘৰ জে কৰোঁ, হাই হাই, মই কিয় এনেকৈ ইন্দ্ৰিয়ৰ ত্ৰিপ্তি বিচাৰিলোঁ! বিয়ৰ্থ ৰুপে কিমান খোজ কাঢ়ি আহিলোঁ! চুফ সাগৰৰ বাটে ইস্ৰাএল লোকক পটিওআত সিবিলাকৰো এই ৰুপ বাসনা হৈছিল । সেই পাপি নিদ্ৰাই নো হোআ হলে মই জি বাট আনন্দেৰে গলোঁহেঁতন, সেই বাট কিমান দুখেৰে জাব লগা হল! আৰু এতে বেলি আগলৈ কিমান দুৰ বাট গলোঁহেঁতেন! জি বাট এবেলিহে জাব লাগিছিল, তাক তিনি বেলি জাবৰ প্ৰয়োজন হল । আৰু এতিয়া প্ৰাই দিনটো ঢুকাল; কি জানি ৰাতিএ পোআ হম । হাই হাই, মই নো সোআ হলে, মোৰ ভাল হলহেঁতেন! এই ৰুপে বিলাপ কৰোঁতে ঘোপ ঘৰ পাই তাতে বহি কান্দি কান্দি ক্ৰমে ইস্বৰৰ ইচাৰে বহা পাটৰ তললৈ চাই নুৰাটো দেখা পালে; তেতিয়া কঁপি কঁপি বেগাই হাতেৰে ধৰি আনি বুকত সুমাই ললে । তাক পুনৰ পোআ হলত সেই মানুহৰ কিমান ৰঙ্গ হল, তাক কোনে কব পাৰে? কিয়নো সেই নুৰাই তাৰ জিৱন আৰু ইষ্ট ঠাইত গ্ৰাজ্য হবলৈ প্ৰমান আছিল; এই হেতুকে তাক বুকৰ চোলাত সুমাই থৈ, ইস্বৰে জে নুৰালৈ তাৰ চকু পোনালে, সেই নিমিত্তে তেঁওক বিনই ৰুপে স্তুতি কৰিলে । পাচে আনন্দ মনেৰে আৰু চকুৰ লো বৈ বৈ আকও আপোনাৰ জাত্ৰা কৰিবলৈ ধৰিলে ! অস, সেম ডোখৰ পৰ্বত কিমান বেগেৰে লৰি গল! তথাপি তাৰ মুৰ নৌ পাঁওতেই বেলি মাৰ গল; তেতিয়া খ্ৰিষ্টিয়ানে পূৰ্বে টোপনিওআ অপৰাধৰ কথা সুঁৱৰি আকও বিলাপ কৰি কৰি বুলিলে, হাই হাই, পাপি নিদ্ৰা! তোৰ কাৰনেহে জাত্ৰাত ৰাতিএ মোক পোআ হল! মোৰ দুষ্ট টোপনিৰ কাৰনে এতিয়া বেলিৰ পহৰ নো হোআকৈ জাব লাগে; মোৰ ভৰিৰ পথ এন্ধাৰে ঢাকিব, আৰু ৰাতি ফুৰা ভয়ানক জন্তুৰ মাত সুনিব লগা হব! তেতিয়া সঙ্কাকুল আৰু ভয়াতুৰে সিংহক দৰ্সন পাই ভই খোআ কথাও তাৰ মনত পৰিলত সি আপোনাকে বুলিলে, এনে হিংসক জন্তুবোৰে ৰাতি আপোনাৰ আহাৰ বিচাৰি ফুৰে; সিহঁতে এন্ধাৰে মুন্ধাৰে মোক জদি পাই, মই কেনেকৈ পলাম? মোক ডোখৰ ডোখৰ কৰি সি চিঙ্গাকৈ সিহঁতৰ পৰা কি উপায়েৰে সাৰিব পাৰিম? ॥

পুৰ্ব কালৰ ইতিহাস, প্ৰথম আধ্যা ।

স্রিষ্টি কৰা বিবৰন ।

The Creation.—From "Line upon Line."

মোৰ প্ৰিয় লৰাবিলাক, ইশ্বৰে জগতক স্রুজিলে, তাৰ বিসই তোমোলাকে সুনিলা, মই তাক জানোঁ। কোনোবা মানুহে জগত খন স্রুজিব পাৰিলেহেঁতেন নে? নোআৰে; মানুহে এই খন জগতৰ নিচিনা আন জগতক স্রুজিব নোআৰে।

চন্দুক আৰু খৰাহি এনে অনেক বস্তু মানুহবিলাকে সাজিব পাৰে। চন্দুক সাজিব পৰা মানুহক কি জানি তোমোলাকে জানা। এনে মানুহ এটাক জদি তুমি এটা সুদা একো ন থকা খোঁটালিত সুমাই থৈ দুআৰ মাৰি তাক কৱা, হেনে, তুমি এটা চন্দুক নে সাজা মানে তেতিয়ালৈকে তাৰ পৰা ওলাই নাহিবা; সেই মানুহ কেতিয়াবা ওলাই আহিব নে? ন হই, কেতিয়াও নোআৰে। একো বস্তু নো হোআকৈ মানুহে চন্দুক সাজিব নোআৰে। তাক অৱস্যে অলপ কাঠ, বা ৰগিতাম, বা ডাঠ তুলাপাত, নাইবা আন কোনো বেহানি দিব লাগে। কিন্তু জিহৰ পৰা স্রিষ্টি কৰিব পাৰে, ইশ্বৰৰ এনে একো বস্তু নাই কিচিল; তেঁও কেৱল হওক বুলিলতে তেতিয়াই হল।

আনাবস্তুৰ পৰা বস্তু কৰা, তাকে স্রিষ্টি কৰা বোলে। ইশ্বৰত বাজে কোনেও একো বস্তু স্রুজিব নোআৰে।

ইশ্বৰক কি কাৰনে স্রিষ্টি কৰ্তা বোলে, তাক তোমোলাকে জানা নে? তেঁও সকলোকে স্রুজিলে। এই কাৰনে কেৱল এজন স্রিষ্টি কৰ্তা আচে; পৰম দুতবিলাকে নাইবা মানুহেও একো বস্তু স্রুজিব নোআৰে। সিইতে এটোপা পানি নাইবা এটি সৰু মাখিও স্রুজিব নোআৰে।

ইশ্বৰে চই দিনত জগতক স্রুজিলে, তাক তোমোলাকে জানা। প্ৰত্যেক দিনত তেঁও কি কি কৰিলে, তাক মই তোমোলাকক কঁও।

প্ৰথম দিনা ইশ্বৰে বুলিলে, পহৰ হওক, আৰু পহৰ হল।

দুতিয় দিনা ইশ্বৰৰ আগ্যাতে বৰ ওখ পানি হৈচিলে; সেই পানিকে ডাৱৰ বোলে। আৰু চাপৰ পানিও হৈচিলে; পানিত বাহিৰে আৰু একো দেখিবলৈ নাই কিচিল। আৰু ইশ্বৰে সকলো ঠাই বায়ুৰে সৈতে পৰিপুৰ্ন কৰিলে। কিন্তু বায়ু অদ্রিস্য, তাক তোমোলাকে জানা।

ত্ৰিতিয় দিনত ইশ্বৰৰ আগ্যাত পানি গুচি তাৰ তলত থকা সুকান মাটি দেখা হল। জি দ ঠাই ইশ্বৰে জুগুত কৰিলে, তালৈকে পানি বৈ গল। সুকান ঠাইক ইশ্বৰে প্ৰিথিৱি নাম থলে; আৰু পানিক সমুদ্ৰ বুলিলে। আমি হলে মাটিৰ ওপৰত খোজ কাঢ়োঁ, কিন্তু সমুদ্ৰৰ ওপৰত খোজ কাঢ়িব নোআৰোঁ। সমুদ্ৰ সদাই হেন্দুলি থাকে। জি দ ঠাইত ইশ্বৰে সমুদ্ৰক সিমা কৰি থলে, তাৰে পৰা কেতিয়াও আহিব নোআৰে। ইশ্বৰে বাক্য বুলিলতে আৰু বস্তুবিলাক প্ৰিথিৱিৰ পৰা গজিল। কি কি বেহানি মাটিৰ পৰা ওলাল, তাকে তোমোলাকে মোত কব পাৰা নে? ঘাঁহ, গোম ধান, গচ, আৰু ফুলবিলাক উতপন হল।

চতুৰ্থ দিনত ইশ্বৰৰ বাক্যত সুজ, চন্দ্ৰ আৰু তৰাবিলাক স্রুজা হল। সুৰ্জক প্ৰত্যেক ৰাতি পুআ ওলাবলৈ, আৰু গধুলি মাৰ জাবলৈ বিধান দিলে; কিয়নো দিনে ৰাতিএ সদাই পহৰ জেন নে থাকে, তাকে ইশ্বৰে ভাল দেখিলে। ৰাতিতে জি আমাৰ সুই থকা সমই, তেতিয়া এন্ধাৰ হোআ ভাল। কিন্তু ৰাতিত পহৰ দিবৰ কাৰনে ইশ্বৰে চন্দ্ৰক আৰু তৰাবিলাকো দিচে; সেই কাৰনে জদি ৰাতি আমি ফুৰোঁ, তেতিয়া আমি অলপ পহৰ দেখোঁ। আকাসৰ তৰাবিলাক অগনন।

পঞ্চম দিনত ইশ্বৰে জিৱ থকা জন্তুকে স্রুজিবলৈ ধৰিলে। তেঁও আগ্যা দিলত পানিত মাচেৰে পুৰ হল। আৰু পখিবিলাক পানিৰ পৰা উৰি ওলাই গচবিলাকত পৰিল।

সষ্ট দিনত ইস্বৰে আগ্যা দিলে, আৰু সিংহ, মেৰ চাগলি, ঘোঁৰা আদি কৰি সকলো বিধৰ পহুবিলাক প্রিথিবিৰ পৰা ওলাই আহিল। সেই দৰে মাখি, মৌ, উস্রিঙ্গা আৰু পৰুআবিলাক আদি কৰি সকলো বিধৰ বগাই ফুৰা জন্তু প্রিথিবিৰ পৰা ওলাল।

পাচে ইস্বৰে মানুহ এজনক স্রুজিলে। ইস্বৰে বুলিলে, আহাঁ, আমাৰ আপোনাৰ মূর্ত্তিৰে মানুহক স্রুজোঁহক। এই কথা ইস্বৰে কালৈ কলে? তেঁওৰ পুত্র প্রভু য়িচু খ্রিষ্টলৈ কলে; কিয়নো জেতিয়া তেঁও জগতক স্রুজিলে, তেতিয়া তেঁওৰ পুত্র সগত আচিলে। ইস্বৰে মানুহৰ সৰিল প্রিথিবিৰ ধুলিৰ পৰা কৰিলে; পাচে তাৰ নাকত নিস্বাস কৰ্হালত জিৱাত্মা হল। সেই মানুহৰ সৰিল আৰু মনো আচিল; সেই কাৰনে মানুহে ইস্বৰক চিন্তিব পাৰে। জেনেকৈ তোমোলাকে সুনিচা, সেই দৰে ইস্বৰে পাচে মানুহৰ কোসৰ পৰা অলপ মান মঙ্গহ আৰু হাৰ লৈ তিৰোতা এজনি স্রুজিলে।

ইস্বৰে আন সকলো জন্তুবিলাকক আদম আৰু হৱাক দিলে; আৰু তেঁও সিহঁতক আর্সিবাদ কৰি এদেন নামেৰে এখান বাৰিত থলে, আৰু তাক ভালকৈ ৰাখিবলৈ আগ্যা দিলে।

ইস্বৰে সেই সকলোকে স্রুজি এঁটাই, তেতিয়া তেঁও দেখিলে দেখে, সকলো উত্তম হৈচে। তেঁওৰ স্রুজন বস্তুতে তেঁও বৰ সন্তোস হল; কিয়নো সেই সকলো বৰ সুন্দৰ। পহৰ বৰ জেতস্বি হল, বতাহ সুসিতল, প্রিথিবি কলাপতিয়া বৰনেৰে সোভা কৰা হল, সুর্জ চন্দ্রই আকাসত বৰ উজ্জল ৰূপে প্রকাস কৰিলে। চৰাই, পহু, আৰু জিয়াই থকা জন্তুবিলাক ভাল আৰু সুখিয়া আচিল; কিন্তু আটাইতকৈ আদম হৱাহে উত্তম আচিল; কাৰন সিহঁতে ইস্বৰৰ সদ গুনৰ নিমিত্তে ভাবিব পাৰে, আৰু তেঁওৰ নামত স্তুতি ধন্যবাদ কৰিব পাৰে।

সপ্তাহত সাত দিন আচে, তাক তোমোলাকে জানা। সাত দিনৰ দিনা ইস্বৰে একো ন কৰিলে, কিন্তু সকলো কৰমৰ পৰা জিৰালে, আৰু সেই দিনকে তেঁও আপোনাৰ বুলি কলে; কিয়নো তেঁও সেই দিনকে পবিত্র কৰিলে। সেই কাৰনেহে মানুহবিলাকে সেই দিনত সকলো কাম এৰি জিৰাই; আৰু সেই দিন ইস্বৰৰ বুলি কই। সেয়ে বিস্রাম দিন, ইস্বৰক ধন্যবাদ কৰিবলৈ বৰ দিন।

চই দিনৰ মাজত ইস্বৰে জিবিলাক জন্তু স্রুজিলে, সেই সকলোৰে মাজত আদম আৰু হৱাত বাজে আন কোনেও জিবাৰে ইস্বৰক ধন্যবাদ কৰিব নোআৰে।

স্বৰগত দুতবিলাকে, আৰু প্রিথিবিত মানুহবিলাকে ইস্বৰক ধন্যবাদ কৰিব পাৰে।

মোৰ প্রিয় লৰাবিলাক, তোমোলাকে কেতিয়াবা ইস্বৰক ধন্যবাদ কৰা নে?

তেঁওক স্তুতি কৰা গিত কি জানি তোমোলাকে জানা।

তোমোলাকে তেঁওক ধন্যবাদ কৰালৈ ইস্বৰে সন্তোস আচে নে? হই, জদি তোমোলাকৰ চিন্তন আৰু প্রেম তেঁওলৈ থাকে, তেন্তে তোমোলাকৰ স্তুতি তেঁও গ্রহন কৰিব।

পৰম দুতবিলাকে প্রেম ভক্তি কৰি তেঁওক ধন্যবাদ সদাই কৰে, আৰু সেই দৰে আমিও কৰিব লাগে।

ইস্বৰে প্রত্যেক দিনত কি কি কৰিলে, এতিয়া তাকে গনা।

প্রথম দিনা, পহৰ।

দুতিয় দিনা, বায়ু আৰু মেঘ।

ত্রিতিয় দিনা, প্রিথিবি, সমুদ্র, আৰু প্রিথিবিৰ পৰা বহা বস্তুবিলাক।

চতুর্থ দিনা, সুর্জ, চন্দ্র, আৰু তৰাবিলাক।

পঞ্চম দিনা, মাচ, আৰু চৰাইবিলাক।

সষ্ট দিনত, পহুবিলাক, বগাই ফুৰা জন্তু, আৰু মানুহ।

সপ্তম দিনা, একো ন কৰিলে, ইস্বৰে জিৰালে।

ক.

পুৰনি অসম বুৰঞ্জি, নং ১৩।

Sukiongfa succeeds the Dihingia Roja—War with the Koches.

পাচে জেঠৰ দিনত গৌৰেশ্বৰে ভুৰ্বকক মাৰিবৰ বাত্ৰা পালে। লাকনি কংমুত (৪৯) সঁকত আঘোনৰ দিনত চিকলাই পৰ্বতত নিবাহিনি সাগুিয়া মঙ্গলৰ পুতেক সিসু বিসু এই দুই ভায়েকে ৰজা দেৱৰ ঠাইলৈ মানুহ পঠালে; সন্দেস দিলে, ঘোঁৰা ২ টা, এটা সুকুলা, এটা পৰলা; ভাঙ্গৰ মুকুতা এধাৰ, পোআল এধাৰ, সোনৰ টঙ্গালি এগচ, মুকুলা চামৰ একুৰি, গৰ্ভ চামৰ ১ টা। এই সকল দি সিসু বিসুএ প্ৰাৰ্থনা কৰি আহিল, বোলে, মই বন্দিক আপদে সম্পদে ৰখ্যা কৰিলে মই বচৰি সেৱা জনাই থাকিম। পাচে ৰজা দেৱে তাৰ মানুহ বিদাই দিলে, আমাৰো কটকি পঠালে, সন্দেস দি সুকুলা মহ, মুকুলা গৰু। পাচে আমাৰ মানুহ সন্দেস দি উলটি আহিল। আত পাচে ৰজা দেৱে বৰ পাত্ৰ গোহাঁইক কচাৰিৰ ৰাজ খাবলৈ পঠালে। খাওমুংকতক, খাওমুংখ, খাওমুংচেনব, চুলেং চাৰিঙ্গ ৰজা, চুক্লুংমুং তিপাম ৰজা, এই সকলক বৰ পাত্ৰৰ লগলৈ পঠালে। পাচে ৰজা দেৱে মগলৌ ৰজাৰ জিএকক খুজি পঠালে; পাচে মগলৰ ত্যাওমন ৰজাই তংপলোম, ফুলুং, এই দুইক পঠালে, বোলে, মই নাংমাক কুঁঅৰিকৈ দি পঠাম। এই কথা সুনি ৰজা দেৱে বোলে, পুৰ্ব্বে খনখাৰাক জিনি কুঁঅৰি তিনটা পাইচোঁ, ই কথা পুৰনি হল, এখন কুঁঅৰি দিও বুলিচে, ভাল দিব, পুৰ্ব প্ৰিতি গোট চলোক; এই বুলি ৰজা দেৱে আমাৰ ৰিংৰাই কটকিৰ হাতত সোন ৰুপৰ চিৰি দুগচ তাৰ কটকিৰ লগত পঠাই দিলে। পাচে মগলৰ ত্যাওমন ৰজাই পুনৰ্বাৰ ফিৰাই পঠালে, সেই কটকিৰ হাতত ঘোঁৰা পোষ্কেৰেটা, হাতি ১ টা; লেখা পত্ৰ দি আহিল, কৰতিয়া গঙ্গাত দল বন্ধা পুখুৰি খনা সঁক, ১৪৪৮।

পাচে চুহমুংফা দিহিঙ্গিয়া ৰজা দেৱে পুতেক চুক্লুংফা তিপাম ৰজা বহাগৰ দিনত বৰ কুকুৰা জুঁজাইচিলে। জেঠৰ দিনত বাপেক পুতেকে বোলা বুলি কৰি পুতেক গৰগাঁৱলৈ আহিল। লাকনি তাওচান সঁকত ৰজা দেৱে চুলেং চাৰিঙ্গ ৰজাকে, চুখ্ৰুংসক গোহাঁইকে, এই দুই পুতেকক মাতি আনি আলচ কৰিলে, বোলে, তইঁত দুই ভায়েৰে গৈ গৰগাঁয়া বপাইক মাতি আনগৈ; বৰ গোহাঁইকো আনিবি। পাচে দুই কোঁঅৰে গৈ মাতিলেগৈ। চুক্লুংফা তিপাম ৰজা বোলে, বপাই, তইঁত কি কাৰনে আহিলি? ত্যাওত্যিঙ্গে আহি মোক নিয়কহি। পাচে ৰজা দেৱে ত্যাওত্যিঙ্গক ৰাখি চুলেং চাৰিঙ্গ ৰজাক পঠাই দিলে। মংচিপৰ পৰা আনিবলৈ বৰ গোহাঁই সহিতে কথা বাত্ৰা হৈ বিধাৰন হেন জানি নানি উলটি গল। পাচে ৰজা দেৱে মাঘৰ দিনত দিহিঙ্গৰ পৰা বকতালৈ আহি সমুফা দেঁওধাইক পঠাই চুক্লুংফা গৰগাঁয়া ৰজাৰ মাকক পানিত হাত জোৰোৰাই সপত কৰাই ৰজা দেও দিহিঙ্গলৈ উলটি গল; গৰগাঁয়া ৰজাৰ মাক পৰ্বতলৈ উলটি গল। পাচে চতৰ দিনত পৰ্বতৰ দেও ঘৰলৈ ৰজাৰ চোলা দি পঠালে, চোমচেঙ্গৰ পেৰাকো ঘোঁৰা এটাত তুলি দি পঠালে; নগৰ নৌ পাঁওতেইগৈ চুক্লুংফা তিপাম ৰজা ৰাতমাল নামে কচাৰি লেহেতিয়াক তিৰি বেস ধৰাই পঠাই দি, বাপেক ৰজা দেৱক দুপৰ ৰাতি চুৰিৰে খুচি মৰালে।

লাকনি কাৱাও (৫১) সঁকত মাঘৰ দিনত চুহমুংফা দিহিঙ্গিয়া ৰজা দেও মুংৰাই চিমুং কৰিলে। ভোগ কৰিলে ৪৩ বচৰ, হিন্দু মতে সঁক ১৪৯২, (১৪৬১)। দিহিঙ্গিয়া ৰজা দেৱৰ কথা সমাপত।

এওৰে পুতেক চুক্লুংফা তিপাম ৰজা লাকনি কাৱাও সঁকত ৰজা হল। লাকনি ডাপকেও সঁকত ৰজা দেৱৰ ভায়েক চুলেং চাৰিঙ্গিয়া গোহাঁইক তিপাম ৰজা পাতিলে। চুতেং নামৰুৰিয়া গোহাঁইক চাৰিঙ্গিয়া গোহাঁই পাতিলে। চুখ্ৰুং সৰু গোহাঁইক নাম-

ৰুকিয়া ৰজা পাতিলে। এই শঁকতে ৰজা দেৱে কচাৰি ৰাজ্যলৈ গৈ ডাউকা নামে ঠাই পালেগৈ। তাৰে পৰা ৰাজ মাও দেও মৰিবৰ সুনি উলটি আহিল। ৰজা দেও চুলেং তিপাম ৰজাক কচাৰি ৰাজ্যলৈ পঠালে। পাচে চুলেং তিপমিয়া গোহাঁই দেৱে কচাৰি ৰাজ্যলৈ গৈ লুইতৰ কাখৰত কোঁঠ কৰি ৰলগৈ। পৰে কাতিৰ দিনত চুলেং তিপমিয়া গোহাঁয়ে কচাৰি ৰাজৰ পৰা আহি ভেঁটি ভাৰ সহিতে ৰজা দেৱক সেৱা কৰিলেহি। পাচে সেই বচৰতে কচাৰি ৰজা জুধলৈ আগ বাৰ্হি আহিল, চুক্লুংফা ৰজা দেৱে এই কথা সুনি সৈন্যে সহিতে কচাৰি ৰনলৈ আগ বাৰ্হি আহি চাৰিং পালেহি; চোম ঘৰত বহিবৰ সুনি তাৰে পৰা উলটি গৰগাঁৱলৈ আহিল। পাচে বহাগৰ দিনত চুটিয়া আহি চুহনক মাৰি লৰা তিৰোতা ধৰি দিচাঙ্গৰ পৰা লৈ গল। পাচে ৰজা দেৱে এই কথা সুনি লাকনি প্লেকঙ্গি (৫৬) শঁকত থাওমুং তিপামক কচাৰি ৰাজ্যৰ পৰা আনি দিচাঙ্গত চুলেং তিপমিয়া গোহাঁইৰ হতুআই থোআলে।

লাকনি থুতচি শঁকত কোচে জুধলৈ আহিল। বৰ গোহাঁয়ে জুধ ন কৰিবলৈ বাধিলে; থাওমুং বানলুং, তাওপিম, এই দুয়ে বৰ গোহাঁইৰ কথা ন লৈ ফুকন সকলেৰে দিকৰাই পাৰ হৈ কোচেৰে দুবাৰ জুধ কৰিলে। পাচৰ বাৰ জুধত কোচে বিস্তৰ কাঁৰ মাৰিলে; আমাৰ থাওমুংনাংলাইৰ হাতত কাঁৰ লগালে। পাচে হাতিএ আঘাত কৰি পেলালে; এনেতে ৰুকায়েক খেনতে হাতিএৰে আহি ভায়েকক তুলি লৈ আহিল। পাচে কোচে খেদি আহিল; এনেতে আমাৰ মানুহ ভাগি পলাল। থাওমুং, বানলুং, হাতিএ সৈতে পৰিল; কুংবিনো হাতিএ সৈতে পৰিল; লোকলাহনো ঘোঁৰাত উঠি জুপ কৰি পৰিল; পৰ্বতিয়া গোহাঁই গৰ এৰি হাতিএৰে পলাল; থাস্তুসন্দিকৈ গৰ এৰি হাৰি সোমাই ডইখুনে দি গৈ ঘোঁৰা এৰি পলাল; ৰাজ্যো খৰঙ্গিলৈ ভাগি আহিল। গুঁইমেলাৰ থাওমুংলাঙ্গ ৰাজ নেওগ ১, থাওমুংবানলুং ১, কুংবিনৰ ভাই নাক্ফিং ৰাজ নেওগ ১, এই তিনিএ ৰাতি কোচক কঁৰিয়াইচিলে। পাচে তাৰে পৰা ভাগি আহি পুআ সনা পালেহি; কোচেও খেদি আহিল; আমাৰ লোকেও জুধ ধৰিলে। আমাৰ ৰাজ খোআ হাজৰকিয়া দুয়ো পৰিল। থাওমুংখেনচ, থাওমুংচেনৰ, থাওমুংক্লচেন, থাওমুং নাংলা, থাওমুং নাবিম, থাওমুং চাৰিঙ্গ, চাওচামগ্লুং, ত্যাওৰিন প্লাইনা, ত্যাওৰিন, ত্যাওফুফং, এই সকলক ৰজা দেৱে পাচত ললে; আৰু ত্যাওলুংলানক নাৱৰ অধিকাৰ কৰিলে। ৰজা দেৱে এই সকলেৰে পিচলাৰ গৰ পাৰ হৈ জাঁওতে কোচে আহি জুধ ধৰিলেহি; জুধে নোআৰি কোচ ভাগি গল। পাচে আমাৰ চুলেং তিপমিয়া ৰজা ১, চুতেং চাৰিঙ্গ ৰজা ১, কংচেং বৰ পাত্ৰ ১, এই তিনিএ সমস্ত লোকেৰে কোচক খেদি পানিত পেলাই কাটিলে, তাতে ঘোঁৰা পালে দুটা। পাচে ৰজা দেৱে ৰন জিনি সৈন্যেৰে উজাই আহি ৰিংখন মুংখন কৰিলেহি।

পাচে লাকনি ত্যাওচিঙ্গা শঁকত ভাঙ্গৰ ভুমি কম্প গল, মাটি কাটি সিল বালি ওলাল। লাকনি কামুত (১) শঁকত ৰজা দেও ত্যেপনত আচিলে; সেই সময়ত বানচাঙ্গ নগাই বানফা নগাৰে কন্দল লগালে। পাচে বানফা নগাই বলে নোআৰি মহ, মেচোন, পহু, মৰা, কুকুৰ আনি ৰজা দেৱৰ ঠাইত সৰনাগত হৈ বৰ মাগিলেহি; বোলে, বানচাঙ্গ নগাৰ নিমিত্তে ৰব নোআৰোঁ, সৰ্গদেৱে জেনে ৰুপে হই ৰথ্যা কৰোক। পাচে ৰজা দেৱে বানচাঙ্গ নগাক জুধ কৰিবলৈ সৈন্য দি বুৰা গোহাঁইক পঠালে; আৰু সানত্যাঙ্গক মহঙ্গত থাকিব দিলে। ৰজা দেও সিলা গ্ৰামতে আচিলে, সেই ঠাইকে বানৰিন বোলে। পাচে বুৰা গোহাঁয়ে বানচাঙ্গ নগাক জিনি, কিংপুং নামে তাৰ ৰজাটোক ধৰি আনিলে।

তাৰ পালে মহ ১ কুৰি, মেচৌন ৯ টা, টেঙ্গাৰ মান পোআল ১ টা; এই দ্ৰব্যেৰে কিংপুং চালি নগা ৰজাক আনি, ৰজা দেৱক সেৱা কৰালেহি। লাকনি কাপচান (১) মঁকত পুহৰ দিনত ত্যাওলাংত্যাং মৰিল: ভাদৰ দিনত ত্যাওচুতেং, ত্যাওলুংতিম, ত্যাওচিইমহ, এই তিনিও মৰিল। পাচে ৰজা দেও এবচৰ নৰিয়া পৰি আছিল। লাকনি ৰাইমিত মঁকত চুক্লুংফা ৰজা দেও ম্রিত্যু হল। এঁৰে ভোগ কৰিলে ১৪ বচৰ।

অনেক দেসৰ সম্বাদ।

Journal of Events.

সকলো দেসৰ বস্তুৰ মহা দৰ্সনৰ নিমিত্তে লণ্ডন নগৰত জি চাহাবে আৰ্চিৰ ৰৰ ঘৰ সাজিবলৈ আৰ্হি দেখালে, তেঁওৰ নাম শ্ৰীজুত জচেফ পাক্‌স্তন। তেঁওৰ নকচা ইয়াত লি-



Joseph Paxton, Esq., Architect of the Crystal Palace.

খা আছে। সেই মহা দৰ্সন চাবৰ নিমিত্তে সকলো দেসৰ লোক গৈছে; সিবিলাকৰ মাজত তুৰুক দেসৰ মুস্তাফা বাদসা নামে এজন ৰাজ মন্ত্ৰি, আৰু খেহ দেসৰ মান্দৰিন বিলই থকা প্ৰধান লোক এজনো গৈছে। সিবিলাকৰ নকচাও ওপৰত লিখা আছে।

সোঁ ফালে থকা ডাঙ্গৰ নকচাত শ্ৰী শ্ৰীমতি মহা ৰানি আৰু তেঁওৰ স্বামি পুত্ৰ দুহিত্ৰিএ সৈতে সেই মহা দৰ্সনৰ ঘৰত সোমোআৰ




Moustapha Pasha, and the Chinese Mandarin.

পুতলা লিখা আছে। তাৰ মাজত থকা জনা মহা ৰানিৰ স্বামি প্ৰিন্স আল্‌বৰ্ত্ত; তেঁও সোঁ হাতে মহা ৰানিক, বাঁও হাতে দুহিত্ৰিক ধৰি লৈ গৈছে; মহা ৰানিএ সোঁ হাতে ৰর কোঁঅৰ জুবৰাজক ধৰিছে। তেঁওবিলাকৰ পাচ ফালে জাতি বৰচা ধৰি পালি লোআ লোক আছে; আগ ফালে সোনোআলি চোলা পিন্ধি ডণ্ড ধৰা, বৰ লোক দুজন লিখা আছে।

মান দেসলৈ জাবৰ নিমিত্তে খেহৰ এখান জোঙ্গ নাও ৯ মেই তাৰিখত পিনাঙ্গ নগৰ এৰি গলত মাকাও নিবাসি জি ৪৫ জাত্ৰি জাহাজত আছিল, সিহঁতে উঠি জাহাজৰ আ-টাই বন্দুআবোৰ মাৰিলে। তেতিয়া জাহাজৰ পিচ ফালে থকা ৮।৯ খেহ লোকে ভোজনৰ পাচে ধুঁআ খাই আছিল, সিবিলাকে হাই সুনি আপোনাৰ খোঁটালিৰ দুআৰ মাৰি সিহঁতক সোমাবলৈ বাধা কৰিলত সিহঁতে দুআৰ ভাঙ্গিব খুজিলে। এনে সময়ত খেহবিলাকে খাৰ ভৰোআ এটা পিপা লৈ, সোমালে জুই লগাম বুলিলত তোমোলাকক একো দুখ নি দিম বুলি সিহঁতে সপত কৰি মিতিৰ পাতিলে। কাল ক্ৰমে মালাকা নগৰ

INAUGURATION OF THE CRYSTAL PALACE.



মহা বানিজ প্ৰথমে মহা দৰ্শনৰ আৰ্চিৰ ঘৰত প্ৰবেশ হোৱাৰ নকচা।

The Great Exhibition opened by the Queen.—From the Illustrated London News.

পাই মাকাও নিবাসিবোৰে জাহাজৰ আটাই বস্তুৰ ভাগ বাটি ললে, কিন্তু খেহবিলাকে নগৰৰ ভিতৰলৈ গৈ এই কথা কলে; তাতে অধিকাৰে সেই বধ কৰা সকলোকে ধৰাই নিয়ালে ।

ফৰিদপুৰ জিলাত ৯ এপ্ৰিলত ৰাধানাথ গোপি নামে এজন মানুহে ৭ বচৰিয়া লৰা এটা জংঘলৈ নি তাৰ গাৰ অলঙ্কাৰ পাবৰ নিমিত্তে তাৰ ডিঙ্গিত ডোল লগাই চেপি মাৰিলে । তাৰ পাচে সি আপোন ঘৰলৈ গৈ ভাত খাই ৪ টকা ৰুপৰ বস্তু বজাৰত বেচি দুখন চুৰিয়া কিনিলত বাকি জি অলঙ্কাৰ থাকিল, সেইবোৰ মাটিত পুতিলে । তাৰ কিচু দিনৰ পাচে নিয়ালে খাই এৰা হাৰ মুৰ হাৰিত পাই তাৰ মৰা দাঁতত চিন পাই তাক সেই লৰা বুলি জানিলে । পাচে সেই মানুহ ধৰা পৰিলত কলিকতাৰ সদৰ নিজামতৰ সোধাৰুএ তাক ফাঁচি দিবলৈ আগ্যা কৰিলে, আৰু এই দেসৰ লোকে লৰাক অলঙ্কাৰ নি পিন্ধাবৰ নিমিত্তে সেই কথা প্ৰকাস কৰিবলৈ আগ্যা দিচে । এই ৰুপে ঠায়ে ঠায়ে অলঙ্কাৰৰ কাৰনে অনেক লৰা বচৰি বচৰি মাৰি আচে ।

সাঁথৰ দিয়া ।

Riddles.

১ । গচ কুম্ভ কৰন, লাগে পাঁচ বৰন,
পকোঁতে জাকে জাকে পৰে,
সৰোঁতে এটি এটি সৰে ।

২ । ওপৰৰ পৰা পৰিল চিলা,
মুৰ নাই কিয়া গোটেই গিলা ।

৩ । লাৰ ওপৰত লি,
চাঁচি লগালে কাটি কামি,
নে চাঁচি লগালে কি?

৪ । চাৰি কালে চাৰি বান,
দুকালে দুখন কান,
গোটে গোটে মানুহ গিলে,
তেও নে জাই প্ৰান ।

৫ । বজাৰ জপা একুৰি এখলপা ।

৬ । বজাৰ জি নৰি জাই,
সদৌ ফুল মৰি জাই ।

৭ । ই কালে বা বাঁহ, সি কালে বা বাঁহ,
ভাগো ভাগো কৰে বাঁহ ।
তেও নুৰে বাজ হাঁহ ।

৮ । গচৰ ওপৰত গুটি, গুটিৰ ওপৰত গাচ,
ই নো কি গচৰ সঁচ?

৯ । ৰূপাৰ ওপৰত কুপা,
কুপাৰ ওপৰত তেল,
জৰ পুৰকৈ বাস্কি থৈচোঁ,
কোনে পায় মেল ।

১০ । আম গুম গুম, চাম গুম গুম,
পৰ্বতে গুম গুমাই ৰাবালিকাই,
কনিটো পাৰিচে পানিত তল নে জাই ।

ইয়াৰ অৰ্থ এই ।

১, কুমাৰৰ পাগ সালি । ২, চোলা । ৩, এলাঁধু । ৪, ঘৰ । ৫, কলাডিল । ৬, নিয়ৰ । ৭, দোলা । ৮, কেতেই কঁঠাল । ৯, বাঁহ গাচি । ১০, তেল টোপা ।


চেপ্তেম্বৰ, অৰ্থাত আহিনৰ পঞ্জিকা ।

Almanac for September, 1851.

চেপ্তেম্বৰ	ভাদ	বাৰ	তিথি	দিনমান	চেপ্তেম্বৰ	আহিন	বাৰ	তিথি	দিনমান
১	১৭	২	৬	১২।৩৪	১৬	১	৩	২১	১২।১০
২	১৮	৩	৭	১২।৩২	১৭	২	৪	২২	১২।৮
৩	১৯	৪	৮	১২।৩০	১৮	৩	৫	২৩	১২।৬
৪	২০	৫	৯	১২।২৮	১৯	৪	৬	২৪	১২।৫
৫	২১	৬	১০	১২।২৬	২০	৫	৭	২৫	১২।৩
৬	২২	৭	১১	১২।২৫					
					২১	৬	১	২৬	১২।১
৭	২৩	১	১২	১২।২৩	২২	৭	২	২৭	১২।০
৮	২৪	২	১৩	১২।২২	২৩	৮	৩	২৮	১১।৫৯
৯	২৫	৩	১৪	১২।২০	২৪	৯	৪	২৯	১১।৫৭
১০	২৬	৪	১৫	১২।১৯	২৫	১০	৫	৩০	১১।৫৬
১১	২৭	৫	১৬	১২।১৭	২৬	১১	৬	১	১১।৫৪
১২	২৮	৬	১৭	১২।১৬	২৭	১২	৭	২	১১।৫৩
১৩	২৯	৭	১৮	১২।১৪					
					২৮	১৩	১	৩	১১।৫১
১৪	৩০	১	১৯	১২।১৩	২৯	১৪	২	৪	১১।৫০
১৫	৩১	২	২০	১২।১১	৩০	১৫	৩	৫	১১।৪৯

পুৰ্নিমা ১০ দিনৰ ৮।২ ডাটি । আমাবাস্যা ২৫ দিনৰ ০।৩০ ডাটি ।

THE ORUNUDOI,
Printed and Published by O. T. CUTTER, *at the Sibsagor Mission Press.*—N. BROWN, *Editor.*



৬ বচৰ। মোং শিৱসাগৰ, চেপ্তেম্বৰ, ১৮৫১। নম্বৰ ৯।

VOL. VI. SIBSAGOR, ASAM, SEPTEMBER, 1851. NO. 9.

পাৰ্চি দেশৰ বিবৰণ।

Description of Persia.

পূৰ্ব্ব কালত পাৰ্চি দেস অতি প্ৰধান আৰু শক্তিমন্ত। খ্ৰিষ্টৰ আগেয়ে কোৰচ আহা চুএৰ, আৰ্ত্তশ্যস্থা বা আৰ্দচিৰ, দাৰিয়ু, চৰ্কচিচ, তাৰ এইবিলাক ৰজা জুধত বৰ পৰাক্ৰমি আ-চিল। আগৰ কালত আফঘান, বিলুচ, আৰু আন আন সৰু দেসো পাৰ্চিৰ ভিতৰ আচিল, এতিয়া পৃথক হল। আৰু এস বচৰ মানৰ পৰা অনেক ৰন হোআত, সেই দেস সৰু হৈ গল। তাৰ দিঘে ৯০০ মাইল, পথালিঅ ৮৫০। প্ৰজা ১,১০,০০,০০০ মান আচে।

পাৰ্চিৰ উত্তৰ ফালে কুৰ নদি, কাস্পিয়ান সমুদ্ৰ, আৰু খিৱা দেস আচে; দখিন ফালে পাৰ্চি সমুদ্ৰ; পুব ফালে এটা বৰ ডাঙ্গৰ বালি ভৈয়াম; পচিম ফালে ফিৰাট আৰু তিগৰ নদি আৰু আৰ্ম্মেনিয়াৰ পৰ্ব্বত। দে-সৰ মাজ ডোখৰ খৰ খৰিয়া নিসত, আৰু লোনা বিল থকা চাপৰি। জি সৰু সৰু নদি-বোৰ আচে, তাৰ দোআৰাই কেতবিলাক মাটি ৰসিক জিপাল।

কাস্পিয়ান সমুদ্ৰৰ দাঁতিত মাটি সাকআ, কিন্তু নিয়ৰ অধিক পৰে, আৰু বায়ু বিসম। তাত অনেক সুন্দৰ বাৰি পাতে; সিৰাজ নগৰৰ পনিয়ালৰ ৰস অতি চিকন সোআদ। তাতে আঙ্গে সুনি গচ, পাট পলু, ধান, ঘেঁহু, কপাহ, ধঁপাত, নিল, আফু, হিঙ্গ, চিঁবাল, কুঁহিয়াৰ, সুমথিৰা, ডিমৰু, ডালিম, বাদাম, আৰু নৰা বগৰি। ইয়াৰ বাজে লো, তাম, ৰূপ, মুকুতা আচে; আৰু অনেক সুন্দৰ কাপৰ কৰি বেচে।

পাৰ্চি দেসত ঘোঁৰা, গাধ, উট, সিংহ, বাঘ, ভালুক, বৰা, আৰু মেৰ চাগ আচে। ঘোঁৰা বৰ সুন্দৰ, কিন্তু আৰবিৰ ঘোঁৰাৰ সমান বেগি আৰু টান পকিয়া ন হই। সিইতৰ এবিধ মেৰ চাগৰ নেজ বৰ ডাঙ্গৰ ডিঘল, আৰু জোখতো ১০।১৫ সেৰ গধুৰ হই।

পাৰ্চিৰ বাদস্যাই আপোনাৰ লোকবি-লাকক কঠিন ৰূপে দমন কৰে; সিইতৰ প্ৰান বা সম্পতি ইচাৰ দৰে মাৰিব নিব পাৰে। তথাপি সেই দেসত ডকাইত চোৰ সৰহ। সিবিলাকৰ আলাপ অতি চিকন মিত্ৰ ভাও, আৰু পেটত খিয়াল ৰাখিলেও মিতিৰৰ দৰে মুখে কথা কই।

পাৰ্চি লোক প্ৰায়ে মচলমান, কিন্তু সিবিলা-কৰ বেলেগ মত, আলিৰ সিখ্যাৰ দৰে প্ৰৱৰ্ত্তে; সেই নিমিত্তে আন মচলমানে তৈতে নি মি-লে। তাত বাজে চুফি নামে সকলো মানুহৰ অপচঙ্গি গিয়ানিৰ এক মতো আচে; আৰু আদি পাৰ্চি অগ্নি সেৱক আচিল, এতিয়াও কেতবিলাক আচে।

আদি পাৰ্চিৰ বঙহ সকত আৰু সুন্দৰ মানুহ, কিন্তু আন আন জাতিৰে মিহলি হোআত আগতকৈ কিচু হিন হল। সোন, ৰূপ আদি বহুমুল্য অনেক অলঙ্কাৰ পিন্ধে; ভাঁৰিতো মুকুতা লগাই। ভদ্ৰ লোকৰ তি-ৰোতাৰ ওৰনি নো লোআকি কেতিয়াও বাহিৰত দেখা নে জাই; মুৰত দিয়ল কা



পৰ একুচিয়াকৈ মেৰাই, আৰু দিঘল মিহি পাট কাপৰ পিন্ধে। বৰ লোকে কেইবা জনিও তিৰোতা লই; সিইঁতে চাকৰৰ দৰে স্বামিৰ আল ধৰে; সেই দস্তুৰ উচিত ন হই।

সিবিলাকৰ পুথি অনেক; সিবিলাকৰ কবি হাফিচ, চাদি, ফৰ্দুচিএ অতি সুন্দৰ ৰূপে পদ বৰ্নমা কৰিচিল। সিবিলাকৰ ভাসা আৰু আখৰ আৰবিৰ সিচিনা; সোঁ কালৰ পৰা বাঁও কাললৈ কথা লিখে; আমাৰ পুথিৰ অন্ত জত থাকে, সিইঁতৰ পুথিৰ আগ থাকে; ইব্ৰি আৰু আৰবি পুথিও সেই ৰূপে লিখা আচে।

পাৰ্চিৰ ৰাজ নগৰ তেহেৰানৰ নিবাসি ৫০,০০০ মান হৈচে। সেই নগৰ এলবৰ্জ পৰ্বতৰ গুৰিত; ঘাম কালত তাপৰ কাৰনে প্ৰায়ে সকলোএ তাক এৰি জাই। ইস্পাহান নামে পুৰনি ৰাজ নগৰ আচে; এতিয়াও ডাঙৰ নগৰ, নিবাসি লোক ২ লাখ মান প্ৰথমতে মগল বাদস্যা তিমুৰৰ দোআৰাই নষ্ট কৰা হৈচিল; পাচে ১৭২২ সঁকত আফঘান লোকে আকও ভাঙ্গি নষ্ট কৰিলে।

২০০ বচৰৰ আগেয়ে তাব্ৰিজ নামে এক প্ৰধান নগৰ আচিল, তাৰ প্ৰজা ৫ লাখ হৈচিল, কিন্তু অনেক ভুইকঁপে ভাক নষ্ট কৰিলে। এতিয়া ৮০,০০০ মানুহ আচে। এই নগৰত জুবৰাজ থাকে, আৰু তাত দুটা চাপা খানা জন্তত অনেক কিতাপ চাপিচে।

মেসাদ নগৰত ইমাম ৰেচা নামে এটা মচলমানৰ বৰ ডকতৰ মচিদ আচে; তালৈ ২০,০০০ মান জাত্ৰিক লোকে বচৰে বচৰে জাই।

কিন্তু জি অতি সুন্দৰ নগৰত পাৰ্চিৰ কবি আৰু বিদ্যাৱন্ত লোক নিবাস হৈচিল, তাৰ নাম সিৰাজ। তাৰ এদিনৰ বাট উত্তৰতে পৰ্চেপলি নামে এটা পুৰনি নগৰৰ ভগা চিগা অৱসেস বস্তু আচে। তাতো ডালে-মান আখৰ আৰু মূৰ্ত্তিৰ নকচা সিলৰ ওপৰত কটা আৰু লিখা আচে; কেৱে ভালকৈ পৰ্হিব নোআৰে। মহা চিকন্দৰে জেতিয়া পাৰ্চি ৰজা দাৰিয়ূক জিনিলে, তেতিয়া খঙ্গেৰে সেই উত্তম নগৰ নষ্ট কৰিলে।

লণ্ডন নগৰৰ নিবাসিৰ সংখ্যা।

Population of London.

কলিকতা অতি মহা নগৰ হই। আচিয়া অৰ্থাত ভাৰত বৰ্সৰ মাজত জেতেক নগৰ আচে, সেই সকলোৰে কলিকতা মুকুট; কিন্তু লণ্ডন মহা নগৰৰ অপেখ্যাৰে কলিকতা এখন গাঁৱৰ সিচিনা। সেদৰ বাৰ মানুহ পিয়ল কৰোঁতে কলিকতা নগৰত ৫ লাখ ১৩ হেজাৰ মানুহ আচিল। লণ্ডনৰ লোকৰ সংখ্যা ২৩,৬৩,১৪১; ইয়াৰ বাজে লণ্ডনৰ ওচৰ চহৰত লাখ লাখ মানুহৰ বসতি। দেন্মাৰ্ক ৰাজ্যত জত লোক আচে, সেইমান লোক লণ্ডন নগৰত আচে। হানোবৰ ৰাজ্যতকৈ লণ্ডন নিবাসি দুগুন; গ্ৰিক ৰাজ্যতকৈ চাৰি গুন। কলিকতা, মান্দ্ৰাজ, বম্বাই, দিলি, আগৰা, পাটনা, লাহোৰ, এই সকলতো জিমান লোক আচে, তাৰ ডেৰ গুন লণ্ডনত। গোটেই খন অচম দেসৰ সমান মানুহ সেই নগৰত আচে। লণ্ডন নগৰত মানুহ থকা ঘৰ বাৰিৰ সংখ্যা, ৩,২৪,৬১১। আন আন প্ৰকাৰ ঘৰ ৪,৮১৭। কলিকতাৰ মানুহে থকা ঘৰ ৬২,০০০। আন আন ডাঙৰ ঘৰ ৪০০।

ধৰম্ম কথাৰ সম্বাদ ।

Missionary and Religious Intelligence.

নগাঁও জিলাত ২৩ জুলাই তাৰিখত শ্রীজুত পাদুৰি বুন্সন চাহাবৰ দোআৰাই শ্রীজুত পাদুৰি গড্‌লৱ দৈবলি চাহাব আৰু শ্রী মতি মেৰি এচ্ লিায় মেম চাহাব, দুইৰো খ্রিষ্টিয়ান মতে সুভ বিবাহ কৰোআ হৈছিল ।

সিৱসাগৰ জিলাত চেপ্তেম্বৰ ৭ তাৰিখত শ্রীজুত হুআইতিঙ্গ চাহাবৰ দোআৰাই শ্রী ভদ্রাম অচমিয়া, আৰু শ্রী লুংচাঙ্গ নামে নগা এজন, এই দুয়ো বুৰ পাই খ্রিষ্টিয়ান মণ্ডলিত গ্রহন কৰা হল ।

গুআহাটিত চেপ্তেম্বৰ ৭ তাৰিখে শ্রী মতি আপৰি নামে ইস্কুলৰ চোআলি, আৰু আন এজনি তিৰোতা মানুহ গুআহাটিৰ মণ্ডলিত গ্রাজ্য কৰা হল ।

কানপুৰ নগৰত জুলাই ৩১ তাৰিখত ৭ জন গোৰা সেনা আৰু দুজনি তিৰোতা শ্রীজুত উলিয়ম চাহাবৰ দোআৰাই বুৰ পালে ।

১৬ আগষ্টত বৰিসাল নগৰত গাভৰু তিৰোতা তিনি জনি মণ্ডলিত গ্রহন কৰিলে ।

ইস্বৰৰ ধৰম প্রৱর্ত্তাবৰ নিমিত্তে জি ধৰমৰ সমাজ সেই মাহত লণ্ডনত সভা কৰিছে, সিবিলাকৰ নাম আৰু বছৰি দিয়া ধনৰ লেখ এই ।

ধৰম সাস্ত্র বিলোআৰ সমাজ	৫,৩৭,৯৫০
ত্রেক্ত কিতাপ বিলোআৰ সমাজ	৬,২১,৬৯৫
বাপ্তিষ্ট মিচ্যনেৰি সমাজ	১,৯০,৬৪৯
চর্চ মিস্যনেৰি সমাজ	১১,২২,৫২০
ওএস্লিয়ান মিস্যনেৰি সমাজ	১০,৪৬,৬১০
লণ্ডন মিস্যনেৰি সমাজ	৬,৮০,২৮০
স্কটলণ্ডৰ চর্চ মিস্যনেৰি সমাজ	৭,২৪,৭০০
স্কটলণ্ডৰ ফ্রি চর্চ মিস্যনেৰি সমাজ	৩,২৬,০৯০

মাদগাস্কৰ উপদিপত ৪ জন ভাঙ্গৰিয়া লোকে খ্রিষ্টিয়ান ধৰম লোআত সিবিলাকক জুইত পুৰি মাৰিলে; আৰু আন ১৪ জন শিয় গৰাৰ পৰা গঁতা মাৰি পেলালে । তথাপি ধৰম বাঢ়ি গৈছে; এদিন চাউভাঙ্গ এজনে সিবিলাকক বিচাৰোঁতে অকস্মিতে ১০০০ খ্রিষ্টিয়ান লোক গোট খোআ পাই ধৰিলে ।

ইতালি দেসৰ ফ্লৰেন্স নগৰত ৭ মেই তাৰিখে কঁওত গুইচিৰ্দিনি নামে এজন বৰ লোক আপোনাৰ কোনো মিতিৰে নৈতে মেজত বহি য়োহানে লিখা সাস্ত্র পঢ়ি থাকোঁতে কমিয়া বিসয়াই সোমাই ধৰি সকলোকে বিচাৰ কৰ্ত্তালৈ নিলে; পাচে সেই সাস্ত্র পঢ়াৰ জগৰত সিইতক এডোখৰ খৰাপ ঠাইত চ মাহলৈকে কইদ কৰি ৰাখিবলৈ হুকুম দিলে ।

এক কোঁঠত থকা দুজন বনুআ মানুহ সংসাৰিক মন হৈ ইজনে সিজনে খিয়লা খিয়লি কৰি আমি একে লগে গুলিয়াই জুঁজ কৰিম বুলি নিৰ্বন্ধ কৰিলত ৰাতি এখন পথাৰলৈ গৈছিল । তাতে সেই কোঁঠৰ আন এজন খ্রিষ্টিয়ান মানুহে সেই ঠাইত প্রার্থনা কৰি আছিল । সেই দুজন তাৰ ওচৰ পাই প্রার্থনাৰ মাত সুনি বৰ আচৰিত মানিলে; আৰু ইস্বৰে আমাক এই দুষ্ট কৰম কৰিবলৈ নিসেধ কৰিছে, ইয়াকে ভাবি দুইৰো একে বেলিএ থঙ্গ গুচি মনত প্রিতি সোমাই ইএ সিএ হাতত ধৰা ধৰিকৈ খেমা খুজি আলাপৰ কথা ৰাঙ্কিলে । ধৰমিৰ প্রার্থনাত এনে সক্তি । ॥



দখিন সাগৰৰ মাৰ্কুইচৰ দেৱ মুৰ্তি ।